www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মানুহৰ স্বভাৱ এনেকুৱা যে আন বহুতক জ্ঞানী, বুদ্ধিমান আৰু বাগ্মী পুৰুষ বুলি স্বীকাৰ কৰাৰ পাছতো আনক নিজতকৈ জ্ঞানী বুলি স্বীকাৰ কৰিবলৈ টান পায়। — টমাছ হবছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৫৯ ❑ মঙ্গলবাৰ ❑ ৩১ মাৰ্চ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 159 ❑ Tuesday ❑ 31st March, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

❑ চাৰ্জফ্ৰেম সন্দৰ্ভত প্ৰথম দিনা যুক্তি প্ৰদৰ্শন কৰিলে অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই ❑

## অৱশেষত ফাষ্ট ট্ৰেক আদালতত জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ শুনানি

কাইলৈ শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাৰ যুক্তি শুনিব আদালতে

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৩০ মাৰ্চ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ গোচৰৰ শুনানি সোমবাৰৰ পৰা ফাষ্ট ট্ৰেক আদালতত আৰম্ভ হৈছে। এতিয়াৰ পৰা এই গোচৰৰ দৈনিক শুনানি অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়া হৈছে। চৰকাৰী অধিবক্তা জিয়াউৰ ৰহমান কামাৰে সংবাদমাধ্যমৰ আগত কয় যে আজি নতুন আদালত আৰু নতুন পৰিৱেশত শুনানি আৰম্ভ হৈছে। তেওঁ জানিবলৈ দিয়ে যে ❑ ৬ পৃষ্ঠাত



■ ৰাজ্যসভালৈ যোৱাৰ পথ প্ৰশস্ত ■

## বিধান পৰিষদৰ সদস্য পদ ত্যাগ নীতিশ কুমাৰৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ৰাজ্যিক বিধান পৰিষদৰ সদস্য পদৰ পৰা পদত্যাগ কৰিছে। ১৬ মাৰ্চত ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাৰ পিছত সাংবিধানিক নিয়ম অনুসৰি ১৪ দিনৰ ভিতৰত পদত্যাগ কৰাটো বাধ্যতামূলক আছিল। সেই অনুসৰি সোমবাৰে (৩০ মাৰ্চ) তেওঁ বিধান পৰিষদৰ অধ্যক্ষৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে। সংবিধানৰ নিয়ম অনুসৰি ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাৰ ১৪ দিনৰ ভিতৰত বিধান পৰিষদ বা ❑ ৬ পৃষ্ঠাত



■ ঢেকীয়াজুলিত কেন্দ্ৰীয় গৃহমন্ত্ৰী; গৌৰৱ গগৈক অবৈধ অনুপ্ৰৱেশকাৰীৰ ৰক্ষক আখ্যা ■

# আজি বাণ নগৰীত ৰাজনাথ সিং; 'ন' ড্ৰোণ জ'ন' ঘোষণা

**ষ্টাফ ৰিপ'টাৰ, তেজপুৰ,৩০ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰাক-প্ৰচাৰৰ অংশ হিচাপে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মঙলবাৰে (৩১ মাৰ্চ) তেজপুৰ ভ্ৰমণ কৰিব। তেওঁৰ জনসভা আৰু অন্যান্য কাৰ্যসূচীৰ সুৰক্ষাৰ স্বাৰ্থত বাণ নগৰীত 'ন' ড্ৰোণ জ'ন' ঘোষণা কৰা হৈছে। শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ে সোমবাৰে জাৰি কৰা এক নিৰ্দেশনাত কোৱা হৈছে যে ৰাজনাথ সিঙৰ তেজপুৰ ভ্ৰমণৰ সময়ত ড্ৰোণ বা Unmanned Aerial Vehicle (UAV) ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হ'ব। বিশেষকৈ তেজপুৰৰ কলেজিয়েট ফিল্ড আৰু পুলিচ ৰিজাৰ্ভত স্থাপন কৰা অস্থায়ী হেলিপেডৰ পৰা ❑ ৬ পৃষ্ঠাত



বিহাৰ বিধানসভাৰ অধ্যক্ষক পদত্যাগ পত্ৰ দাখিল

## বিধায়ক পদ ত্যাগ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে বিহাৰ বিধানসভাৰ বাংকীপুৰ সমষ্টিৰ বিধায়ক পদৰ পৰা সোমবাৰে পদত্যাগ কৰিছে। তেওঁ বিহাৰ বিজেপিৰ ৰাজ্যিক সভাপতি সঞ্জয় সৰাবগীলৈ ❑ ৬ পৃষ্ঠাত

❑ শ্ৰেণী কক্ষৰ ভিতৰত অনুষ্ঠিত কৰিলে নিৰ্বাচনী প্ৰচাৰ সভা ❑

## চৰকাৰী বিদ্যালয় হৈ পৰিল নিৰ্বাচনী কাৰ্যালয়


GOVERNMENT OF ASSAM
OFFICE OF THE DISTRICT ELECTION OFFICER
KAMRUP METROPOLITAN DISTRICT, GUWAHATI
SHOW CAUSE NOTICE

ৰূপনগৰ বিদ্যাপীঠ এম ই স্কুলৰ প্ৰধান শিক্ষকলৈ কাৰণ দৰ্শোৱাৰ জাননী

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৩০ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনক লৈ মধ্য গুৱাহাটী সমষ্টিত এক নাভুত-নাশ্ৰুত ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰূপনগৰ বিদ্যাপীঠ এম ই স্কুলৰ শ্ৰেণীকোঠাৰ ভিতৰত বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ গুৰুতৰ ❑ ৬ পৃষ্ঠাত

বিজেপি কৰ্মীৰ আক্ৰমণত আহত কংগ্ৰেছ প্ৰাৰ্থী সুনীল চেত্ৰী

সুপ্ৰিয়া শ্ৰীনেটেৰ গুৱাহাটীত সংবাদমেল

## মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ সম্পত্তি ৬৫০ শতাংশ বৃদ্ধি; কংগ্ৰেছৰ গুৰুতৰ অভিযোগ

হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পত্নীৰ সম্পত্তি বৃদ্ধিৰ 'ফৰ্মুলা' ৰাজহুৱা কৰিবলৈ আহ্বান

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৩০ মাৰ্চ ঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সামাজিক মাধ্যম আৰু তথ্য-প্ৰযুক্তি বিভাগৰ অধ্যক্ষ সুপ্ৰিয়া শ্ৰীনেটে অসমৰ মুখ্যমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে গুৱাহাটীত উন্মোচন কৰিব অসম বিজেপিৰ নিৰ্বাচনী ঘোষণাপত্ৰ

## আজি মুকলি হ'ব বিজেপিৰ সংকল্প পত্ৰ

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে প্ৰস্তুত কৰা সংকল্প পত্ৰ (নিৰ্বাচনী ঘোষণাপত্ৰ) ৩১ মাৰ্চত মুকলি কৰা হ'ব। কেন্দ্ৰীয় ❑ ৬ পৃষ্ঠাত




## প্ৰাক নিৰ্বাচনী হিংসাই জোকাৰিছে নদুৱাৰ সমষ্টিক

**ষ্টাফ ৰিপ'টাৰ, তেজপুৰ, ৩০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ অভিযানৰ মাজতে ন-দুৱাৰ বিধানসভা সমষ্টিত পুনৰ প্ৰাক-নিৰ্বাচনী হিংসাৰ ঘটনা সংঘটিত হৈছে। সোমবাৰে সমষ্টিৰ ❑ ৬ পৃষ্ঠাত

খোৱাঙত নিৰ্বাচনী প্ৰচাৰত অজাপ সভাপতিৰ অভিযোগ

## জুবিন দাৰ হত্যাৰ লগত জড়িত মানুহবোৰ হিমন্ত বিশ্বৰ অতি ঘনিষ্ঠ!



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ অভিযানৰ মাজতে অসম জাতীয় পৰিষদৰ সভাপতি তথা খোৱাং সমষ্টিৰ বিৰোধী উমৈহতীয়া প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁ কয় যে জুবিন গাৰ্গৰ হত্যাৰ লগত জড়িত মানুহবোৰ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠজন। আজি খোৱাং সমষ্টিৰ ❑ ৬ পৃষ্ঠাত

## শদিয়াত জগদীশ ভূঞা 'গেষ্ট এক্টৰ'ৰ দৰে ভুটুংকৈ আহি ওলায় ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ অভিযানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শদিয়া বিধানসভা সমষ্টিত অজাপৰ প্ৰাৰ্থী জগদীশ ভূঞাক তীব্ৰ ভাষাত সমালোচনা কৰিছে। তেওঁ জগদীশ ❑ ৬ পৃষ্ঠাত

কংগ্ৰেছক তুলাধুনা সভাপতি নীতিন নবীনৰ

## জাগীৰোড সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ বিজপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচন ২০২৬ক লৈ বিজেপিয়ে জোৰদাৰ প্ৰচাৰ অভিযান চলাইছে। আজি জাগীৰোড ❑ ৫ পৃষ্ঠাত

## অখিল গগৈৰ দৰে ভণ্ড মানুহ মই ক'তো দেখা নাই, ঠগাৰ 'আৰ্ট' তেওঁ ভালকৈ জানে !

বোকাখাতত অগপ প্ৰাৰ্থী অতুল বৰাই ৰাইজৰ দলৰ অখিল গগৈক তীব্ৰ আক্ৰমণ, বামপন্থী বুলি কটাক্ষ

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ তুংগত উঠি অহাৰ লগে-লগে ৰাজনৈতিক বাকযুদ্ধও তীব্ৰ হৈ উঠিছে। বোকাখাত বিধানসভা সমষ্টিৰ অগপ প্ৰাৰ্থী অতুল বৰাই ৰাইজৰ দলৰ সভাপতি আৰু শিৱসাগৰৰ প্ৰাৰ্থী অখিল গগৈক তীব্ৰ ভাষাত আক্ৰমণ কৰিছে। আজি বোকাখাতত ❑ ৬ পৃষ্ঠাত




মাজুলীক শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি

## স্বাধীনতাৰ পিছৰে পৰা মাজুলীক প্ৰৱঞ্চনা কৰা হৈছিল আৰু উন্নয়নক আহিবলৈ দিয়া হোৱা নাছিল

**অসম বাৰ্তা, ফুলনি/ মাজুলী, ৩০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ ১২৬টা সমষ্টিতে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তুংগত হৈ উঠিছে। ভোটাৰৰ মন জয় কৰিবলৈ প্ৰতিগৰাকী প্ৰাৰ্থীয়ে দিনে-নিশাই চলাইছে নিৰ্বাচনী কুচকাৱাজ। ❑ ৬ পৃষ্ঠাত



মাজুলীত চিকিৎসা মহাবিদ্যালয় স্থাপন, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ক পূৰ্ণাংগ বিশ্ববিদ্যালয়ৰ মৰ্য্যদা, মাজুলীত অত্যাধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণকে ধৰি একাধিক ঘোষণা মুখ্যমন্ত্ৰীৰ



## বৰপথাৰ নগৰত অজাপ মিত্ৰজোঁটৰ অস্থায়ী কাৰ্যালয় মুকলি

# সৰুপথাৰ সমষ্টিত জীৱন চুতীয়াই ধুমুহাৰ গতিত চলাইছে নিৰ্বাচনী প্ৰচাৰ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৯ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনলৈ যিমানেই দিন চমু চাপিছে সিমানেই ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পোৱা দেখা গৈছে। ১০৭নং সৰুপথাৰ বিধান সভা সমষ্টিত শাসকীয় দলৰ প্ৰাৰ্থী বিশ্বিজৎ ফুকনৰ লগতে বিৰোধী ঐক্য তথা অজাপ প্ৰাৰ্থী জীৱন চুতীয়াইও দিনৰাতি একাকাৰ কৰি নিৰ্বাচনী প্ৰচাৰ চলাইছে। তেখেতে দৈনিক সমষ্টিটোৰ বিভিন্ন প্ৰান্তত ছয়/সাতখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লোৱাৰ উপৰি অজাপ দলত যোগদান কাৰ্যসূচী সম্পন্ন কৰিছে। দেওবাৰে আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি তথা প্ৰচাৰ অভিযান আৰু দলীয় কৰ্মীৰ সুবিধা হোৱাকৈ জীৱন চুতীয়াই সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত বৰপথাৰ নগৰৰ হাইস্কুল তিনি আলিত এটি মিত্ৰজোঁটৰ অস্থায়ী কাৰ্যালয় উদ্বোধন কৰে আৰু সকলো দলীয় সতীৰ্থ একত্ৰিত হৈ বিশ্ব-বিশ্ৰুত শিল্পী জুবিন গাৰ্গক সুঁৱৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত অসম জাতীয় পৰিষদ দলৰ লগতে কংগ্ৰেছ, ৰাইজৰ দল, চি.পি.আই.(এম.), চি.পি.আই (এম.এল.) দলৰ স্থানীয় নেতৃবৰ্গ আৰু বহুসংখ্যক বিষয়ববীয়া তথা সমৰ্থক উপস্থিত থাকে। কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত উপস্থিথ থকা সকলো সমৰ্থকক শুভেচ্ছা জনাই আৰু গৌৰৱ গগৈৰ নেতৃত্বত ঐক্য শক্তিৰে নতুন বৰ অসম গঢ়িবলৈ সক্ষম হ'ব বুলি মন্তব্য আগবঢ়ায়।

# সৃজনগ্ৰাম সমষ্টিৰ আমবাৰী বজাৰত নিৰ্বাচনী কাৰ্যালয় মুকুলি ছাহিদুল হকৰ

**অসম বাৰ্তা, লেংটিছিঙা, ২৯ মাৰ্চ ঃ** সৃজনগ্ৰাম সমষ্টিৰ কাছাৰীপেটী, আমবাৰী, নসত্ৰ, বাঘেখাই তি আদিৰ সহস্ৰাধিক অগপ বিজেপি নেতা কৰ্মীয়ে পুষ্পবৃষ্টিৰে আদৰিলে ১৭ নং সৃজনগ্ৰাম সমষ্টিৰ অগপ দলৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ছাহিদুল হকক। কংগ্ৰেছ আৰু AIUDF দলৰ পৰা প্ৰায় অৰ্ধশতাধিক লোকে অগপ দলত যোগদানেৰে নিৰ্বাচনৰ বাবে সৃজনগ্ৰামত নিৰ্বাচনী ৰণডংকা বজালে অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী ছাহিদুল হকে। মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীয়ে আজি সৃজনগ্ৰাম সমষ্টিৰ আমবাৰী বজাৰত সহস্ৰাধিক দলীয় কৰ্মী আৰু সমৰ্থকৰ উপস্থিতত অগপ দলৰ নিৰ্বাচনী কাৰ্য্যালয় মুকুলি কৰে। ছাহিদুল হকে সংবাদ মাধ্যমৰ আগত কয় যে ৰাইজৰ যি মৰম আৰু আশীৰ্বাদ পাইছোঁ মানে ইমানেই ইমানেই ভাল লাগিছে যে ৰাইজে যথেষ্ট সঁহাৰি দিছে যে এইবাৰ নিচ্ছয় অসম গণ পৰিষদ দলে সৃজনগ্ৰাম সমষ্টি জয় হোৱাটো নিশ্চিত। সৃজনগ্ৰাম সমষ্টিত অসম গণ পৰিষদ দলৰ লগত কোনো দলৰ লগত প্ৰতিদ্বন্দ্বিতা নহয় অসম গণ পৰিষদ দলে বিপুল ভোটত জয়লাভ কৰিব। কাৰণ বিগত দিনত যি বিধায়ক আছিল সেই বিধায়কজন সৃজনগ্ৰাম সমষ্টিত একো কাম কৰা নাই আৰু এইখন চৰকাৰ মিত্ৰজোঁটৰ চৰকাৰ একশ শতাংশ নহয় হাজাৰ শতাংশ হব। গতিকে ৰাইজে এইবাৰ বুজি পাইছে যে আমি এইবাৰ চৰকাৰৰ পক্ষত থাকিলে আমাৰ সমস্যা সমাধান হব। চৰকাৰ পক্ষৰ বিধায়ক নহলে বিৰোধী দলৰ বিধায়ক হলে আমাৰ সমস্যা সমাধান কেতিয়াও নহয় বুলি অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী ছাহিদুল হকে কংগ্ৰেছ আৰু AIUDF দলক তীব্ৰ সমালোচনা কৰে। সৃজনগ্ৰাম সমষ্টিত অগপ দলৰ প্ৰাৰ্থী বিজয় নিশ্চিত বুলি দাবী কৰে ছাহিদুল হকে। ছাহিদুল হকৰ নেতৃত্বত কাছাৰীপেটী, আমবাৰী বজাৰত এআইইউডি এফৰ আৰু কংগ্ৰেছ দলৰ পৰা অৰ্ধ শতাধিক কৰ্মী অসম গণ পৰিষদ দলত যোগদান কৰে। আৰু এই যোগদান কাৰ্য্যসূচীত উপস্থিত থাকে আমবাৰী-বাৰেগড় গাঁও পঞ্চায়তৰ উপ সভাপতি ৰাশিদুল হক, আঞ্চলিকৰ বুধ কমিটীৰ সভাপতি ইজ্জত আলী, আনিচুল চৌধুৰী, সমাজ কৰ্মী কাদেৰ আলী, আঞ্চলিকৰ সভাপতি ৰফিকুল ইছলাম, সমষ্টিৰ প্ৰচাৰ সম্পাদক লুৎফৰ ৰহমান, কাছাৰীপেটী গাওঁ পঞ্চায়তৰ প্ৰাক্তন সদস্য মজাম্মেল হক আৰু দলীয় কৰ্মকৰ্তা সকল।

## বিশ্বনাথৰ তিনি সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ হৈ চলাব নিৰ্বাচনী প্ৰচাৰ; কুলাগুৰী পথাৰত প্ৰস্তুতি তুংগত

# এক এপ্ৰিলত বিহালীলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী

**অসম বাৰ্তা, বিহালী, ২৯ মাৰ্চ ঃ** বিধানসভাৰ নিৰ্বাচনৰ দিন সমগ্ৰ ৰাজ্যতে অহা ৯ এপ্ৰিলৰ দিনটো ঘোষনা হোৱাৰ লগে লগে ৰাজ্যত দ্ৰুত গতিত ৰাজনৈতিক দল সমূহৰ নিৰ্বাচনী প্ৰচাৰ তুগত উঠিছে। চৌদিশে নিৰ্বাচনী ৰন ডংকা বজাই একপ্ৰকাৰ নিৰ্বাচনী পৰিবেশ গৰম কৰি তুলিছে। বিজেপি দলৰ হৈ প্ৰায় ৪০ গৰাকী ষ্টাৰ কেম্পেইনাৰে চলাইছে মাৰাথান নিৰ্বাচনী প্ৰচাৰ। ৰাজ্যত এইবাৰ বিজেপি দলে মিত্ৰজোটৰ সৈতে ৯০ খনৰো অধিক আসনত বিজয় সাব্যস্ত কৰি গঠন কৰিব চৰকাৰ। সেই ক্ৰমে বিহালীতো বলিছে নিৰ্বাচনী গৰম বতাহ। বিশেষকৈ বিহালীত অহা ১ এপ্ৰিলত আহিব ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী! বিশ্বনাথ জিলাৰ তিনি গৰাকী বিজেপি প্ৰাৰ্থী ক্ৰমে বিশ্বনাথৰ পল্লৱলোচন দাস, বিহালীৰ মুনিন্দ্ৰ দাস আৰু গহপুৰৰ উৎপল বৰাই হৈ নিৰ্বাচনী প্ৰচাৰ চলাব দেশৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে। উল্লেখ্য যে প্ৰধান মন্ত্ৰী গৰাকীৰ সৈতে উপস্থিত থাকিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, শোনিতপুৰৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, কেবাগৰাকী মন্ত্ৰী, বিধায়ক তথা বিশ্বনাথ, গহপুৰ আৰু বিহালীৰ বিজেপি প্ৰাৰ্থী পল্লৱ লোচন দাস, উৎপল বৰা আৰু মুনিন্দ্ৰ দাস এই সন্দৰ্ভত ইতিমধ্যে বিহালীৰ কুলাগুৰীৰ বিশাল পথাৰত মোদীৰ অস্থায়ী জনসভাৰ বিশাল পেক্ষাগৃহৰ প্ৰস্তুতি তুগত ৰাখিছে উৎদোক্তা সকলে। এই সন্দৰ্ভত নিৰ্মাণ কৰা হৈছে তিনিটাকৈ হেলিপেড, আনহাতে প্ৰায় এক লাখ পঞ্চাশ হাজাৰ ৰাইজৰ উপস্থিতিৰ বাবে যাৱতীয় ব্যৱস্থা আৰু কাৰীকৰি সকলো প্ৰস্তোতি যুদ্ধংদেহী ভাবে আৰম্ভ কৰিছে। আনহাতে সম্পূৰ্ণ কটকটীয়া নিৰাপত্তাৰ বেষ্টনীৰে গঢ়ি তুলিছে অস্থায়ী পেক্ষাগৃহৰ চাৰিসীমা এই সন্দৰ্ভত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই প্ৰস্তুতিৰ নিৰীক্ষণ কৰি, মোদীৰ এই বিশাল জনসভাৰ সাফল্যমণ্ডিত কৰিবৰ বাবে বিশ্বনাথ জিলাৰ সকলো ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# মাকুম পৌৰসভাৰ অন্তৰ্গত ৫ নং ৱাৰ্ডত নিৰ্বাচনী আচৰণ বিধিৰ উলঙ্ঘনৰ অভিযোগ

**অসম বাৰ্তা, মাকুম, ২৯ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচন উপলক্ষে ৰাজ্যৰ চাৰিওফালে শাসক বিৰোধী প্ৰাৰ্থী সকলে নিৰ্বাচনী প্ৰচাৰ চলাই থকাৰ মাজতে আজি মাকুম পৌৰ সভাৰ অন্তৰ্গত ৫ নং ৱাৰ্ডত নিৰ্বাচনী আচৰণ বিধিৰ উলঙ্ঘনৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি ৱাৰ্ডটোত এগৰাকী বিজেপিৰ বুথ সম্পাদিকাই ঘৰে ঘৰে প্ৰৱেশ কৰি ভোটাৰ সকলক ভোটাৰ কাৰ্ড নিৰীক্ষণৰ নামত বিজেপিৰ চিহ্ন সংলগ্ন বুটাম টিপিবলৈ দিয়া হৈছে বুলি স্থানীয় ৰাইজে অভিযোগ কৰে। যদিও বুথ সম্পাদিকাৰ পক্ষই এয়া ভোটাৰ সকলৰ ওচৰলৈ গৈ তেওঁলোকৰ সমস্যাবোৰ বুজা আৰু সঠিক তথ্য দিয়াৰ গণতান্ত্ৰিক পদ্ধতি অনুসৰি যোৱা হৈছিল বুলি অৱগত কৰে।

## ▢ কৃষকৰ সমস্যা আৰু জলজীৱন আঁচনিৰ ফ্লপ শ্ব' ▢

# ডিমৌত কেৱল আঁচনিয়ে সুশান্ত বৰগোহাঁইক ৰক্ষা কৰিব পাৰিবনে ?

### একাধিক জ্বলন্ত সমস্যা সমাধানত চৰম ব্যৰ্থতাৰ অভিযোগ

**অসম বাৰ্তা, ডিমৌ, ২৯ মাৰ্চ ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ ১২টা দিন বাকী থকা অৱস্থাত এইবাৰ শিৱসাগৰ জিলাৰ ৯৫নং ডিমৌ বিধানসভা সমষ্টিত শাসকীয় দলৰ বিধায়ক তথা প্ৰাৰ্থী সুশান্ত বৰগোহাঁইৰ বাবে দ্বিতীয় বাৰৰ বাবে নিৰ্বাচিত হোৱাটো অতিকৈ প্ৰত্যাহ্বানজনক হৈ পৰা পৰিলক্ষিত হৈছে। বিধায়কগৰাকীৰ কাৰ্যকালত সমষ্টিটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি পালনত দেখুওৱা ব্যৰ্থতাই এতিয়া তেওঁৰ নিৰ্বাচনী যাত্ৰাত তীব্ৰ বাধাৰ সৃষ্টি কৰিছে। ২০২১ চনৰ উপ-নিৰ্বাচনত জয়ী হোৱাৰ পাছতে সমষ্টিৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিমৌ মহাবিদ্যালয়ত শীঘ্ৰেই বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিব বুলি সুশান্ত বৰগোহাঁইয়ে যি ঘোষণা কৰিছিল, সেয়া আজি পৰ্যন্ত কাৰ্যকৰী নহ'ল। ইয়াৰ বিপৰীতে ডিমৌ টাউন উচ্চ মাধ্যমিক বিদ্যালয়খন বন্ধ কৰি দি চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সপোন ভাঙি পেলোৱা কাৰ্যই স্থানীয় ৰাইজক ক্ষুণ্ণ কৰি তুলিছে। যাতায়তৰ একমাত্ৰ পথ দেউৰীটিং দলংখন নিৰ্মাণৰ প্ৰতিশ্ৰুতি দি উপ-নিৰ্বাচনত জয়ী হোৱা বিধায়কগৰাকীৰ সেই প্ৰতিশ্ৰুতিও অসাৰ প্ৰমাণিত হ'ল। আনহাতে, নিতাই পানীদিহিং মৌজাৰ ৭০খনৰো অধিক গাঁৱৰ ৰাইজৰ বাবে কালস্বৰূপ হৈ পৰা দিহিঙৰ জৰাজীৰ্ণ মথাউৰিটো নিৰ্মাণ কৰাতো তেওঁ ব্যৰ্থ হৈছে। বৰ্তমান বৰষুণৰ ফলত মথাউৰিটোৰ মাজভাগ বহি গৈ প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত ৰাইজ এতিয়া গভীৰ চিন্তাত মগ্ন হৈছে। অঞ্চলটোৰ কৃষকৰ বাবে অত্যাৱশ্যকীয় শীতাতপ নিয়ন্ত্ৰিত গৃহ নিৰ্মাণ কৰিব নোৱাৰাটো বিধায়কজনৰ আন এক ডাঙৰ ব্যৰ্থতা। পানীদিহিং পক্ষী অভয়াৰণ্যক লৈ অমৃত সৰোবৰ



আঁচনিৰ নামত কোটি কোটি টকাৰ লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে অভয়াৰণ্যখনক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি দিয়াতো তেওঁ চূড়ান্তভাৱে ব্যৰ্থ হৈছে। আনকি প্ৰধানমন্ত্ৰীৰ সপোনৰ 'জলজীৱন আঁচনি'ৰ ডিমৌত চৰম অৱস্থা দেখা গৈছে। মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰি যোৱা কলীয়াপানী আঁচনিৰ লগতে লাইবিল মিৰিপথাৰ, ককিলামাৰী আদি ২০খনতকৈও অধিক আঁচনি এতিয়া বিকল হৈ পৰিছে। ১৮খন চাহ বাগিচাৰ শ শ মহিলা এইবাৰ অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত হোৱা ঘটনাই নিৰ্বাচনত বিৰূপ প্ৰভাৱ পেলোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, কেৱল চৰকাৰী আঁচনিৰ দোহাই দি এইবাৰ ভোটাৰ ৰাইজৰ মন জয় কৰা সহজ নহ'ব। বিশেষকৈ কংগ্ৰেছ-মিত্ৰজোঁটৰ প্ৰাৰ্থী অজয় কুমাৰ গগৈৰ শক্তিশালী প্ৰভাৱে এতিয়া সুশান্ত বৰগোহাঁইৰ নিদ্ৰা হৰণ কৰা বুলি একাংশ সচেতন ৰাইজৰ মাজত তীব্ৰ সমালোচনা সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

# ৫৮ নং চামগুৰিৰ নিৰ্বাচনত সাংসদ ৰকিবুল হুছেইন আৰু বিজেপি প্ৰাৰ্থী অনিল শইকীয়াৰ মাজত মুখচুপুতি

**অসম বাৰ্তা, ৰূপহীহাট, ২৯ মাৰ্চ ঃ** ৰাজ্যত বলিছে নিৰ্বাচনী গৰম বতাহ তাৰ ব্যতিক্ৰম নহয় চামগুৰি বিধানসভা সমষ্টিও। পুত্ৰক উদ্ধাৰৰ বাবে কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰ তথা সাংসদ ৰকিবুল হুছেইনে চলাইছে দিনে নিশাই প্ৰচাৰ। কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰ ৰকিবুলে অসমৰ অন্য সমষ্টিত প্ৰচাৰ বাদ দি অকল পুত্ৰক উদ্ধাৰৰ বাবে চামগুৰিত জঁপিয়াই পৰা দেখা গৈছে। সমষ্টিটোত চৰ্চা চলিছে যে বিজেপি ৰ অনিল শইকীয়া আৰু এআইইউডিএফ দলৰ আব্দুল আজিজৰ মাৰাথন প্ৰচাৰত দিশহাৰা হৈ পৰিছে কংগ্ৰেছ। এইবাৰ চামগুৰি সমষ্টিত প্ৰথমৰ পৰাই কংগ্ৰেছ বিৰোধী ঢৌ দেখিবলৈ পোৱা গৈছে। ৰকিবুলৰ পুত্ৰক সমষ্টিবাসীয়ে মানি লব পৰা নাই। যাৰ বাবে সমষ্টিটোত কংগ্ৰেছ ত্যাগৰ জোৱাৰ উঠিছে। চামগুৰিত বিজেপি আৰু এআইইউডিএফ দলৰ উত্থানত কংগ্ৰেছৰ সাংসদ জনে সভা-সমিতিত আবোল-তাবোল বকিবলৈ আৰম্ভ কৰা দেখিবলৈ পোৱা গৈছে।



চামগুৰিত কংগ্ৰেছৰ এখন সভাত ৰকিবুল হুছেইনৰ জিভা পিছল খালে। সভাখনত ৰাইজক উদ্দেশ্য ভাষণত ৰকিবুল হুছেইনে কয় যে কংগ্ৰেছ চৰকাৰ হ'লে দুখীয়া মানুহে ব্যবহাৰ কৰা সামগ্ৰীৰ দাম বঢ়াই ধনী মানুহক সহায় কৰিব। পিছত আকৌ শুধৰাই কয় ধনী মানুহে ব্যৱহাৰ কৰা সামগ্ৰীৰ দাম বঢ়াই দুখীয়া মানুহক সহায় কৰিব। এয়ালৈ সমষ্টিটোত ব্যাপক চৰ্চা আৰম্ভ হৈছে। দুখীয়া সকলক হাৰাহাস্থি কৰা কংগ্ৰেছৰ চৰিত্ৰ বুলি চৰ্চা চলিছে। বিজেপি প্ৰাৰ্থী অনিল শইকীয়াই আজি প্ৰতিকূল বতৰত নেওচি কিন কিনীয়া বৰষুণৰ মাজতো চলাই গৈছে নিৰ্বাচনী প্ৰচাৰ। বিজেপি প্ৰাৰ্থী অনিল শইকীয়াই হাতীপুখুৰীৰ সভাত বৰষুণত ছাঁতি লৈ ৰাইজে শুনিলে ভাষণ। নৱ গঠিত চামগুৰি সমষ্টিৰ হাতীপুখুৰী গাঁৱৰ বৰতলত বিজেপিৰ সভাখনত উন্নয়নৰ স্বাৰ্থত বিজেপিক ভোট দিবলৈ আহ্বান জনাই অনিল শইকীয়াই। আনফালে পুত্ৰক উদ্ধাৰৰ বাবে সাংসদ ৰকিবুল হুছেইনে চামগুৰিত প্ৰচাৰ চলাই সাংবাদিকৰ আগত মন্তব্য কৰি কয় ৰকিবুল হুছেইনৰ লগত পৰাজয় হৈছিল অনিল শইকীয়া এইবাৰ তেওঁৰ পুত্ৰ তাঞ্জিল হুছেইনৰ লগত পৰাজয় কৰি বেহাৰবাৰী আউট পোষ্টৰ মোহনৰ লগত অভিনয় কৰিব লাগিব বুলি ৰকিবুল হুছেইনে মন্তব্য কৰে। ৰকিবুল হুছেইনক গৰ্বৰ সিংৰ লগত তুলনা কৰি অনিল শইকীয়াই কয় মোহনৰ চৰিত্ৰই মানুহক হুহুৱাই আনন্দ দিয়ে আৰু গব্বৰ সিঙে মানুহক শাসন শোষণ কৰি কন্দুৱাই। গতিকে ৰাইজে চিন্তা কৰিব কোনজন ভাল গব্বৰ সিং ভাল নে মোহন ভাল।

# লখিমী আলিত ত্ৰয়োদশ বাৰ্ষিক ৰঙালী বিহু উদযাপন

**অসম বাৰ্তা, নামতি, ২৯ মাৰ্চ ঃ** বাপুতিসাহোন ৰঙালী বিহুক আদৰিবলৈ সাজু হৈ উঠিছে সমগ্ৰ ৰাজ্যবাসীৰ লগতে নাজিৰাৰ লখিমী আলিৰ ৰাইজ। বিগত বৰ্ষৰ দৰে এইবাৰো নাজিৰা লখিমী আলি যুৱ সমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ৫ ব'হাগ (১৯ এপ্ৰিল)২০২৬ দেওবাৰে ত্ৰয়োদশ বাৰ্ষিক ৰঙালী বিহু নাজিৰা লখিমী আলিৰ শিক্ষক ভৱনৰ সমীপত আয়োজন কৰিছে। এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা ৰঙালী বিহু সন্মিলনত কেবাটাও শিতানত মৌ-কুৰৱী, চিত্ৰাংকন, কবিতা আবৃত্তি, যোজনা একক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লগতে আমন্ত্ৰিত কৰা অসমৰ আগশাৰীৰ হুঁচৰি, জেং বিহু আৰু বাৰেৰহণীয়া সাংস্কৃতিক নৃত্য প্ৰদৰ্শন অনুষ্ঠিত হ'ব। সন্ধিয়ালৈ সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ উদীয়মান কণ্ঠশিল্পী বিহুৰাণী সন্মানপ্ৰাপ্ত প্ৰীতিৰাণী বৰগোহাঁই। সমূহ নাজিৰাবাসী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি বিজিত ফুকন আৰু সম্পাদক গুণঞ্জণ বিকাশ গগৈ আৰু দুলাল গগৈৰ লগতে বিষয়ববীয়া সকলে।

## নাটক, সমদল, চিত্ৰাংকণ, ৰীল, শুভংকৰ জৰিয়তে ৰাইজৰ কাষ চপাৰ প্ৰয়াস

# ভোটদানৰ সজাগতাৰ বাবে নগাঁও প্ৰশাসনৰ ব্যাপক কাৰ্যসূচী



**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলাৰ ভোটাৰৰ মাজতজন সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলা প্ৰশাসনে ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত বাটৰ নাট প্ৰদৰ্শন, ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ, ৰচনা আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন, মহিলাসকলৰ মাজত আল্পনা অকাঁ, মটৰ চাইকেল আৰু চাইকেল সমদলৰ আয়োজন, ৰীল প্ৰস্তুতি আদি অন্যতম। নগাঁৱৰ ইউ টাৰ্ণ নামৰ এটি স্বেচ্ছাসেৱী সংস্থাৰ দ্বাৰা পৰিবেশিত 'জাগো ভোটাৰ জাগো' শীৰ্ষক এখন বাটৰ নাট কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখতো প্ৰদৰ্শন কৰা হয়। এই প্ৰদৰ্শনী উদ্বোধন কৰি জিলা আয়ুক্ত দেৱাশিস শৰ্মাই কয় যে, "নাটক হৈছে সমাজ পৰিবৰ্তনৰ এক শক্তিশালী মাধ্যম আৰু সেই নাটৰ জৰিয়তেই জনমানসত সজাগতাৰ প্ৰবল জোৱাৰ তুলিব পাৰি। আমাৰ এই অভিযানৰ মূল লক্ষ্য হৈছে যাতে সকলো ভোটাৰে কোনো ভয়-শংকা বা প্ৰভাৱৰ দ্বাৰা প্ৰৰোচিত নহৈ মুক্ত মনেৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে।" জিলা প্ৰশাসন আৰু জিলা ভোটাৰ শিক্ষা তথা সজাগতা কোষ (ছুইপ) এক উদ্যোগত নৱাগত ভোটাৰৰ লগতে জিলাখনৰ প্ৰতিগৰাকী সচেতন নাগৰিকৰ মাজত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ গুৰুত্ব প্ৰতিফলিত কৰিবলৈ এই বাটৰ নাট প্ৰদৰ্শন কৰা হয়। নাটকখনৰ জৰিয়তে গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱত এজন ভোটাৰৰ একোটা ভোটৰ মূল্য কিমান আৰু ই দেশৰ ভৱিষ্যত গঢ়াত কেনেকৈ সহায় কৰে, সেই সন্দৰ্ভত এক বলিষ্ঠ বাৰ্তা প্ৰেৰণ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ সজাগতামূলক অনুষ্ঠানত উপস্থিত থাকে জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰীও উপস্থিত থাকে। নাটখন নগাঁও চহৰৰ বিভিন্ন প্ৰান্তত প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ উপৰিও অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ জৰিয়তেও প্ৰতিটো অঞ্চলতে এনে ধৰণৰ নাটকৰ জৰিয়তে ভোটাৰ সজাগতা সৃষ্টিৰ প্ৰচেষ্টা চলোৱা বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। একেই উদ্দেশ্যে জিলা প্ৰশাসনৰ উদ্যোগত ৰামানুজন চিনিয়ৰ চেকেণ্ডৰী স্কুলত এক চিত্ৰ অংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নিৰ্বাচনত জনসাধাৰণক নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ উৎসাহিত কৰাৰ মানসেৰে অনুষ্ঠিত এই কাৰ্যসূচীত বিদ্যালয়খনৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাগ লৈ নিজৰ সৃজনীশীল প্ৰতিভাৰ পৰিচয় দিয়ে। ইফালে, সামাজিক মাধ্যমৰ বৰ্দ্ধিত জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি ভোটাৰ সজাগতাৰ বাবে ৰীল প্ৰস্তুতিৰ বাবেও সামাজিক মাধ্যমৰ সৈতে বিশেষভাৱে জড়িত ব্যক্তিসকলৰ প্ৰতি আহ্বান জনোৱা হৈছে। তদুপৰি কাজিৰঙাৰ গড়ৰ আৰ্হিত নীতিকন নামৰ শুভঙ্কৰ মুকলি কৰি ইয়াৰ সৈতে ছেলফি উঠিবলৈ ৰাইজক উৎসাহিত কৰা হৈছে। এনেদৰে বিভিন্ন কাৰ্যসূচীৰে ভোটাৰসকলৰ মাজত নগাঁও জিলা প্ৰশাসনে সজাগতা বৃদ্ধিৰ প্ৰয়াস চলোৱা দেখা গৈছে। উল্লেখযোগ্য যে, কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা এটি চাইকেল সমদল উলিওৱা হয় য'ত, আন্তৰাষ্ট্ৰীয় পেৰা-চাইকেলিষ্ট ৰাকেশ বণিক আৰু জিলা আয়ুক্ত দেৱাশিস শৰ্মাও অংশগ্ৰহণ কৰে। ভোটকেন্দ্ৰ সমূহক আকৰ্ষণীয় ৰূপত সজাই পৰাই তোলাৰ বাবে প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

# ডিব্ৰুগড়ত ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ৰক্তদান শিবিৰ সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ মাৰ্চ ঃ** ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড়ৰ উদ্যোগত মানৱসেৱাৰ মহান উদ্দেশ্য আগত ৰাখি আজি দুৰ্বাচুক ৰূপনগৰ চেতিয়া চুকৰ প্ৰগতি সংঘ প্ৰাঙ্গণত এখনি স্বেচ্ছাসেৱী ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে ৰেডক্ৰছ চ'ছাইটিৰ সম্পাদক অনুজ কুমাৰ বৰুৱাই উপস্থিত অতিথি আৰু অংশগ্ৰহণকাৰীসকলক অভিনন্দন জনায়। অনুষ্ঠানৰ তৰফৰ পৰা লগতে প্ৰগতি সংঘৰ পৰা এএমচিৰ ডাঃ জাহ্নৱী চেতিয়া আৰু ডাঃ জয়শ্ৰী বৰাক সম্বৰ্ধনা জ্ঞাপন কৰে। ৰেডক্ৰছ চ'ছাইটিৰ ডিব্ৰুগড় জিলা শাখাৰ অধ্যক্ষ ড০ পঙ্কজ কুমাৰ শ্ৰুতিকৰে প্ৰাৰম্ভিক ভাষণ দিয়ে। তেখেতে ৰক্তদানৰ গুৰুত্ব আৰু সমাজৰ বাবে ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে আলোকপাত কৰে। ডাঃ জাহ্নৱী চেতিয়াই ৰক্তদানৰ ওপৰত এক তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। তেখেতে ৰক্তদানৰ চিকিৎসা দিশ, সুৰক্ষা ব্যৱস্থা, ব্যক্তিগত আৰু সামাজিক উপকাৰিতাৰ বিষয়ে বৰ্ণনা কৰি 'তেজ দান মহান দান'ৰ প্ৰতি সকলোকে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। চ'ছাইটিৰ সদস্য কৃপাল কুমাৰ ফুকনে শিবিৰ উদ্বোধন কৰে। তেখেতে যুৱসমাজক মানৱসেৱা-মূলক কামত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। শিবিৰত ২৫জন পুৰুষে স্বেচ্ছাই ৰক্তদান কৰে। প্ৰতিগৰাকী স্বেচ্ছাসেৱী ৰক্তদাতাক অসম চিকিৎসা মহাবিদ্যালয়ৰ তৰফৰ পৰা একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। উপস্থিত সকলোৱে ৰক্তদানৰ প্ৰতি জনসচেতনতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটি সুকলমে পৰিচালনা কৰাৰ বাবে ৰেডক্ৰছ চ'ছইটিৰ সদস্য কৃপাল কুমাৰ ফুকন আৰু প্ৰগতি সংঘৰ সম্পাদক দিব্য জ্যোতি মহন্ত, উপদেষ্টা উপমা দুৱৰাক ৰেডক্ৰছ চ'ছইটিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হয়।

NAME CORRECTION

In my Bank passbook of Assam Gramin Vikash Bank Vide A/C No.: 7150026013913 of Lakhiganj Branch my name has been wrongly recorded as ANANJUM BIBI instead of ANJUMA BIBI. But my actual name is ANJUMA BIBI which is recorded in my all relevant papers and documents including in Aadhaar card vide no.- 8674 8811 4339, PAN Card vide no.- DMUPB1518M. Both ANANJUM BIBI and ANJUMA BIBI is the same name and i.e. myself. Applying for correction at the appropriate authority.

ANJUMA BIBI
W/O: Rahim Ali
Vill: Udmari pt 3,
P.O: Lakhiganj,
P.S: Bilasipara, Dist: Dhubri, Assam

AB-37/2026

## বানিয়াৰাপাৰাত চোৰৰ উপদ্ৰৱ

# দুটাকৈ বাসগৃহত চোৰৰ চাফাই অভিযান

**অসম বাৰ্তা, জনীয়া, ২৯ মাৰ্চ ঃ** বৰপেটা জিলাৰ বৰপেটা থানাৰ অন্তৰ্গত বানিয়াৰাপাৰাত চোৰৰ ছাফাই অভিযান। ঘৰত কোনো নথকাৰ সুযোগতে শনিবাৰে নিশা প্ৰয়াত হাশেম আলী আৰু ছাহজাহান আলীৰ ঘৰত চোৰে চলায় চাফাই অভিযান। হাশেম আলীৰ ঘৰৰ তিনিখনকৈ গডৰেজৰ তলা ভাঙি আনুমানিক পাঁচ হাজাৰ টকা নগদ ধন লৈ যায় চোৰে। ইপিনে একে নিশাই ছাহজাহান আলীৰ বাসগৃহতো চোৰে চলায় ছাফাই অভিযান। ঘৰত কোনো নথকাৰ সুযোগত এখন গডৰেজ আৰু দুখনকৈ টেবুলৰ তলা ভাঙিলণ্ড-ভণ্ড কৰি চোৰে চলায় ছাফাই অভিযান। ঘটনা সন্দৰ্ভত বৰপেটা থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী পৰিয়ালে। দীৰ্ঘদিনে বানিয়াৰাপাৰা আৰু গৰেমাৰী অঞ্চলত চোৰৰ উপদ্ৰৱে নিদ্ৰাহৰণ কৰিছে ৰাইজৰ। নিশা আৰক্ষীৰ পৰ্যাপ্ত পেট্ৰ'লিঙৰ অভাৱত ড্ৰাগছ আসক্ত যুৱকে এনে কাৰ্য সংগঠিত কৰিব পাৰিছে বুলি ধাৰণা কৰা হৈছে। আৰক্ষীৰ তদন্তত চোৰক কৰায়ত্ত কৰি শাস্তি দিয়াৰ লগতে উক্ত অঞ্চল সমূহত পৰ্যাপ্ত পেট্ৰলিংৰ ব্যাৱস্থা কৰি ভৱিষ্যতে যাতে কোনো ঘৰত চোৰে চুৰি কাৰ্য সংগঠিত কৰিব নোৱাৰে তাৰ বাবে বৰপেটা আৰক্ষীক অনুৰোধ জনাইছে ভুক্তভোগী পৰিয়ালৰ লগতে স্থানীয় ৰাইজে।

# ছমৰীয়াত AIUDFৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**অসম বাৰ্তা, গৰৈমাৰী, ২৯ মাৰ্চ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী আৰু ছমৰীয়া ব্লকৰ বিভিন্ন স্থানত আজি এ আই ইউ ডি এফৰ ১৩খন নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। জানিব পৰা মতে প্ৰতিকূল বতৰৰ মাজতে ২৭নং ছমৰীয়া বিধানসভা সমষ্টিৰ এ আই ইউ ডি এফ দলৰ মনোনীত প্ৰাৰ্থী ইমদাদহুছেইন আৰু দক্ষিণ কামৰূপ জিলা এ আই ইউ ডি এফৰ সভাপতি আছৰাফ উদ্দিন আহমেদ গৰৈমাৰী ব্লকৰ হাঁহচৰীৰ নিৰ্বাচনী মুখ্য কাৰ্যালয়, আচলপাৰা, টুকুৰাপাৰা, হাতীপাৰা, হাতীশলাৰ উপৰি ছমৰীয়া ব্লকৰ সোণতলী-চৌধুৰীপাম, ৰাঙাপানী, টুপামাৰী, কিছমত কাঠমী, বগুৰিগুৰী, বৰুৱা বালিঝাৰকে ধৰি ১৩খন নিৰ্বাচনী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰে। নিৰ্বাচনী কাৰ্যালয় মুকলিৰ পিছত সভাও অনুষ্ঠিত কৰে।

# তিনিচুকীয়া জিলাৰ বাহাদুৰ চাৰিআলিত এ.টি.এম চোৰক আটক

**অসম বাৰ্তা, মাকুম, ২৯ মাৰ্চ ঃ** আজি নিশা তিনিচুকীয়া জিলাৰ বাহাদুৰ চাৰিআলিস্থিত ভাৰতীয় ষ্টেট বেংকৰ এটা এ.টি.এমত প্ৰথমে এটা চোৰে মুখত ৰং সানি অভিনৱ কৌশলেৰে প্ৰৱেশ কৰি চুৰি কাৰ্যৰ চেষ্টা চলাই। চুৰিকাৰ্য চেষ্টা চলাই থকা সময়তে বৰডুবি আৰক্ষী থানাৰ আৰক্ষীৰ তহলদাৰী এটা দল উপস্থিত হোৱাত আন্ধাৰৰ সুযোগলৈ চোৰটোৱে উক্ত স্থানৰ পৰা পলাই যাবলৈ সক্ষম হয়। এ.টি.এমটোৰ পৰা আৰক্ষীৰ দলটো আঁতৰি যোৱাত পুনৰ চোৰটোৱে এ.টি.এমটোত প্ৰৱেশ কৰি এ.টি.এমটো লণ্ডভণ্ড কৰিথাকোঁতে আৰক্ষীৰ দলটো উপস্থিত হৈ চোৰটোক ধৰিবলৈ সক্ষম হয়। ধৃত চোৰটোৰ নাম বাহাদুৰ চাৰিআলিৰ বৰভেটা গাঁৱৰ গৌতম কুমাৰ (২৬)। আটকাধিন যুৱক জনৰ পৰা আৰক্ষীয়ে চুৰিকাৰ্যত ব্যৱহীত সামগ্ৰী জব্দ কৰে। ধৃত চোৰটোক আৰক্ষীয়ে জেৰা চলোৱাৰ অন্তত গোচৰ ৰুজু কৰি জেল সাজোঁতলৈ প্ৰেৰণ কৰে। আৰক্ষীৰ এনে তৎপৰতাৰ ফলতেই চোৰৰ লুটপাতৰ পৰা কথমপি ৰক্ষা পৰিল এ. টি.এমটো। আৰক্ষীৰ পদক্ষেপক বৰডুবি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সুৰজিৎ ৰাজকোঁৱৰ সহ আৰক্ষীৰ দলটোলৈ স্থানীয় ৰাইজে ধন্যবাদ জ্ঞাপন কৰে।

# হাজোত ক্ৰীড়া প্ৰভাকৰ মদন মোহন দাস অভিনন্দন গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, হাজো, ২৯ মাৰ্চ ঃ** হাজো প্ৰেছ ক্লাৱৰ উদ্যোগত আজি উন্মোচন কৰা হয় ক্ৰীড়া প্ৰভাকৰ মদন মোহন দাস অভিনন্দন গ্ৰন্থ। হাজোৰ সু-সন্তান, বিশিষ্ট ক্ৰীড়া সংগঠক, সমাজ সচেতক তথা ভলীবলৰ ৰাজ্যিক ৰেফাৰী মদন মোহন দাসৰ জীৱন বৃত্তান্তক সন্নিবিষ্ট কৰি হাজো প্ৰেছ ক্লাৱে যুগুত কৰি উলিওৱা ক্ৰীড়া প্ৰভাকৰ মদন মোহন দাস অভিনন্দন গ্ৰন্থখন আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে হাজো শুৱালকুছি বিধানসভা সমষ্টিৰ এন ডি এ সমৰ্থিত অগপ দলৰ প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসে। হাজোৰ জগাইটোলাৰ মদন মোহন দাসৰ "বৰদা-লক্ষ্মী ভৱন"ত




হাজো প্ৰেছ ক্লাৱৰ সভাপতি দিপক কুমাৰ দাসৰ সভাপতিত্বত আৰু সম্পাদক দিপাংকৰ মজুমদাৰে আঁতধৰা গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থ উন্মোচক প্ৰকাশ দাসে এগৰাকী ব্যক্তিক জীয়াই থকা অৱস্থাতে হাজো প্ৰেছ ক্লাৱে যি প্ৰচেষ্টা হাতত লৈছে সেয়া সঁচাকৈয়ে প্ৰশংসা কৰিবলগীয়া বিষয় বুলি ভাষণত উল্লেখ কৰি মদন মোহন দাসৰ দীৰ্ঘায়ু কামনা কৰে। ধ্ৰুৱজ্যোতি মালাকাৰ আৰু দিপাংকৰ মজুমদাৰে সম্পাদনা কৰা ক্ৰীড়া প্ৰভাকৰ মদনমোহন দাস অভিনন্দন গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অৱসৰী ৰাজ্যিক তথ্য আয়ুক্ত মোহন চন্দ্ৰ মালাকাৰ, ৰাজ্যিক ক্ৰীড়া পেঞ্চনাৰ বাসুদেৱ ঠাকুৰীয়া, গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যাপক ড° দীনেশ কাকতি, হাজো ৰাইজৰ সভাপতি নৃপেন দাসৰ লগতে ৰাকেশ প্ৰকাশ দাস, ভাস্কৰ বৰুৱাকে ধৰি কেইবাজনো ব্যক্তিয়ে গ্ৰন্থ প্ৰকাশক হাজো প্ৰেছ ক্লাৱৰ পদক্ষেপৰ শলাগ লোৱাৰ লগতে বিশিষ্ট ক্ৰীড়া সংগঠক তথা হাজো মহকুমা ক্ৰীড়া উন্নয়ন পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি মদন মোহন দাসৰ কৰ্ম জীৱনীৰ ওপৰত বক্তব্য ৰাখি সকলোৱে মদন মোহন দাসৰ আশীৰ্বাদ গ্ৰহণ কৰে। আজিৰ সভাৰ মধ্যমণি তথা ক্ৰীড়া প্ৰভাকৰ আশীৰ্দ্ধোৰ ক্ৰীড়া সংগঠক মদন মোহন দাসেও বক্তব্য প্ৰদান কৰে। এই সভাতেই মদন মোহন দাসৰ ভাতৃ তথা বিশিষ্ট ক্ৰীড়া সংগঠক বীৰেন্দ্ৰ কুমাৰ দাসে তেওঁলোকৰ পৰিয়ালৰ সদস্য সকলক চিনাকি কৰোৱাই দিয়াৰ উপৰিও তেওঁৰ ককায়েক মদন মোহন দাসৰ বৃহৎ পৰিয়ালটোৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত উপস্থিত ৰাইজক অৱগত কৰে। এই সভাতেই মদন মোহন দাসৰ সুযোগ্য সন্তান ধ্ৰুৱজ্যোতি দাসে হাজো মহকুমা ক্ৰীড়া উন্নয়ন পৰিষদলৈ দুটিকৈ খেলৰ ট্ৰফী আগবঢ়ায়।

# জাঁজী লেখিকা সংস্থাৰ উদ্যোগত জাঁজীত বসন্তৰ দুপৰীয়া শব্দৰ ধেমালি সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ২৯ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত জাঁজী লেখিকা সংস্থাৰ উদ্যোগত শিৱসাগৰ শাখা লেখিকা সংস্থাৰ সহযোগত লেখিকা সংস্থা, অসমৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে আজি বসন্তৰ দুপৰীয়া শব্দৰ ধেমালি শীৰ্ষক গীত-নৃত্য-কবিতাৰ বৰ্ণিল অনুষ্ঠানটো সম্পন্ন হয়। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাবে অংশ গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক দীপালী ভট্টাচাৰ্য বৰুৱাই কয় যে এজন কবি, এজন শিল্পী, এজন সাহিত্যিক হোৱাৰ আগতে আমি প্ৰথমে এজন ভাল নাগৰিক হ'ব লাগিব। দেশৰ প্ৰতি, সমাজৰ প্ৰতি শিল্পী, সাহিত্যিক, কবি সকলৰ দায়িত্ব আছে। তেওঁ আৰু কয় যে আৱেগ কবিতাৰ কাৰণে লাগে যদিও তাৰ লগত যুক্তিও লাগিব। যুক্তি আৰু আৱেগৰ মণিকাঞ্চন সংযোগ হ'লেহে এটা উৎকৃষ্ট কবিতা হয়। জাঁজী শাখা লেখিকা সংস্থাৰ সভাপতি মঞ্জুমালা শৰ্মা ভট্টাচাৰ্য আৰু সম্পাদক বিজু বৰঠাকুৰে আঁতধৰা সভাখন উদ্বাধন কৰে জাঁজী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা জাঁজী উঃমাঃ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা বৰুৱাই। সভাত লেখিকা সংস্থা, অসমৰ কাৰ্যকৰী সভাপতি কুসুম গগৈ বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি সংস্থাৰ লক্ষ্য, উদ্দেশ্য আৰু সাংগঠনিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতেই বীণা বৰুৱাৰ সম্পূৰ্ণ নীতি-নিয়ম আৰু বিয়ানামৰ সংকলন "উৰুলি" আৰু মঞ্জুমালা শৰ্মাৰ কবিতা পুথি "জোনাক চুমিব খোজা চৰাইজনী" গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে কুসুম গগৈ আৰু দীপালী ভট্টাচাৰ্য বৰুৱাই। সভাত বিশিষ্ট সাহিত্যিক তথা শিৱসাগৰ শাখা লেখিকা সংস্থাৰ সভাপতি দীপ্তিময়ী বুঢ়াগোহাঁই গগৈ, লেখিকা সংস্থা, অসমৰ সহকাৰী সম্পাদক অঞ্জনা গগৈ, উজনি অসমৰ সাংগঠনিক সম্পাদক মীৰা গগৈ, কেন্দ্ৰীয় সদস্যাদ্বয় তোষেশ্বৰী নেওগ ফুকন, পদ্মা লাহন চেতিয়া, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ, আমগুৰি জ্ঞান বিকাশ বিদ্যাপীঠৰ অধ্যক্ষ হিমাদ্ৰিজ্যোতি দত্ত, জাঁজী শাখা সাহিত্য সভাৰ সভাপতি প্ৰতাপ কুমাৰ বৰুৱা, জাঁজী প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্ত, সহকাৰী সম্পাদক প্ৰসেনজিৎ গগৈকে ধৰি একাধিক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত কৃষ্ণেন্দু দত্ত, সুস্মিতা শইকীয়া আৰু ববিতা ফুকনে জুবিন গাৰ্গৰ গীত পৰিৱেশন, প্ৰকাশ কাকতি, লুৎফা ৰহমান, ৰূপা শইকীয়া, অমৃত শইকীয়াকে ধৰি বহু কেইজন নবীন-প্ৰবীন কবিয়ে কবিতা পাঠ কৰি বসন্তৰ দুপৰীয়া শব্দৰ ধেমালি অনুষ্ঠানটো উপভোগ্য কৰি তোলে।

# গৰৈমাৰীৰ চাম্পুপাৰাত পথ পকীকৰণৰ দাবীত ৰাইজৰ প্ৰতিবাদ

**অসম বাৰ্তা, গৰৈমাৰী, ২৯ মাৰ্চ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত চাম্পুপাৰা গাঁৱত আজি ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্যযোগ্য যে গৰৈমাৰীৰ চাম্পুপাৰা বজাৰৰ পশ্চিম অংশৰ চাম্পুপাৰা গাঁৱৰ পকী পথৰ পৰা দক্ষিণৰ কলহী নৈৰ পাৰঘাটলৈ যোৱা পথটো এজাক বৰষুণতে কদৰ্য ৰূপ ধাৰণ কৰে। পথটো খৰালিকালত বালিময় আৰু বাৰিষাত বোকা-পানী গচকি ৰাইজ-শিক্ষাৰ্থীয়ে যাতায়াত অব্যাহত ৰাখিব লগীয়া হৈছে। আনহাতে গাঁৱৰ বাট-পথৰ বিকাশৰ লগে লগে দেশৰো বিকাশ বুলি কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে প্ৰকাশ কৰি আহিছে। তেনেক্ষেত্ৰত উক্ত পথটোৰ শোচনীয় অৱস্থাই সকলো শ্ৰেণীৰ ৰাইজক চিন্তিত কৰি তুলিছে। পথটো আজিকোপতি পকীকৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজে ক্ষুব্দ হৈ কেঁচা পথ পকীকৰণৰ দাবীত চাম্পুপাৰা গাঁৱত ৰাইজে আজি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বোকা-পানীত নামি বিধায়ক ৰেকিবুদ্দিন আহমেদ গ'বৈক, ৰাস্তা আমাক লাগিবই আদি শ্ল'গান দি পৰিৱেশ মুখৰিত কৰি তোলে।

## অসম দলে শ্ৰেষ্ঠ মহিলা দলৰ খিতাপ আৰু পুৰুষৰ দ্বিতীয় ৰাণাৰ্ছ আপ দলৰ খিতাপ অৰ্জন

# খেল' ইণ্ডিয়া জনজাতি ক্ৰীড়া-২০২৬ত অসম দলৰ বিশেষ সাফল্য অৰ্জন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৯ মাৰ্চ ঃ** ছত্তিশগড়ৰ ৰাইপুৰত অনুষ্ঠিত খেল' ইণ্ডিয়া জনজাতি ক্ৰীড়া ২০২৬ত অসম দলৰ বিশেষ সাফল্য। প্ৰশিক্ষক শান্তনু গগৈৰ নেতৃত্বত ছত্তিশগড়লৈ মুঠ ২৮জনীয়া এটি দল ৰাওনা হৈছিল। ২৫ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ অনুষ্ঠিত এই প্ৰতিযোগিতাত অসম দলৰ মহিলাৰ ৪৮কেজি শাখাত ধেমাজিৰ মনিষা সোণোৱালে সোণৰ পদক, ৬৩ কেজি শাখাত গোলাঘাট সৰুপথাৰৰ দোনখাম ছেং তুৰুঙে ব্ৰঞ্জৰ পদক, ৬৯কেজি শাখাত ধেমাজিৰ দিম্পী সোণোৱালে সোণৰ পদক আৰু ৬৯ কেজি শাখাত গোলাঘাট সৰুপথাৰৰ পল্লৱী পায়েঙে ৰূপৰ পদক, ৭৭ কেজি শাখাত ধেমাজিৰ জয়শ্ৰী পাটিৰে ব্ৰঞ্জৰ পদক, ৮৬ কেজি শাখাত ডিব্ৰুগড়ৰ বিতুপনা দেউৰীয়ে ব্ৰঞ্জৰ পদক আৰু ৮৬কেজি উৰ্দ্ধৰ শাখাত শোণিতপুৰৰ পিংকী বড়োৱে ৰূপৰ পদক অৰ্জন কৰে। ঠিক সেইদৰে পুৰুষৰ ৬৫কেজি শাখাত ডিব্ৰুগড়ৰ মনোৰঞ্জন ঢেকিয়ালে সোণৰ পদক আৰু ১১০ কেজি উৰ্দ্ধৰ শাখাত গোলাঘাট সৰুপথাৰৰ মানস প্ৰতীম সোণোৱালে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। এই সমূহৰ উপৰিও অসমৰ মহিলা দলে মহিলা শ্ৰেষ্ঠ দল আৰু পুৰুষ দলে দ্বিতীয় ৰানাৰ্ছ আপ দলৰ খিতাপ অৰ্জন কৰি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমৰ নাম উজ্জ্বলাবলৈ সক্ষম হয়। বিশেষভাৱে সফলতা অৰ্জন কৰা খেলুৱৈ সকলৰ লগতে অসম দলৰ প্ৰশিক্ষক, পৰিচালক আৰু কৰ্ম্মকৰ্তাকে ধৰি সকলো খেলুৱৈকে গোলাঘাট জিলা ভাৰোত্তোলন সন্থা আৰু ধনশিৰি জিলা ভাৰত্তোলন সন্থাই অভিনন্দন জনাইছে।

# এইম কিডছ একাডেমিকে ধৰি ১৩খন ডাইছ নথকা বিদ্যালয়লৈ শিক্ষা বিভাগৰ পত্ৰ

## সৃজনগ্ৰাম শিক্ষাখণ্ডত ডাইছ কোডবিহীন বিদ্যালয়সমূহে ঠেলি দিছে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অনিশ্চয়তাৰ মুখলৈ

**অসম বাৰ্তা, অভয়াপুৰী, ২৯ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত একাংশ ব্যক্তিগত বিদ্যালয়ত ডাইছ কোড নথকাৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ পাছতে অভিভাৱক, শিক্ষাবিদ আৰু সচেতন মহলৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি হৈছে। অভিযোগ অনুসাৰে, এই বিদ্যালয়সমূহে চৰকাৰী নিয়ম-নীতি অমান্য কৰি কোডবিহীন অৱস্থাতেই পাঠদান কাৰ্য অব্যাহত ৰাখি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎক লৈ এক প্ৰকাৰৰ হেতালি খেলা দেখা গৈছে। শিক্ষা ব্যৱস্থাৰ গুণগত মান বজাই ৰখা আৰু বিদ্যালয়সমূহক এক কেন্দ্ৰীয় তথ্যভাণ্ডাৰৰ অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে ডাইছ কোড বাধ্যতামূলক কৰা হৈছে। এই কোডৰ জৰিয়তে বিদ্যালয়সমূহৰ মৌলিক তথ্য, ছাত্ৰ-ছাত্ৰীৰ পৰিসংখ্যা, শিক্ষক-কৰ্মচাৰী, পৰিকাঠামো আদি বিষয়সমূহ সঠিকভাৱে সংৰক্ষণ কৰা হয়। ৰাজ্যৰ সকলো চৰকাৰী বিদ্যালয়ে ইতিমধ্যে এই ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'লেও, সৃজনগ্ৰাম শিক্ষাখণ্ডৰ বহুতো ব্যক্তিগত খণ্ডৰ বিদ্যালয় এতিয়াও ইয়াৰ বাহিৰত থকাৰ অভিযোগে বিষয়টোক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। শৈক্ষিক সমাজে প্ৰকাশ কৰা মতে, ডাইছ কোডবিহীন বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীয়ে আগন্তুক সময়ত চৰকাৰী বৃত্তি, বিভিন্ন শৈক্ষিক সহায় তথা আনুষ্ঠানিক নথি পত্ৰ লাভ কৰাৰ ক্ষেত্ৰত জটিলতাৰ সন্মুখীন হ'ব। ফলস্বৰূপে, এই শিক্ষাৰ্থীসকলৰ শিক্ষা জীৱন অনিশ্চয়তাৰ দিশে আগবাঢ়ি যোৱাৰ আশংকা বৃদ্ধি পাব। উল্লেখযোগ্য যে, কিছু মাহ পূৰ্বে অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্পষ্টভাৱে ঘোষণা কৰিছিল যে যিসকল বিদ্যালয়ত ডাইছ কোড নাই, সেই বিদ্যালয়সমূহে চৰকাৰী নিৰ্ধাৰিত সকলো নীতি-নিয়ম পূৰণ কৰি শীঘ্ৰে এই কোড বনাব লাগিব। তথাপিও, সৃজনগ্ৰাম শিক্ষাখণ্ডৰ বহু বিদ্যালয়ত এই নিৰ্দেশনাৰ যথাযথ কাৰ্যকৰিতা দেখা নোযোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি অভয়াপুৰীৰ এইম কিডছ একাডেমী, নৰ্থ ইষ্ট ভিজন ইণ্টাৰনেশ্যনেল স্কুল, ফাণষ্টন, কিডজী, বৰিগাঁৱৰ গ্লোবেল একাডেমী, আমগুৰি লতিবাৰীৰ এইমছ একাডেমী, খোৰাগাঁৱৰ শংকৰ আজান জাতীয় বিদ্যালয়, কাকৈজানাৰ চিলাৰায় বিদ্যা নিকেতন, শ্ৰীশ্ৰী শংকৰদেৱ মণ্ডল সমল কেন্দ্ৰৰ গ্ৰীন ডেল একাডেমী, গোলাপাৰাৰ উইজডম একাডেমী, গ্ৰীন ভেলী একাডেমী, লেংটিছিঙাৰ শ্বেইখ আহমেদ আলী মাদ্ৰাছাতুল বানাত, হৰিৰচৰৰ আইশা ছিদ্দিকা মাদ্ৰাছাতুল বানাতৰ নাই কোনো ডাইছ কোড। ইয়াৰ উপৰিও, কিছুমান বিদ্যালয়ে অইন ডাইছ কোড থকা বিদ্যালয়ৰ কোড ব্যৱহাৰ কৰি নিজকে সেই বিদ্যালয়ৰ শাখা বুলি প্ৰতিপন্ন কৰাৰ জৰিয়তে অভিভাৱকসকলক বিভ্ৰান্ত কৰাৰ অভিযোগো উত্থাপন হৈছে। এই ধৰণৰ কাৰ্যকলাপে শিক্ষা ব্যৱস্থাৰ স্বচ্ছতা, বিশ্বাসযোগ্যতা আৰু দায়বদ্ধতাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। স্থানীয় অভিভাৱক আৰু সমাজকৰ্মীসকলে ইতিমধ্যে সংশ্লিষ্ট শিক্ষা বিভাগৰ দৃষ্টি আকৰ্ষণ কৰি এই বিষয়ত তৎকালীন আৰু কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। তেওঁলোকৰ মতে, শিশুসকলৰ উজ্জ্বল ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ এনে অনিয়মৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা অতি প্ৰয়োজনীয়। ইতিমধ্যে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই ডাইছ কোডবিহীন বিদ্যালয়সমূহক শীঘ্ৰে প্ৰয়োজনীয় সকলো তথ্য জমা দিবলৈ নিৰ্দেশ প্ৰদান কৰিছে। এতিয়া লক্ষ্য কৰিবলগীয়া বিষয় হ'ব- এই নিৰ্দেশনা কেৱল কাগজতে সীমাবদ্ধ থাকিব নে সঁচাকৈয়ে শিক্ষা বিভাগে ডাইছ নথকা বিদ্যালয় সমূহৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিব।

## বিশিষ্ট আবৃত্তিকাৰ সদানন্দ ডেকা-শৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱাক সম্বৰ্ধনা

# চপাইত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মঙলদৈ, ২৯ মাৰ্চ ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দৰং জিলা সমিতিৰ উদ্যোগত আৰু মঙলদৈ শাখা সমিতিৰ সহযোগত চপাই যুৱ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আজি পৰিষদৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ১০.৩০ বজাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দৰং জিলা সমিতিৰ কাৰ্যকৰী সভাপতি পৰেশ কুমাৰ শৰ্মা আৰু মঙলদৈ শাখা সমিতিৰ উপসভাপতি কৃষ্ণেন্দু ডেকাই পতাকা উত্তোলন, নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক, বিশিষ্ট সাহিত্যিক ড° বিজয় কুমাৰ শৰ্মাই স্মৃতি তৰ্পণ কৰে। ইয়াৰ পিছতে বিশিষ্ট আবৃত্তিকাৰ কৃষ্ণেন্দু ডেকাই উদ্বোধন কৰা বহু ভাষিক কবিতা আবৃত্তি প্ৰতিযোগিতাৰ 'ক' শাখাত চাৰ্লিন শিৱমে প্ৰথম, প্ৰিয়ান শিৱমে দ্বিতীয়, প্ৰজ্ঞান প্ৰণৱ আৰু বৰ্ণিল দেৱ শৰ্মাই তৃতীয় স্থান, দেৱী দিগংগনা শৰ্মা আৰু ধ্যান প্ৰজ্ঞ চৌধুৰীয়ে উদগণিমূলক বঁটা, 'খ' শাখাত আদ্ৰি তনয়া কাশ্যপে প্ৰথম, কৃতাঞ্জলি ডেকা আৰু হিমাশ্ৰী দেৱীয়ে দ্বিতীয়, ৰিয়া চৌধুৰীয়ে তৃতীয় স্থান লাভ কৰে। এই প্ৰতিযোগিতাৰ বিচাৰকৰ আসন শুৱনি কৰে মঙলদৈ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ প্ৰণামিকা শৰ্মা আৰু অধিবক্তা কৰবীজ্যোতি শইকীয়াই। দিনৰ ১২ বজাত জ্যেষ্ঠ আবৃত্তিকাৰৰ আবৃত্তি অনুষ্ঠান সঞ্চালনা কৰে মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° লীনা শইকীয়াই। এই অনুষ্ঠানত ৯৩ বছৰ বয়সীয়া বিশিষ্ট জাতীয়তাবাদী নেতা ৰামেশ্বৰ শৰ্মাই কবিতা আবৃত্তি কৰি সকলোকে মুগ্ধ কৰে। ইয়াৰোপৰি দৰং জিলা মহিলা সমিতিৰ সম্পাদক মিৰণ দেৱী, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়া, অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী ইবিনাথ ৰাভা, ডাঃ জয়ন্ত কুমাৰ নাথ, আৰাধনা শৰ্মা, সংগীতা বসুমতাৰী, ভবিতা ডেকা, কৃষ্ণেন্দু ডেকা, চন্দনা ভাৰতী আদিয়ে কবিতা আবৃত্তি কৰে। দিনৰ ১



বজাত সম্পাদক প্ৰফুল্ল দেৱ শৰ্মাই আঁত ধৰা সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট আবৃত্তিকাৰ তথা দৰং জিলা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি সদানন্দ ডেকা আৰু জ্যেষ্ঠ অধিবক্তা তথা বিশিষ্ট আবৃত্তিকাৰ শৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি অধিবক্তা শৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱাই নৱপ্ৰজন্মৰ আবৃত্তিকাৰ সকলক শব্দ উচ্চাৰণ, কথন ভংগীত গুৰুত্ব দিবলৈ আহ্বান জনায়। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দৰং জিলা সমিতিৰ কাৰ্যকৰী সভাপতি পৰেশ কুমাৰ শৰ্মা, কোষাধ্যক্ষ জগদীশ ভট্টাচাৰ্য, দৰং জিলা মহিলা সমিতিৰ উপদেষ্টা পাৰুল দেৱী, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি সূৰ্য্য শৰ্মা, চপাই সাহিত্য সভাৰ সভাপতি নৱকুমাৰ শৰ্মা, প্ৰাক্তন সম্পাদক লক্ষ্মী ডেকা, সমাজসেৱক শীৰ্ষজ্যোতি পৰাশৰ, উপেন চন্দ্ৰ ডেকাকে ধৰি শতাধিক লোক উপস্থিত থকা এই অনুষ্ঠানত কৰুণাধাৰা ন্যাসৰ তৰফৰ পৰা জটিল ৰোগত আক্ৰান্ত কানুৰাম ডেকাক ১৫ হাজাৰ টকাৰ চেক কৰুণাধাৰা দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব গণেশ দত্তই প্ৰদান কৰে।

# এখুদ ককাইদেউ নৱকান্ত বৰুৱাৰ 'হে অৰণ্য হে মহানগৰ' সংকলনৰ ৭৫ সংখ্যক বৰ্ষ উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ মাৰ্চ ঃ** ১৯৫১ চনত প্ৰথম প্ৰকাশ পোৱা এখুদ ককাইদেউ কবি নৱকান্তবৰুৱাৰ যোলটা কবিতাৰ ৩২ পৃষ্ঠাৰ যুগান্তৰকাৰী সংকলন 'হে অৰণ্য হে মহানগৰ'ৰ ৭৫ বৰ্ষ হোৱা উপলক্ষে বক্তৃতা আৰু কবিতা পাঠৰ এটি মনোগ্ৰাহী 'অনলাইন অনুষ্ঠান' অনুষ্ঠিত হয়। কবিতা অধ্যয়ন গোট আৰু 'প'য়েট্ৰী উইডাউট ফীয়েৰ'এ আয়োজন কৰা অনুষ্ঠানটিত সমালোচক আৰু সাংবাদিক মুনীন বায়নে 'আধুনিকতাবাদী নৱকান্ত ঃ হে অৰণ্য হে মহানগৰ' শীৰ্ষক এটি মননশীল বক্তৃতা প্ৰদান কৰে। নিজৰ বক্তৃতাটিত বায়নে সংকলনটিক আধুনিক অসমীয়া কবিতাৰ ইতিহাসত লেণ্ডমাৰ্ক সংকলন বুলি অভিহিত কৰে। তেওঁ নৱকান্তবৰুৱাৰ কবিতাৰ আধুনিকতাৰ পটভূমি আৰু বৈশিষ্ট্যৰ বিষয়ে সাৰগৰ্ভ বিশ্লেষণ দাঙি ধৰে। মূল বক্তৃতাটিৰ আৰম্ভণিতে কবি নৱকান্ত বৰুৱাৰ জীয়ৰী উপলা বৰুৱাই তেওঁৰ পিতৃৰ কবি ব্যক্তিত্বৰ বিষয়ে মনোগ্ৰাহীকৈ আলোকপাত কৰে। কবি, সমালোচক প্ৰকল্প ৰঞ্জন ভাগৱতীয়ে আঁত ধৰা অনুষ্ঠানটিত ক্ৰমে ৰাজীৱ বৰুৱা, ডাঃ প্ৰণয় ফুকন, দেৱেন চাপকোটা, কুশল দত্ত, মৃদুল কুমাৰ গগৈ, ৰাস্না হিলৈদাৰী, নীলম গগৈ, কৌশিক ব্যাস, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, নয়নজ্যোতি হাজৰিকা, সত্যজিৎ গগৈ আৰু কল্যাণ ভূঞাই 'হে অৰণ্য হে মহানগৰ' সংকলনৰপৰা একোটাকৈ কবিতা পাঠ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানত বিশিষ্ট কবি, সমালোচক এম কামালুদ্দিন আহমেদেও নৱকান্ত বৰুৱাৰ প্ৰখ্যাত সংকলনটিৰ বিষয়ে চমুকৈ আলোকপাত কৰে। কবি, অনুবাদক কল্যাণ ভূঞাই আদৰণি বক্তব্য আগবঢ়োৱা অনুষ্ঠানটিত সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকা, সাহিত্যাচাৰ্য ড° আনন্দ বৰমুদৈ, কৃষ্ণ দুলাল বৰুৱা, প্ৰয়াগ শইকীয়া, বীৰেন গগৈ, শ্বৰীফা খাতুন চৌধুৰী, যোগেন্দ্ৰনাথ শৰ্মা, ফৰিদা আহমেদকে ধৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিহুনাচ আৰু ঢোল বাদন কৰ্মশালাৰ সামৰণি অনুষ্ঠান



**অসম বাৰ্তা, ছৈখোৱা, ২৯ মাৰ্চ ঃ** সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাই আয়োজন কৰা বিহুনাচ আৰু ঢোলবাদন কৰ্মশালাৰ সামৰণি পৰে। কৰ্মশালাখনৰ লগত সংগতি ৰাখি এখনি মুকলি সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওঁগ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন উপদেষ্টা দীক্ষিত বেজবৰুৱা, জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হেমচন্দ্ৰ চেলেং, পাপু মৰাণ, সাংগঠনিক সম্পাদক সুৰেশ বৰগোহাঁই, মনোজ মৰাণ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি সুৰজিত শইকীয়া উপস্থিত থাকে। সভাতেই মুখ্য প্ৰশিক্ষক প্ৰীতিৰাণী বৰগোহাঁই, ৰিপুল সোণোৱাল, নবীন কছাৰী, উমেশ শইকীয়া আৰু দেৱজিত গগৈক মানপত্ৰ, গামোচা আৰু চেলেংৰে সম্বৰ্ধনা জনায়। ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰা সম্পাদক অভিনন্দন কলিতাই কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

# কামৰূপ জিলাত ইভিএম আৰু ভিভিপেটৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ডমাইজেচন সম্পন্ন

**অসম বাৰ্তা, কমলপুৰ, ২৯ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০২৬ৰ পৰিপ্ৰেক্ষিতত আজি কামৰূপ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ইলেক্ট্ৰনিক ভোটিং মেচিন (EVM) আৰু আৰু ভি ভি পেট (VVPAT) ইউনিটসমূহৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ডমাইজেচন প্ৰক্ৰিয়া সফলতাৰে সম্পন্ন কৰা হয়। উক্ত ৰেণ্ডমাইজেচন প্ৰক্ৰিয়াটো EMS 2.0 ব্যৱস্থাৰ জৰিয়তে সম্পূৰ্ণ স্বচ্ছ আৰু বৈজ্ঞানিক পদ্ধতিৰে সম্পন্ন কৰা হয়, যাৰ জৰিয়তে বিধানসভা সমষ্টি আৰু ভোটগ্ৰহণ কেন্দ্ৰসমূহত EVM আৰু VVPAT ইউনিটসমূহৰ ন্যায়সংগত আৰু এলোমেলীয়া বণ্টন নিশ্চিত কৰা হয়। এই প্ৰক্ৰিয়াত স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকি সমগ্ৰ প্ৰক্ৰিয়াটো পৰ্যবেক্ষণ কৰে, যাৰ ফলত স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰা হয়। এই ৰেণ্ডমাইজেচন প্ৰক্ৰিয়াটো ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্ত কৰা সাধাৰণ পৰ্যবেক্ষকদ্বয় ড° এছ. ভাৰথি দাচন আৰু দেৱেন্দ্ৰ কুমাৰ পাণ্ডেৰ তত্বাৱধানত সম্পন্ন কৰা হয়। এই ৰেণ্ডমাইজেচন প্ৰক্ৰিয়াত কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰৰ লগতে জিলাখনৰ ছয়টা বিধানসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়াসকল উপস্থিত থাকে। সভাত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সমগ্ৰ প্ৰক্ৰিয়াটো পৰ্যবেক্ষণ কৰে। এই প্ৰক্ৰিয়া ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা সকলো নীতি-নিৰ্দেশনা কঠোৰভাৱে মানি সম্পন্ন কৰা হয়।

## সম্পাদকীয়

# ব্যতিক্ৰমী সাংসদৰ সাংসদত ব্যতিক্ৰমী প্ৰশ্ন

**ৰা**জনীতিত বৰ্তমান ব্যক্তিত্বৰ পৰিৱৰ্তে দলীয় শৃংখলাই বেছি গুৰুত্ব পাইছে। কিন্তু ইয়াৰ মাজতো কিছুমান ব্যতিক্ৰমী ব্যক্তিয়ে নিজৰ প্ৰতিভা আৰু স্পষ্টবাদী মনোভাৱেৰে সোনকালেই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। শেহতীয়াকৈ ৰাজ্যসভাৰ সাংসদ ৰাঘৱ চদ্ধাই সংসদত উত্থাপন কৰা প্ৰশ্নবোৰে ঠিক তেনেকুৱাই এক চৰ্চাৰ সৃষ্টি কৰিছে। সাধাৰণ নেতাই হয়তো কেতিয়াও নুকোৱা কিছুমান দৈনন্দিন সমস্যাৰ লগতে ৰাজনৈতিক ব্যৱস্থাৰ গাঁথনিগত প্ৰশ্ন তুলি তেওঁ এগৰাকী অসমৰ ব্যতিক্ৰমী সাংসদ হিচাপে পৰিচয় দাঙি ধৰিছে।

সাংসদ গৰাকীয়ে শেহতীয়াকৈ সংসদত উত্থাপন কৰা প্ৰশ্নটো অতি মৌলিক—'ৰাজনীতি সেৱা নে চাকৰি?' যদি ই এক পবিত্ৰ সেৱা, তেন্তে ইয়াৰ বিনিময়ত দৰমহা আৰু পেঞ্চন কিয়? আনহাতে, যদি ই এক চাকৰি, তেন্তে ইয়াৰ বাবে নিৰ্দিষ্ট শিক্ষাগত অৰ্হতা কিয় নাই? এই প্ৰশ্নই ৰাজনৈতিক মহলত যিমান তৰংগৰ সৃষ্টি কৰিছে, সাধাৰণ ৰাইজৰ মনত সিমানেই এক খলকনিৰ সৃষ্টি কৰিছে। ৰাইজে ভাবিবলৈ বাধ্য হৈছে যে প্ৰায়ে আমাৰ মনত উদয় হোৱা এই প্ৰশ্নবোৰক ইমান ডাঙৰ মঞ্চত লৈ অহাৰ সাহস সাংসদগৰাকীয়ে দেখুৱালে।

এই প্ৰশ্নই আচলতে আমাৰ গণতান্ত্ৰিক ব্যৱস্থাৰ ভেটিৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ সত্যক স্পৰ্শ কৰিছে। যেতিয়া এজন নিৰ্বাচিত প্ৰতিনিধিয়ে নিজকে 'জনসেৱক' বুলি দাবী কৰে, কিন্তু ব্যৱহাৰিক জীৱনত তেওঁ এক 'চাকৰিয়াল'ৰ দৰে সুবিধা আৰু নিৰাপত্তা ভোগ কৰে, তেতিয়া এই দ্বৈত চৰিত্ৰই এটা বিভ্ৰান্তিৰ সৃষ্টি কৰে। ৰাইজৰ মনত প্ৰশ্ন জাগে, "আমি যি ভোট দিওঁ, সেই ব্যক্তিজনে আমাৰ বাবে কাম কৰিব নে কেৱল নিজৰ ভৱিষ্যৎ নিৰাপত্তাৰ বাবে ৰাজনীতি কৰি আছে?"

ৰাঘৱ চদ্ধাই কেৱল গাঁথনিগত প্ৰশ্নতে সীমাবদ্ধ নাথাকি জনসাধাৰণৰ দৈনন্দিন জীৱনৰ সমস্যাসমূহো সংসদত উত্থাপন কৰিছে। চলিত সপ্তাহতে তেওঁ মোবাইল ৰিচাৰ্জৰ বিষয়ে উত্থাপন কৰা প্ৰশ্নটোৱে যথেষ্ট চৰ্চা লাভ কৰিছে। ২৮ দিনৰ ৰিচাৰ্জ পেকৰ বাবে গ্ৰাহকে বছৰত প্ৰায় ১৩ বাৰ ৰিচাৰ্জ কৰিবলগীয়া হয় বুলি উল্লেখ কৰি তেওঁ এইটো গ্ৰাহকৰ প্ৰতি অন্যায় বুলি অভিযোগ উত্থাপন কৰে। ব্যৱহাৰ নোহোৱা বা বৈ যোৱা ডাটা আগন্তুক দিন বা মাহলৈ কঢ়িয়াই নিয়া (Rollover) ব্যৱস্থা কৰাৰ দাবীও তেওঁ সংসদত উত্থাপন কৰে।

এই বিষয়বোৰ অতি সৰু আৰু দৈনন্দিন যেন লাগিলেও, ইয়াৰ প্ৰভাৱ বিপুল। এজন মধ্যবিত্ত গ্ৰাহকৰ মনত প্ৰশ্ন হয় যে তেওঁ যি টকা দি ডাটা কিনে, সেয়া যদি সময়ৰ ভিতৰত শেষ নহয়, তেন্তে সেই টকা কিয় জব্দ কৰি ৰখা হয়? বহুতে ভাবে যে এইটো এক প্ৰকাৰৰ অনৈতিক ব্যৱসায়িক কৌশলহে। সংসদৰ দৰে সৰ্বোচ্চ মঞ্চত এই কথাটো উঠা মানে এই দিশত চাপ সৃষ্টি হোৱাটো অনিবাৰ্য।

ইয়াৰ উপৰিও, সাংসদগৰাকীয়ে 'Right to Recall' অৰ্থাৎ জনসাধাৰণে তেওঁলোকৰ প্ৰতিনিধিয়ে কাম নকৰিলে তেওঁক প্ৰত্যাহাৰ কৰাৰ অধিকাৰ সন্দৰ্ভত আইন প্ৰণয়নৰ দাবী উত্থাপন কৰি এক গুৰুত্বপূৰ্ণ আলোচনাৰ সূচনা কৰিছে। আমাৰ বৰ্তমানৰ ব্যৱস্থাত নিৰ্বাচিত প্ৰতিনিধি এজন নিৰ্বাচিত হোৱাৰ পাছত পাঁচ বছৰৰ বাবে প্ৰায় অনিয়ন্ত্ৰিত হৈ পৰে। তেওঁ যদি কোনো কাম নকৰে, বা ৰাইজৰ প্ৰতি দায়বদ্ধ নহয়, তেন্তে তেওঁক প্ৰত্যাহাৰ কৰাৰ কোনো আইনী ব্যৱস্থা নাই। এই দাবীটোৱে জনসাধাৰণৰ মাজত এক সঁহাৰি জগাই তুলিছে। ৰাইজে ভাবিবলৈ লৈছে যে যদি এজন ডেলিভাৰী বয়ই তেওঁৰ কাম ঠিকমতে নকৰিলে তেওঁক বৰ্খাস্ত কৰিব পাৰি, কিন্তু এজন জনপ্ৰতিনিধিয়ে কাম নকৰিলে তেওঁক পদচ্যুত কৰাটো ইমান কঠিন কিয়? অৱশ্যে, এই প্ৰশ্নবোৰৰ বিপৰীতে কিছুমান যুক্তিও আছে। বহু ৰাজনৈতিক বিশ্লেষকে কয় যে ৰাজনীতি হৈছে চৰম ত্যাগৰ বিষয়, ইয়াক নিয়মীয়া চাকৰিৰ সৈতে তুলনা কৰাটো সংগত নহয়। দৰমহা আৰু পেঞ্চন ব্যৱস্থা সাংসদসকলক নিৰপেক্ষভাৱে কাম কৰিবলৈ প্ৰেৰণা যোগাবলৈহে। 'Right to Recall'ৰ ক্ষেত্ৰত কোৱা হয় যে এই ব্যৱস্থাই ৰাজনৈতিক অস্থিৰতা সৃষ্টি কৰিব পাৰে আৰু নিৰ্বাচিত প্ৰতিনিধিয়ে স্বাধীনভাৱে কাম কৰিবলৈ ভয় পাব। কিন্তু তথাপি, এই যুক্তিবোৰতকৈ সাংসদ চদ্ধাই তুলি ধৰা প্ৰশ্নবোৰৰ যুক্তি অধিক প্ৰবল বুলি ৰাইজৰ এটা বৃহৎ অংশই অনুভৱ কৰে।

ৰাঘৱ চদ্ধাৰ এই প্ৰশ্নবোৰে আচলতে আমাৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াক অধিক জাগ্ৰত আৰু উত্তৰদায়ী কৰি তোলাৰ বাট মুকলি কৰিছে। অসমৰ এই সাংসদগৰাকীয়ে প্ৰমাণ কৰিছে যে নীৰৱতাৰ বেৰ ভাঙি প্ৰশ্ন কৰাৰ সাহস থাকিলে সংসদকো জনতাৰ কণ্ঠস্বৰ কৰি তোলাটো সম্ভৱ। তেওঁৰ এই পদক্ষেপে আন নেতাসকলকো সংসদত গভীৰ আৰু জন-দৃষ্টি কেন্দ্ৰিক বিষয় উত্থাপন কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা কৰিব পাৰি। এগৰাকী সাংসদক কেৱল দলৰ নীতি মানি চলা ব্যক্তি নহৈ, জনতাৰ প্ৰকৃত প্ৰতিনিধি হিচাপে কাম কৰাটোৱেই যে সাংসদ প্ৰকৃতাৰ্থত ব্যতিক্ৰমী হোৱাৰ মূল মন্ত্ৰ, এই দৃষ্টান্ত ৰাঘৱ চদ্ধাই স্থাপন কৰিছে।




সকলো চমকপ্ৰদ আঁচনিৰে কিছু নেতিবাচক দিশো থাকে। যেতিয়া চৰকাৰে সকলো বস্তু বিনামূলীয়াকৈ দিয়াৰ প্ৰৱণতা গঢ়ি তোলে, তেতিয়া জনসাধাৰণৰ মাজত কৰ্মস্পৃহা কমি যোৱাৰ সম্ভাৱনা থাকে। সাধাৰণতে ই নিৰ্ভৰশীল হিতাধিকাৰী মানসিকতাৰ সৃষ্টি কৰে। বহু সময়ত ভোট বেংকৰ ৰাজনীতিৰ বাবে বিশেষ শ্ৰেণীক সন্তুষ্ট কৰিবলৈ লোৱা আঁচনিয়ে সমাজত বিভাজনৰ সৃষ্টি কৰিব পাৰে। তদুপৰি এনে জনপ্ৰিয়তাবাদী প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ চৰকাৰে লোৱা বৃহৎ ঋণৰ বোজা অনাগত দিনত সাধাৰণ জনতাই অতিৰিক্ত কৰৰ জৰিয়তে বহন কৰিবলগীয়া হয়। আচলতে এখন দেশৰ অৰ্থনীতি আৰু সামাজিক গাঁথনি শক্তিশালী কৰিবলৈ সুপৰিকল্পিত উন্নয়নমূলক আঁচনিৰ প্ৰয়োজন। যেতিয়া চৰকাৰে জলসিঞ্চনৰ আঁচনি লয়, ইয়াৰ উদ্দেশ্য হ'ল কৃষি উৎপাদন বৃদ্ধি কৰা।

# প্ৰতিশ্ৰুতিৰ ৰাজনীতি আৰু প্ৰকৃত উন্নয়ন

**গ**ণতন্ত্ৰৰ মূল আধাৰ হৈছে জনসাধাৰণৰ মত আৰু জনপ্ৰতিনিধিৰ দায়বদ্ধতা। এখন দেশ বা ৰাজ্যৰ প্ৰগতি বহুলাংশে নিৰ্ভৰ কৰে চৰকাৰে গ্ৰহণ কৰা দূৰদৰ্শী উন্নয়নমূলক আঁচনিসমূহৰ ওপৰত। কিন্তু আধুনিক ৰাজনীতিৰ প্ৰেক্ষাপটত 'উন্নয়ন' আৰু 'প্ৰতিশ্ৰুতি'—এই শব্দ দুটাৰ মাজত এক সূক্ষ্ম কিন্তু গভীৰ পাৰ্থক্য পৰিলক্ষিত হয়। নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ প্ৰতিশ্ৰুতিৰ পাহাৰ আৰু নিৰ্বাচনৰ পিছত সেইবোৰৰ বাস্তৱায়নৰ গতিধাৰাই গণতান্ত্ৰিক ব্যৱস্থাটোৰ সবলতা আৰু দুৰ্বলতা দুয়োটাই প্ৰতিফলিত কৰে। বহু ক্ষেত্ৰত দেখা যায় যে ভোট আহৰণৰ স্বাৰ্থত দিয়া বহুতো প্ৰতিশ্ৰুতি কেৱল বাক্যতেই সীমাবদ্ধ থাকি যায়, যাৰ ফলত জনসাধাৰণৰ আস্থা হ্ৰাস পায়।

প্ৰকৃত উন্নয়ন হৈছে এনে এক প্ৰক্ৰিয়া, যিয়ে সমাজৰ সকলো শ্ৰেণীৰ লোকক সামৰি লয় আৰু দীৰ্ঘম্যাদী কল্যাণ নিশ্চিত কৰে। ই কেৱল অবকাঠামো নিৰ্মাণ বা আৰ্থিক উন্নতিৰ মাজতেই সীমাবদ্ধ নহয়। বৰঞ্চ শিক্ষা, স্বাস্থ্য, নিয়োগ আৰু সামাজিক ন্যায়ৰ দৰে ক্ষেত্ৰসমূহতো সমান গুৰুত্ব আৰোপ কৰে। আনহাতে, কেৱল ভোটৰ স্বাৰ্থত দিয়া প্ৰতিশ্ৰুতি অধিকাংশ ক্ষেত্ৰত স্বল্পম্যাদী আৰু অসংগঠিত হয়। ফলস্বৰূপে, জনসাধাৰণৰ মাজত হতাশা আৰু অবিশ্বাসৰ সৃষ্টি হয়। সেয়েহে, প্ৰকৃত উন্নয়ন কি আৰু কেৱল ভোটৰ স্বাৰ্থত দিয়া প্ৰতিশ্ৰুতিৰ পৰিণাম কি হ'ব পাৰে, সেই বিষয়ে এক গভীৰ আলোচনাৰ অতি প্ৰয়োজন।

আধুনিক ৰাজনীতিত 'উন্নয়ন' শব্দটো শক্তিশালী সঁজুলি হিচাপে ব্যৱহাৰ কৰা হয়। নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলে নিজৰ ইস্তাহাৰত উন্নয়নৰ অসংখ্য সপোন অংকন কৰে। কিন্তু প্ৰশ্ন হয়- সেইবোৰ সঁচাকৈয়ে দেশৰ দীৰ্ঘম্যাদী উন্নয়নৰ বাবে, নে কেৱল ক্ষমতা লাভৰ উদ্দেশ্যে দিয়া ৰাজনৈতিক প্ৰতিশ্ৰুতি? উন্নয়নমূলক আঁচনি আৰু ৰাজনৈতিক প্ৰতিশ্ৰুতিৰ মাজত থকা এই সূক্ষ্ম ৰেখাডাল চিনাক্ত কৰাটো আজিৰ সময়ত প্ৰতিজন সচেতন নাগৰিকৰ বাবে অপৰিহাৰ্য হৈ পৰিছে।

ৰাজনৈতিক প্ৰতিশ্ৰুতিসমূহ প্ৰায়েই জনসাধাৰণৰ আৱেগ আৰু ভোটৰ অংকৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হয়। নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতিবোৰ বহু সময়ত বাস্তৱসন্মত নহয়। এনে প্ৰতিশ্ৰুতি সমূহে সাময়িকভাৱে কোনো এক শ্ৰেণীক সন্তুষ্ট কৰিব পাৰে যদিও দেশৰ সামগ্ৰিক অৰ্থনীতিৰ ওপৰত ই বিৰূপ প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে- নিৰ্বাচনৰ ঠিক আগে-আগে কোনো এক বিশেষ শ্ৰেণীক নগদ ধন দিয়াৰ ঘোষণা বা কোনো মাচুল ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি। বহু সময়ত দেখা যায় যে, ৰাজনৈতিক প্ৰতিশ্ৰুতিসমূহ কোনো বৈজ্ঞানিক তথ্য বা অৰ্থনৈতিক বিশ্লেষণৰ ওপৰত ভিত্তি কৰি দিয়া নহয়। ফলস্বৰূপে, নিৰ্বাচনৰ পিছত সেইবোৰ পূৰণ কৰিবলৈ গৈ চৰকাৰী কোষাগাৰ বিপদত পৰে।

ৰাজনৈতিক প্ৰতিশ্ৰুতি আৰু উন্নয়নমূলক আঁচনিৰ মাজত থকা অৰ্থনৈতিক প্ৰভাৱ অতি গভীৰ। যেতিয়া কোনো চৰকাৰে হ্ৰস্বম্যাদী জনপ্ৰিয় প্ৰতিশ্ৰুতি পূৰণৰ বাবে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰে তেতিয়া ইয়াৰ প্ৰভাৱ ৰাজ্যৰ বিত্তীয় ঘাটিৰ ওপৰত পৰে। বৰ্তমানৰ তথ্য অনুসৰি, অসমৰ দৰে ৰাজ্যত ধাৰাবাহিকভাৱে বৃদ্ধি পোৱা ঋণৰ বোজা এক চিন্তনীয় বিষয় হৈ পৰিছে। পৰিসংখ্যা অনুসৰি, অসম চৰকাৰৰ মুঠ ঋণৰ পৰিমাণ বিগত কেইবছৰমানত লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। যিটো বৰ্তমান ১.৫ লাখ কোটি টকাৰো অধিক হোৱাৰ দিশে অগ্ৰসৰ হৈছে। অত্যধিক ৰাজসাহায্য বা নগদ ধন বিতৰণৰ ফলত বজাৰত টকাৰ প্ৰবাহ বৃদ্ধি পায়, যাৰ পৰিণতিত মুদ্ৰাস্ফীতি ঘটাৰ সম্ভাৱনা থাকে।

অসমৰ সাম্প্ৰতিক দুখন উল্লেখযোগ্য আঁচনি-'অৰুণোদয়' আৰু 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম'—উন্নয়ন আৰু প্ৰতিশ্ৰুতিৰ এক বলিষ্ঠ উদাহৰণ। চৰকাৰে প্ৰদান কৰা 'অৰুণোদয়' আঁচনিৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ২৬ লাখৰো অধিক হিতাধিকাৰী পৰিয়ালে প্ৰতিমাহে পোনপটীয়াকৈ বেংক একাউণ্টত আৰ্থিক সাহায্য লাভ কৰিছে। সামাজিক সুৰক্ষা আৰু মহিলা সৱলীকৰণৰ দিশত ই এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ই নিম্ন আয়ৰ পৰিয়ালসমূহক অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয়ত সহায় কৰিছে। কিন্তু অৰ্থনৈতিক দৃষ্টিভংগীৰে চালে, এই বৃহৎ পৰিমাণৰ ধন (বছৰি হাজাৰ হাজাৰ কোটি টকা) কেৱল উপভোগৰ বাবে খৰচ হয়, যাৰ পৰা কোনো নতুন সম্পদ সৃষ্টি নহয়। ইয়াৰ বিপৰীতে 'মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম' আঁচনিখনে যুৱক-যুৱতীসকলক উদ্যোগীকৰণৰ বাবে ২ ৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আৰু ঋণ প্ৰদান কৰে। ইয়াৰ লক্ষ্য হ'ল উৎপাদনশীলতা বৃদ্ধি কৰা আৰু কৰ্মসংস্থাপন সৃষ্টি কৰা। ই হ'ল 'প্ৰকৃত উন্নয়ন'ৰ দিশত এটা খোজ। কিয়নো ইয়াৰ দ্বাৰা দীৰ্ঘম্যাদী মূলধনৰ সৃষ্টি হয়।


নলিনী ৰঞ্জন ভূঞা

আজিৰ সমাজৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল নিবনুৱা সমস্যা। ৰাজনৈতিক প্ৰতিশ্ৰুতিত প্ৰায়েই লাখ লাখ চাকৰি বা নিবনুৱা ভাট্টাৰ কথা কোৱা হয়। কিন্তু চাকৰি দিয়াটো কেৱল সংখ্যাৰ খেল নহয়। ইয়াৰ বাবে এক শক্তিশালী উদ্যোগিক পৰিৱেশৰ প্ৰয়োজন। কেৱল চৰকাৰী খণ্ডত নিযুক্তি দি নিবনুৱা সমস্যা সম্পূৰ্ণৰূপে সমাধান কৰা অসম্ভৱ। সেয়েহে, উন্নয়নমূলক আঁচনিসমূহ এনেকুৱা হ'ব লাগে যিয়ে ব্যক্তিগত খণ্ডত নিয়োগ সৃষ্টি কৰে। ৰাজনৈতিক প্ৰতিশ্ৰুতি অনুসৰি দিয়া সাময়িক নিবনুৱা ভাট্টাই এজন ডেকাৰ বাবে মাহেকীয়া সকাহ হ'ব পাৰে, কিন্তু ই তেওঁৰ কেৰিয়াৰ গঢ়াত কেতিয়াও সহায় নকৰে।

অৱশ্যে চৰকাৰী আঁচনিসমূহৰ বহুতো গঠনমূলক আৰু ইতিবাচক দিশ থাকে। বৃদ্ধ পেঞ্চন, বিধৱা ভাট্টা বা দিব্যাঙ্গসকলৰ বাবে থকা সামাজিক সুৰক্ষা আঁচনিসমূহে সমাজৰ দুৰ্বল শ্ৰেণীক মৰ্যাদাপূৰ্ণ জীৱন যাপনত সহায় কৰে। একেদৰে আত্মসহায়ক গোটৰ জৰিয়তে মহিলাসকলক স্বাৱলম্বী কৰা বা গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ (MGNREGA) জৰিয়তে দৰিদ্ৰ জনসাধাৰণৰ হাতলৈ কামৰ সুযোগ অনা হয়। ঠিক তেনেকৈয়ে স্বাস্থ্য আৰু শিক্ষাখণ্ডত চৰকাৰী বীমা আঁচনি বা বিনামূলীয়া পাঠ্যপুথি বিতৰণে দৰিদ্ৰ পৰিয়ালৰ সন্তানৰ বাবে নতুন দুৱাৰ মুকলি কৰে। আনহাতে বৰ্তমানৰ ডিজিটেল বিপ্লৱৰ ফলত চৰকাৰী কাম-কাজত স্বচ্ছতা আহিছে আৰু মধ্যভোগীৰ প্ৰভাৱ বহু পৰিমাণে হ্ৰাস পাইছে।

সকলো চমকপ্ৰদ আঁচনিৰে কিছু নেতিবাচক দিশো থাকে। যেতিয়া চৰকাৰে সকলো বস্তু বিনামূলীয়াকৈ দিয়াৰ প্ৰৱণতা গঢ়ি তোলে, তেতিয়া জনসাধাৰণৰ মাজত কৰ্মস্পৃহা কমি যোৱাৰ সম্ভাৱনা থাকে। সাধাৰণতে ই নিৰ্ভৰশীল হিতাধিকাৰী মানসিকতাৰ সৃষ্টি কৰে। বহু সময়ত ভোট বেংকৰ ৰাজনীতিৰ বাবে বিশেষ শ্ৰেণীক সন্তুষ্ট কৰিবলৈ লোৱা আঁচনিয়ে সমাজত বিভাজনৰ সৃষ্টি কৰিব পাৰে। তদুপৰি এনে জনপ্ৰিয়তাবাদী প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ চৰকাৰে লোৱা বৃহৎ ঋণৰ বোজা অনাগত দিনত সাধাৰণ জনতাই অতিৰিক্ত কৰৰ জৰিয়তে বহন কৰিবলগীয়া হয়।

আচলতে এখন দেশৰ অৰ্থনীতি আৰু সামাজিক গাঁথনি শক্তিশালী কৰিবলৈ সুপৰিকল্পিত উন্নয়নমূলক আঁচনিৰ প্ৰয়োজন। যেতিয়া চৰকাৰে জলসিঞ্চনৰ আঁচনি লয়, ইয়াৰ উদ্দেশ্য হ'ল কৃষি উৎপাদন বৃদ্ধি কৰা। ইয়াৰ ফলত কৃষকৰ আয় বৃদ্ধি পায় আৰু দেশ খাদ্য সামগ্ৰীত স্বাৱলম্বী হয়। এইটোৱেই হ'ল প্ৰকৃত উন্নয়ন। এনে আঁচনিবোৰত বিশেষজ্ঞৰ পৰামৰ্শ আৰু সম্পদৰ সঠিক আবণ্টন থাকে। ই কেৱল বৰ্তমানৰ বাবে নহয়, আগন্তুক প্ৰজন্মৰ বাবেও এক ভেটি তৈয়াৰ কৰে।

বৰ্তমান সময়ত হিতাধিকাৰী শব্দটো অতি জনপ্ৰিয় হৈ পৰিছে। চৰকাৰী সাহায্য পোৱাটো নাগৰিকৰ অধিকাৰ, কিন্তু এই সাহায্যই তেওঁৰ কিমান দিন অভাৱ পূৰণ কৰিব সেয়া চিন্তনীয়। চৰকাৰৰ আঁচনিৰ লক্ষ্য হোৱা উচিত এজন মানুহক মাছ ধৰিবলৈ শিকোৱাটো, তেওঁক কেৱল এদিনৰ বাবে এটা মাছ দিয়াটো নহয়। যদি চৰকাৰে এজনক একেবাৰতে দহ হাজাৰ টকা নগদ দিয়ে, তেতিয়া সেই ধনৰাশি অতি সোনকালে শেষ হৈ যাব। কিন্তু যদি সেই ধনেৰে তেওঁক কিবা এক ক্ষুদ্ৰ উদ্যোগৰ সুবিধা বা বৃত্তিমূলক শিক্ষাৰ সুবিধা দিয়া হয়, তেন্তে তেওঁ জীৱনটো স্বাৱলম্বীভাৱে কটাব পাৰিব।

পৰিশেষত ক'ব পাৰি যে-উন্নয়নমূলক আঁচনি আৰু ৰাজনৈতিক প্ৰতিশ্ৰুতি এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি যদিও দুয়োৰে মাজত এক স্বাস্থ্যকৰ ভাৰসাম্য থকাটো প্ৰয়োজন। প্ৰতিশ্ৰুতিবোৰ যদি উন্নয়নমুখী হয় আৰু সেইবোৰ বাস্তৱায়নৰ বাবে এক সুনিৰ্দিষ্ট আৰ্হি থাকে, তেতিয়া ই ৰাজ্যৰ কল্যাণ সাধন কৰে। কিন্তু কেৱল ক্ষমতা লাভৰ বাবে জনপ্ৰিয়তাবাদী আঁচনিৰে জনসাধাৰণৰ চকু থৰ কৰাৰ প্ৰৱণতা গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয়। চৰকাৰ আৰু ৰাজনৈতিক দলসমূহৰ লক্ষ্য হোৱা উচিত এখন স্বাৱলম্বী আৰু শক্তিশালী সমাজ গঠন কৰা। উন্নয়নৰ সপোন দেখুওৱাটো দোষ নহয়, কিন্তু সেই সপোনক বাস্তৱত পৰিণত কৰিবলৈ যি ত্যাগ আৰু পৰিশ্ৰমৰ প্ৰয়োজন, তাক আওকাণ কৰিলে আমি এক গভীৰ সংকটৰ ফালেহে গতি কৰিম। উন্নয়নমূলক আঁচনিবোৰ যদি ৰাজনৈতিক সংকীৰ্ণতাৰ ঊৰ্ধ্বত থাকি সমাজৰ হিতৰ বাবে ৰূপায়ণ কৰা হয়, তেন্তে আমাৰ ৰাজ্যখন দেশৰ ভিতৰতে এখন শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি আশা কৰিব পাৰি।

# জ্ঞান পদপথত, বিলাসিতা শ্ব'ৰুমত

## আধুনিকতাৰ এহেজাৰ বিকৃতি

**ব**ৰ্তমান সময়ক শাস্ত্ৰীয় দৃষ্টিত 'কলিযুগ' বুলি অভিহিত কৰা হয়, য'ত মানৱীয় মূল্যবোধৰ দ্ৰুত অৱক্ষয় ঘটাৰ কথা উল্লেখ আছে। আমাৰ চৌপাশৰ সমাজখনলৈ দকৈ চালে দেখা যায় যে আমি অৰ্থনৈতিক আৰু প্ৰযুক্তিগতভাৱে যিমান আগবাঢ়িছোঁ, মানসিক আৰু নৈতিকভাৱে সিমানেই যেন পিছুৱাই গৈছোঁ। আজিৰ সমাজত এনে কিছুমান বিপৰীতমুখী দৃশ্য প্ৰতিদিনেই প্ৰকট হৈ পৰিছে, যিবোৰে আমাৰ সভ্যতাৰ ভয়াৱহ স্বৰূপটোহে উদঙাই দিয়ে।

আজিৰ দিনত আমি দেখা পাওঁ যে যি জ্ঞানৰ আধাৰত সমাজ এখন গঢ় লৈ উঠে, সেই অমূল্য সম্পদ কিতাপবোৰ আজি পদপথৰ ধূলি-বালিৰ মাজত বিক্ৰী হয়। আনহাতে, বিলাসিতাৰ প্ৰতীক হিচাপে গণ্য কৰা দামী জোতাযোৰ আমি খুব সযতনে কাঁচৰ শ্ব'ৰুমৰ ভিতৰত সজাই থওঁ। ইয়াৰ পৰাই প্ৰমাণ হয় যে আধুনিক সমাজত বৌদ্ধিক বিকাশৰ তুলনাত বাহ্যিক আড়ম্বৰৰ গুৰুত্ব কিমান বেছি। কেৱল কিতাপৰ ক্ষেত্ৰতে নহয়, আমাৰ খাদ্যভাস আৰু অভ্যাসৰ ক্ষেত্ৰতো এক অদ্ভুত বিকৃতি লক্ষ্য কৰা যায়। সমাজত বিষ বিয়পোৱা নিচাযুক্ত দ্ৰব্য যেনে মদ আদি কিনিবলৈ মানুহে নগদ ধনৰ মোনা খুলি দিয়ে, অথচ শৰীৰৰ বাবে উপকাৰী আৰু পুষ্টিকৰ গাখীৰখিনি লওঁতে সদায় বাকী বিচাৰি দৰদাম কৰে। যিটো বস্তুৱে সমাজক ধ্বংসৰ পিনে লৈ যায় তাৰ বাবে আমাৰ হাতত পৰ্যাপ্ত ধন থাকে, কিন্তু যিটোৱে আমাক জীৱন শক্তি দিয়ে, তাৰ ক্ষেত্ৰত আমি সদায় কৃপণালি কৰোঁ।

পশু প্ৰেমৰ নামতো আজি এক ধৰণৰ প্ৰদৰ্শনকামিতা চলিছে। আমি ঘৰৰ ভিতৰত দামী কুকুৰ পুহি তাক বিছনাত ঠাই দিওঁ, কিন্তু যি গৰুক আমি গো-মাতা বুলি ভক্তি কৰোঁ, সেই গৰু আজি ৰাজপথৰ আৱৰ্জনাৰ মাজত খাদ্য বিচাৰি ফুৰিবলগীয়া অৱস্থা হৈছে। মানুহৰ অসচেতনতাৰ বাবে আৱৰ্জনাৰ দ'মত মিহলি হৈ থকা বিষাক্ত প্লাষ্টিকৰ বেগ আদি অনিচ্ছাসত্ত্বেও খাদ্যৰ সৈতে গিলি পেলাই অকালতে মৃত্যুমুখত পৰিবলগীয়া হৈছে। ই আমাৰ পশুপ্ৰেম নে একপ্ৰকাৰৰ আধুনিক বিলাসিতা, সেয়া এক ডাঙৰ প্ৰশ্ন। কিন্তু এই সকলোবোৰতকৈও ভয়ংকৰ আৰু বেদনাদায়ক দৃশ্যটো হ'ল আমাৰ পাৰিবাৰিক সম্পৰ্কৰ ফাট। আজিৰ বহু ল'ৰা-ছোৱালীয়ে বিদেশত উচ্চশিক্ষা গ্ৰহণ কৰি সফলতাৰ শিখৰত আৰোহণ কৰিছে সঁচা, কিন্তু যি পিতৃ-মাতৃয়ে নিজৰ সকলো সুখ বিসৰ্জন দি সন্তানক মানুহ কৰিলে, সেই পিতৃ-মাতৃৰ শেষ বয়সৰ ঠিকনা হৈছে 'বৃদ্ধাশ্ৰম'। উচ্চশিক্ষাই যদি নিজৰ জন্মদাতাক সন্মান কৰিবলৈ নিশিকায়, তেন্তে সেই শিক্ষাৰ কোনো সাৰ্থকতা নাই।

এই বৈপৰীত্যবোৰেই আজিৰ সমাজৰ এক নিৰ্মম বাস্তৱ। আমি যিমানেই শিক্ষিত বা চহকী নহওঁ কিয়, যদিহে আমাৰ মাজত মানৱীয়তা আৰু সঠিক মূল্যবোধ নাথাকে, তেন্তে সমাজৰ এই অৱক্ষয় ৰোধ কৰা অসম্ভৱ। সময় থাকোঁতেই যদি আমি নিজৰ মানসিকতা সলনি নকৰোঁ, তেন্তে আমাৰ ভৱিষ্যৎ প্ৰজন্ম এক গভীৰ অন্ধকাৰৰ ফালে গতি কৰিব।


*কুণ্ডিল হাজৰিকা*

# চাইন্স চিটি আৰু নতুন প্ৰজন্মৰ বিজ্ঞানমনস্কতা

**ললিত নাথ**

**ব**ৰ্তমানৰ যুগত প্ৰযুক্তি আৰু বিজ্ঞানৰ দ্ৰুত প্ৰগতিয়ে বিশ্বক এক নতুন ৰূপ দিছে। এখন দেশ বা ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ অন্যতম মাপকাঠি হৈছে তাৰ নাগৰিকসকলৰ বিজ্ঞানমনস্কতা। যি সমাজে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু অযুক্তিকৰ বিশ্বাসক পৰিত্যাগ কৰি যুক্তি, পৰীক্ষা-নিৰীক্ষা, বৈজ্ঞানিক পদ্ধতি আৰু অনুসন্ধানমূলক চিন্তাধাৰাক প্ৰাধান্য দিয়ে, সেই সমাজহে আধুনিকতাৰ পথত দৃঢ় পদক্ষেপেৰে আগবাঢ়িব পাৰে। অসমৰ দৰে এক উন্নয়নশীল ৰাজ্যত এই বিজ্ঞানমনস্কতাৰ প্ৰসাৰ অতি জৰুৰী, কাৰণ ই কেৱল শিক্ষাৰ ক্ষেত্ৰতে নহয়, অৰ্থনৈতিক উন্নয়ন, পৰিৱেশ সংৰক্ষণ, স্বাস্থ্য আৰু প্ৰযুক্তিগত উদ্ভাৱনৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে এক প্ৰেক্ষাপটত সোণাপুৰৰ টেপেছিয়াত স্থাপিত 'গুৱাহাটী চাইন্স চিটি' বা 'চাইন্স চিটি' অসমৰ বাবে এক যুগান্তকাৰী পদক্ষেপ হিচাপে বিবেচিত হৈছে। ই কেৱল এটা পৰ্যটন কেন্দ্ৰ বা বিনোদন স্থল নহয়, বৰঞ্চ ই নতুন প্ৰজন্মৰ মাজত বিজ্ঞানমনস্ক চিন্তাধাৰা গঢ়ি তোলাৰ এক শক্তিশালী মঞ্চ হ'ব পাৰে।

দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্তত চাইন্স চিটিৰ নিৰ্মাণ কাম শেষ হৈছে। ২০২৬ চনৰ মাৰ্চ মাহত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইয়াক আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰায় ৮২ একৰ ভূমিত বিস্তৃত এই প্ৰকল্পটোৰ নিৰ্মাণত প্ৰায় ৩০০ কোটি টকা ব্যয় হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত ই অন্যতম বৃহৎ বিজ্ঞানভিত্তিক প্ৰতিষ্ঠান হিচাপে পৰিগণিত হৈছে আৰু কলকাতাৰ বিখ্যাত চাইন্স চিটিতকৈও ডাঙৰ বুলি কোৱা হৈছে। অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদ (NCSM)ৰ যৌথ উদ্যোগত নিৰ্মিত এই কেন্দ্ৰই বিজ্ঞানক পাঠ্যপুথিৰ সংকীৰ্ণ গণ্ডীৰ পৰা মুক্ত কৰি এক অভিজ্ঞতামূলক আৰু আনন্দদায়ক শিক্ষাৰ ৰূপ দিছে। চাইন্স চিটিৰ অন্যতম আকৰ্ষণ হৈছে ইয়াৰ বিভিন্ন আধুনিক গেলাৰী আৰু প্ৰদৰ্শনী। ইতিমধ্যে সম্পূৰ্ণ হোৱা দুটা প্ৰধান গেলাৰী—'ইউৰেকা' আৰু 'স্পেচ ওডিছী'এ বিজ্ঞানৰ মৌলিক ধাৰণাসমূহক অতি সহজ আৰু আকৰ্ষণীয়ভাৱে উপস্থাপন কৰিছে। 'ইউৰেকা' গেলাৰীত দৈনন্দিন জীৱনৰ সৈতে জড়িত বিজ্ঞানৰ বিভিন্ন দিশ যেনে বলবিদ্যা, শব্দ, পোহৰ, বিদ্যুৎ আদিৰ ওপৰত হাতেৰে চলোৱা পৰীক্ষা-নিৰীক্ষাৰ ব্যৱস্থা আছে, যিয়ে শিশু-কিশোৰসকলৰ মনত কৌতূহল জগাই তোলে। আনহাতে 'স্পেচ ওডিছী'এ মহাকাশ বিজ্ঞান, গ্ৰহ-নক্ষত্ৰ, মহাকাশ যাত্ৰা আৰু বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্যসমূহক অত্যাধুনিক প্ৰযুক্তিৰ সহায়ত জীৱন্ত কৰি তোলে। ইয়াৰ লগত অতি সোনকালে যোগ হ'ব 'চাইন্স ডিছকভাৰী' আৰু 'চাইন্স পাৰ্ক'ৰ দৰে অংশসমূহ, যিয়ে প্ৰকল্পটোক আৰু সমৃদ্ধ কৰিব। ইয়াৰ উপৰিও ডিজিটেল প্লেনেটেৰিয়াম, বায়'ডোম, ফায়াৰ থিয়েটাৰ, এআৰ, ভিআৰ অভিজ্ঞতা আদিয়ে শিক্ষাৰ্থীসকলক বিশ্বমানৰ বিজ্ঞান শিক্ষাৰ সুযোগ প্ৰদান কৰিব। এনে ব্যৱস্থাই বিশেষকৈ শিশুসকলৰ মনত বিজ্ঞানৰ প্ৰতি আকৰ্ষণ জন্মাব আৰু তেওঁলোকক কিয় আৰু কেনেকৈ বুলি প্ৰশ্ন কৰিবলৈ উৎসাহিত কৰিব। অসমত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে ইতিমধ্যে বহু পদক্ষেপ গ্ৰহণ কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাত থকা আঞ্চলিক বিজ্ঞান কেন্দ্ৰই বহু বছৰ ধৰি মহানগৰীৰ শিক্ষাৰ্থীসকলক সেৱা আগবঢ়াই আহিছে। তদুপৰি চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে বিজ্ঞান মেলা, কৰ্মশালা আদিৰ জৰিয়তে প্ৰচেষ্টা চলাই আহিছে। কিন্তু বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত বিজ্ঞান শিকাৰ সুযোগ এতিয়াও গ্ৰাম্য আৰু দুৰ্গম অঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবে সীমিত। টেপেছিয়াৰ এই নতুন চাইন্স চিটিয়ে এই অভাৱ পূৰণ কৰিব বুলি আশা কৰিব পাৰি। ইয়াৰ অত্যাধুনিক সুবিধাসমূহে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলক আকৰ্ষিত কৰিব। কিন্তু কেৱল আন্তঃগাঁথনি নিৰ্মাণ কৰিয়েই এই প্ৰকল্পৰ সফলতা নিশ্চিত কৰিব নোৱাৰি। ইয়াক এক জীৱন্ত জ্ঞানকেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ নিয়মীয়া কাৰ্যসূচীৰ প্ৰয়োজন। বিজ্ঞান মেলা, কৰ্মশালা, গৱেষণা আলোচনা, ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণমূলক প্ৰতিযোগিতা, বিজ্ঞানীসকলৰ বক্তৃতা আদিৰ নিয়মীয়া আয়োজন কৰিব লাগিব। বিশেষকৈ ৰাজ্যৰ দুৰ্গম পাহাৰীয়া অঞ্চল আৰু চাহ বাগিচা অঞ্চলৰ বিদ্যালয়সমূহৰ বাবে বিশেষ শিক্ষামূলক ভ্ৰমণ আঁচনি গ্ৰহণ কৰা উচিত। দৰিদ্ৰ পৰিয়ালৰ মেধাৱী শিক্ষাৰ্থীসকল যাতে যাতায়াত, প্ৰৱেশমূল্য আদিৰ বাবে বঞ্চিত নহয়, তাৰ বাবে চৰকাৰী অনুদান বা স্কলাৰশ্বিপৰ ব্যৱস্থা কৰিব পাৰি। বিদ্যালয় শিক্ষাৰ সৈতে এই কেন্দ্ৰৰ সক্ৰীয় সংযোগ স্থাপন অতি জৰুৰী। ৰাজ্যৰ পাঠ্যক্ৰমৰ সৈতে চাইন্স চিটিৰ কাৰ্যকলাপসমূহ সমন্বিত কৰিলে ছাত্ৰ-ছাত্ৰীয়ে তত্ত্বক বাস্তৱ অভিজ্ঞতাৰ জৰিয়তে বুজিব পাৰিব। উদাহৰণস্বৰূপে, পদাৰ্থ বিজ্ঞানৰ পাঠৰ সময়ত 'ইউৰেকা' গেলাৰীত পৰীক্ষা কৰি চাব পাৰিব, জীৱ বিজ্ঞানৰ বাবে বায়'ডোমত পৰিৱেশৰ ৰহস্য অন্বেষণ কৰিব পাৰিব। এনে সমন্বয়ে শিক্ষাক সৃষ্টিশীল, অনুসন্ধানমূলক আৰু প্ৰায়োগিক কৰি তুলিব। অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল জৈৱ-বৈচিত্ৰ্য, নদ-নদী, পাহাৰ-পৰ্বত আৰু অনন্য ভূ-প্ৰাকৃতিক অৱয়বেৰে সমৃদ্ধ।



এই অঞ্চলত জলবায়ু পৰিৱৰ্তন, বানপানী, ভূমিকম্প, পৰিৱেশ সংৰক্ষণ আৰু জীৱ-বৈচিত্ৰ্যৰ সুৰক্ষাৰ দৰে বিষয়সমূহ অত্যন্ত গুৰুত্বপূৰ্ণ। চাইন্স চিটিয়ে এই সকলো বিষয়কে অন্তৰ্ভুক্ত কৰি স্থানীয় পৰিৱেশৰ সৈতে জড়িত বৈজ্ঞানিক অধ্যয়নৰ ব্যৱস্থা কৰিব পাৰে। ইয়াৰ ফলত যুৱ প্ৰজন্মই কেৱল বিজ্ঞান শিকাই নহয়, নিজৰ অঞ্চলৰ সমস্যাসমূহক বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰি সমাধানৰ বাট বিচাৰি উলিয়াবলৈও সক্ষম হ'ব। আজিৰ যুগত বিজ্ঞান শিক্ষা কেৱল জ্ঞান আহৰণৰ মাধ্যম নহয়, ই উদ্ভাৱন, গৱেষণা, উদ্যোগ আৰু স্বাৱলম্বী অৰ্থনীতিৰ ভিত্তি। এই ক্ষেত্ৰত চাইন্স চিটিয়ে যদি নতুন চিন্তা, নতুন প্ৰয়োগ আৰু নতুন উদ্ভাৱনৰ বাবে অনুপ্ৰেৰণা যোগায়, তেন্তে ইয়াৰ প্ৰভাৱ অসমৰ সীমা অতিক্ৰম কৰি সমগ্ৰ দেশলৈকে বিস্তৃত হ'ব। টেপেছিয়াৰ চাইন্স চিটি কেৱল এটা সুন্দৰ ভৱন বা পৰ্যটন স্থান নহয়, ই অসমত বিজ্ঞানৰ সংস্কৃতি গঢ়ি তোলাৰ এক সময়োপযোগী পদক্ষেপ। যদি ই নতুন প্ৰজন্মৰ মনত যুক্তিবাদী চিন্তা, কৌতূহল আৰু উদ্ভাৱনৰ সাহস জগাই তুলিব পাৰে, তেন্তে ই অসমৰ শিক্ষা আৰু বৌদ্ধিক ইতিহাসত এক নতুন অধ্যায় আৰম্ভ কৰিব।

বিজ্ঞানৰ পোহৰে যদি যুৱক-যুৱতীসকলৰ মন আলোকিত কৰে, তেন্তে সমাজ কুসংস্কাৰৰ অন্ধকাৰৰ পৰা যুক্তিৰ পথলৈ নিশ্চয় আগুৱাই যাব। এই চাইন্স চিটিয়ে অসমক বিজ্ঞানমনস্ক, উদ্ভাৱনী আৰু সমৃদ্ধিশালী ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ এক শক্তিশালী ভিত্তি দিয়ক।

## গৌতম গোস্বামীয়ে নিৰ্বাচনী প্ৰচাৰৰ বাবে উপহাৰ হিচাপে দিলে নিৰ্বাচনী গীত

# মৰিয়নিত ৰাইজৰ দলৰ নিৰ্বাচনী তৎপৰতা

## দেওবাৰে সন্ধিয়া জ্ঞানশ্ৰী বৰাৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**অসম বাৰ্তা, মৰিয়নি, ২৯ মাৰ্চ ঃ** ৰাজ্যৰ আসন্ন নিৰ্বাচনক কেন্দ্ৰ কৰি এতিয়া তীব্ৰতৰ হৈ পৰিছে ৰাজনৈতিক কুচকাৱাজ। ইয়াৰ মাজতে মৰিয়নি সমষ্টিত বিশেষ চৰ্চালৈ আহিছে ৰাইজৰ দলৰ প্ৰাৰ্থী জ্ঞানশ্ৰী বৰা। দেওবাৰে সন্ধিয়া মৰিয়নি নগৰত প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰাৰ লগতে প্ৰচাৰৰ বাবে এক বিশেষ নিৰ্বাচনী গীত উন্মোচন কৰা হয়। প্ৰাৰ্থী জ্ঞানশ্ৰী বৰাৰ বাবে এই নিৰ্বাচনী গীতটো লিখি উপহাৰ দিছে গীতিকাৰ তথা শিল্পী গৌতম গোস্বামীয়ে। কাৰ্যালয় মুকলি অনুষ্ঠানত ৰাইজৰ দলৰ শতাধিক উৎসাহী সমৰ্থকৰ উপস্থিতিত জ্ঞানশ্ৰী বৰাই নিজেই এই গীতটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। গীতটোৰ মাজেৰে সমষ্টিটোৰ জনসাধাৰণৰ আৱেগ আৰু অধিকাৰৰ কথা ফুটাই তোলা হৈছে। আনফালে অনুষ্ঠানত ভাষণ প্ৰদান কৰি জ্ঞানশ্ৰী বৰাই কয় "মৰিয়নিৰ ৰাইজৰ আশীৰ্বাদ আমাৰ লগত আছে। গৌতম গোস্বামী ডাঙৰীয়াই উপহাৰ দিয়া এই গীতটিয়ে আমাৰ প্ৰচাৰ অভিযানক এক নতুন প্ৰাণ দিলে। আমি শোষিত আৰু বঞ্চিত ৰাইজৰ হকে যুঁজ দি যাবলৈ দৃঢ়পৰিকৰ।" উল্লেখ্য যে সন্ধিয়াৰ ভাগত মুকলি হোৱা এই নিৰ্বাচনী কাৰ্যালয় আৰু নতুন প্ৰচাৰ গীতটোৱে মৰিয়নিৰ নিৰ্বাচনী যুঁজখন অধিক আমোদজনক কৰি তুলিছে।

# বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ১ এপ্ৰিলৰ পৰা বিহু নাচ প্ৰশিক্ষণ কৰ্মশালা

**অসম বাৰ্তা, বকো, ৩০ মাৰ্চ ঃ** কামৰূপ জিলাৰ বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ এই বেলি গৌৰৱোজ্জ্বল ৫৮ সংখ্যক বৰ্ষৰ বিহু উৎসৱ। যোৱা কেই বেলিৰ দৰে এই বেলিও বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনীয়ে অহা ১ এপ্ৰিলৰ পৰা আয়োজন কৰিছে বিহু নাচ-ঢোল বাদন-পেপা বাদন - বাঁহী বাদন প্ৰশিক্ষণ কৰ্মশালা। ইতিমধ্যে প্ৰায় এক হাজাৰতকৈ অধিক ছাত্ৰ ছাত্ৰীয়ে তথা ইচ্ছুক প্ৰশিক্ষাৰ্থীয়ে প্ৰ-পত্ৰ পুৰণ কৰি কাৰ্য্যালয়ত জমা দিছে। ইফালে বিহু উৎসৱ উদযাপন সমিতিৰ সভাপতি ধনঞ্জয় মেধি আৰু সাধাৰণ সম্পাদক গোবিন্দ দলৈয়ে জনোৱা অনুসৰি আঠ গৰাকী উন্নত মানৰ অভিজ্ঞ প্ৰশিক্ষক সহ কুৰি জনীয়া সহযোগী প্ৰশিক্ষকে ১৩ দিন ধৰি প্ৰশিক্ষণ কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। ইফালে প্ৰ-পত্ৰ সমূহক শাখা; খ শাখা আৰু গ শাখাত ভাগ কৰি শিক্ষাৰ্থী সকলোক ভাগ ভাগ কৰিছে। অহা ১ এপ্ৰিলৰ পৰা কৰ্মশালা শুভাৰম্ভ কৰা হ'ব বুলি জানিব দিয়ে আয়োজক সমিতিয়ে।

# খুমটাই সমষ্টিত ত্ৰিকোণীয়া ৰাজনৈতিক যুঁজ তীব্ৰতৰ

**অসম বাৰ্তা, খুমটাই, ২৯ মাৰ্চ ঃ** এইবাৰৰ নিৰ্বাচনত খুমটাই সমষ্টিত ত্ৰিকোণীয়া প্ৰতিযোগিতাই ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে। ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী মৃনাল শইকীয়া, জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ৰজলিন তীৰ্কী আৰু জয় ভাৰত পাৰ্টীৰ নেতা অমিত নাগৰ মাজত কঠিন প্ৰতিযোগিতা দেখা গৈছে। নিৰ্বাচনৰ তাৰিখ ওচৰ চাপি অহাৰ লগে লগে সমষ্টিটোৰ ৰাজনৈতিক পৰিৱেশ ক্ৰমাৎ গৰম হৈ উঠিছে। সকলো প্ৰাৰ্থীয়ে জোৰদাৰ প্ৰচাৰ অভিযান চলাই থকাৰ ফলত ভোটাৰৰ মাজতো উৎসাহ বৃদ্ধি পাইছে। জয় ভাৰত পাৰ্টীৰ প্ৰাৰ্থী অমিত নাগে এই সময়ছোৱাত ব্যাপক প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। তেওঁ গাঁৱে-গাঁৱে গৈ ভোটাৰৰ সৈতে সৰাসৰি যোগাযোগ স্থাপন কৰি নিজৰ দলৰ নীতি-আদৰ্শ আগবঢ়াইছে। তেওঁ কয় যে, সমষ্টিটোৰ সামগ্ৰিক উন্নয়ন, ৰাইজৰ সমস্যা সমাধান আৰু নতুন সুযোগ সৃষ্টি কৰাই তেওঁলোকৰ মূল লক্ষ্য। ইফালে, আন দুয়োটা দলৰ প্ৰাৰ্থীয়েও পিছ পৰি নাথাকি সমানেই শক্তিশালী প্ৰচাৰ চলাই আছে। ফলত এইবাৰ খুমটাই সমষ্টিত এক কঠিন আৰু ৰোমাঞ্চকৰ প্ৰতিযোগিতা দেখা পোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। এতিয়া সকলোৱে দৃষ্টি নিবদ্ধ হৈছে ভোটাৰৰ ৰায়ৰ ওপৰত শেষত কোন প্ৰাৰ্থীয়ে বিজয়ৰ মালা পিন্ধিব সেয়া সময়েই প্ৰকাশ কৰিব।

# ডবকাত শতাধিক যুৱকৰ এআইইউডিএফ দলত যোগদান

**অসম বাৰ্তা, ডবকা, ২৯ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিত ৰাজনৈতিক তৎপৰতা দিনক দিনে বৃদ্ধি পাইছে। এই পৰিপ্ৰেক্ষিতত শনিবাৰে ডবকা চহৰৰ ৭ নং ৱাৰ্ডস্থিত এআইইউডিএফ (AIUDF) দলৰ অস্থায়ী কাৰ্যালয়ত এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত দলৰ কেন্দ্ৰীয় উপ-সভাপতি মৌলানা আব্দুল কাদিৰ কাছিমি আৰু হোজাই জিলাৰ নিৰ্বাচনী পৰ্যবেক্ষক জুবাইৰ আহমেদ উপস্থিত থাকে। সমষ্টি কমিটি আৰু নগৰ সমিতিৰ নেতৃত্বত অনুষ্ঠিত এই সভাত পৌৰ এলেকাৰ প্ৰায় শতাধিক যুৱকে বিভিন্ন ৰাজনৈতিক দল ত্যাগ কৰি আনুষ্ঠানিক ভাৱে এআইইউডিএফ দলত যোগদান কৰে। এই যোগদানে বিন্নাকান্দি সমষ্টিৰ ৰাজনৈতিক পৰিৱেশত নতুন গতি সঞ্চাৰ কৰিছে বুলি ধাৰণা কৰা হৈছে। উল্লেখযোগ্য যে বিগত প্ৰায় ২০ বছৰে এই সমষ্টি এআইইউডিএফ'ৰ দখলত আছে। এইবাৰ দলটোৰ চুপ্ৰিম নেতা মৌলানা বদৰ উদ্দিন আজমল নিজেই এই সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে, যাৰ ফলত নিৰ্বাচনী যুঁজখন অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। আনহাতে, কংগ্ৰেছ দলৰ পূৰ্বৰ শক্তিশালী ভেটি থকা সত্বেও মিত্ৰতাৰ স্বাৰ্থত এই সমষ্টি অসম জাতীয় পৰিষদ (অজাপ)ক এৰি দিয়া হৈছে। ফলত এইবাৰৰ নিৰ্বাচনত মূল প্ৰতিদ্বন্দ্বিতা এআইইউডিএফ আৰু অজাপৰ মাজত হ'ব বুলি ৰাজনৈতিক বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। স্থানীয় ৰাজনৈতিক বিশ্লেষক সকলৰ মতে, যুৱ সমাজৰ এই ধৰণৰ বৃহৎ পৰিমাণৰ সমৰ্থন লাভে এআইইউডিএফ দলক নিৰ্বাচনত শক্তিশালী অৱস্থান লাভ কৰাত সহায় কৰিব পাৰে। ইফালে, আন দলসমূহেও নিজৰ সংগঠন মজবুত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সামগ্ৰিকভাৱে বিন্নাকান্দি সমষ্টিত এইবাৰৰ নিৰ্বাচন উত্তেজনাপূৰ্ণ আৰু প্ৰতিদ্বন্দ্বিতামূলক হোৱাৰ পূৰ্ণ সম্ভাৱনা দেখা গৈছে।

## নিৰ্বাচনী সভাত অষ্টাংগে প্ৰণিপাত জনাই ভোট ভিক্ষা কৰিবলগীয়া হৈছে দুবাৰৰ বিধায়ক উৎপল বৰাই

# গহপুৰত বিজেপিৰ ভেঁটিত তীব্ৰ প্ৰত্যাহ্বান কংগ্ৰেছ প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমৰ

**অসম বাৰ্তা, গহপুৰ, ৩০ মাৰ্চ ঃ** গহপুৰ বিধান সভা সমষ্টিত কংগ্ৰেছ শূন্য বুলি সভাই সমিতিয়ে আস্ফালন কৰি অহা সমষ্টিটোৰ দুবাৰৰ বিধায়ক থকা আসন্ন বিধানসভা নিৰ্বাচনৰ বিজেপিৰ প্ৰাৰ্থী উৎপল বৰাক যেন এতিয়া ঢুকে ঢুকে পানী খুৱাইছে কংগ্ৰেছ প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমে। যোৱা ২৪ মাৰ্চত ডাঃ শংকৰজ্যোতি কুটুমৰ নেতৃত্বত চন্দামাৰীৰ পৰা হাৱাজান হৈ ৰজাবাৰীলৈকে উলিওৱা কংগ্ৰেছৰ বিশাল ৰেলীটোৰ পিছত গহপুৰত যে কংগ্ৰেছ দলটোৱে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে সেই কথা প্ৰমাণিত হয়। সমান্তৰালভাৱে "কংগ্ৰেছ শূন্য" বুলি কৈ অহা উৎপল বৰা তথা গহপুৰৰ বিজেপিৰ শিবিৰত উক্ত ৰেলীটোৱে চমক খুৱাবলৈ সক্ষম হয়। গহপুৰৰ ৰাজনৈতিক ক্ষেত্ৰত বিশেষভাৱে চৰ্চা লাভ কৰা কংগ্ৰেছ প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমৰ উক্ত ৰেলীটোৰ পিছত গহপুৰৰ কংগ্ৰেছ কৰ্মী আৰু সমৰ্থক সকল দুগুণ উৎসাহেৰে প্ৰাক নিৰ্বাচনী ক্ষেত্ৰত জঁপিয়াই পৰে। গহপুৰ সমষ্টিৰ দুবাৰৰ বিধায়ক তথা তৃতীয়বাৰৰ বিজেপিৰ প্ৰাৰ্থী উৎপল বৰাই প্ৰাৰম্ভিক অৱস্থাত এই নিৰ্বাচনটোক লৈ শংকা মুক্ত হৈ আছিল যদিও ডাঃ শংকৰজ্যোতি কুটুমৰ নিৰ্বাচনী তৎপৰতা আৰু প্ৰাক নিৰ্বাচনী কৌশলে প্ৰবল প্ৰত্যাহ্বান সৃষ্টি কৰিছে উৎপল বৰাৰ লগতে বিজেপিৰ শিবিৰত। কংগ্ৰেছ প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমে পঞ্চায়ত ভিত্তিত ডাঙৰ ডাঙৰ সভা অনুষ্ঠিত কৰাৰ পৰিবৰ্তে চুবুৰীয়ে চুবুৰীয়ে ক্ষুদ্ৰ ক্ষুদ্ৰ সভা আহ্বান কৰি ৰাইজৰ আস্থাভাজন হ'বলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে তেওঁ। ইয়াৰ সমান্তৰালভাৱে তেওঁ নিতৌ অনুষ্ঠিত কৰি আহিছে ইখনৰ পিছত সিখনকৈ যোগদান সভা। ডাঃ শংকৰজ্যোতি কুটুমে নিৰ্বাচনী প্ৰচাৰৰ মাধ্যমেৰে উৎপল বৰা যোৱা দহ বছৰত কিমান সম্পত্তিৰ অধিকাৰী হ'ল তাৰ হিচাপ ভোটাৰ ৰাইজৰ আগত তুলি ধৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। দুবাৰৰ বিধায়ক উৎপল বৰাই হাৱাজানৰ পৰা টকৌবাৰীলৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষে কাষে ক্ৰয় কৰা মাটি সম্পত্তি, এতিয়ালৈকে স্থাপন কৰা তেল ডিপো, ২২টাকৈ বাতানুকুল যন্ত্ৰ সংস্থাপন কৰি নিৰ্মাণ কৰা ফাইভ ষ্টাৰ সদৃশ প্ৰসাদোপম অট্টালিকা, নাৰ্ছিং হোম নিৰ্মাণৰ বাবে আৰ্থ ফিলিঙৰ কাম অব্যাহত ৰখা, গহপুৰ সমষ্টিৰ প্ৰান্তে প্ৰান্তে বিঘাই বিঘাই মাটি সম্পত্তি ক্ৰয় কৰা আদি বিষয়বোৰ তথ্য সহকাৰে ভোটাৰ ৰাইজৰ মাজলৈ লৈ গৈছে ডাঃ শংকৰজ্যোতি কুটুমে। তদুপৰি ঠিকাদাৰী কামত তেওঁৰ নিজা জেচিবি, ডাম্পাৰ ব্যৱহাৰ কৰা, ঠিকাদাৰী ব্যৱস্থাত পৰিয়ালকেন্দ্ৰীকতাক প্ৰাধান্য দিয়া, থলুৱা ঠিকাদাৰক উপেক্ষিত কৰা, স্থানীয় ভাৱে ঠিকাদাৰ জন্ম হ'বলৈ নিদিয়া, কাম আৱণ্টনৰ নামত কমিছনৰ অংক কৰা আদি একাধিক বিষয় ডাঃ শংকৰজ্যোতি কুটুমে ভোটাৰ ৰাইজৰ মাজলৈ লৈ গৈ উৎপল বৰাৰ বিৰুদ্ধে তীব্ৰ কৰি তুলিছে প্ৰতিষ্ঠান বিৰোধী ঢৌ। ইপিনে বিজেপি প্ৰাৰ্থী উৎপল বৰাই পঞ্চায়ত ভিত্তিত প্ৰতিটো পঞ্চায়তত অনুষ্ঠিত কৰি আহিছে একোখনকৈ নিৰ্বাচনী সভা। নিৰ্বাচনী সভাসমূহত উৎপল বৰাই বিজেপিৰ আঁচনি সমূহকে মূল আধাৰ হিচাপে লৈ ভাষণ আগবঢ়োৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য প্ৰতিখন নিৰ্বাচনী সভাত উৎপল বৰাই সভা আৰম্ভ হোৱাৰ পূৰ্বে মজিয়াত পেট পেলাই অষ্টাংগে প্ৰণিপাত জনোৱা দৃশ্য এতিয়া হৈ পৰিছে বিশেষ চৰ্চাৰ বিষয়। উৎপল বৰাৰ এই দৃশ্য দেখি সামাজিক মাধ্যমত বহুতেই ৰসিকতাপূৰ্ণ মন্তব্য কৰা পৰিলক্ষিত হৈছে। নিৰ্বাচনী সভাত উৎপল বৰাৰ "অতি ভক্তি" দেখি বহুতেই প্ৰশ্ন কৰিবলৈ বাধ্য হৈছে যে তেওঁ কোৱাৰ দৰে যদি যোৱা সঁচাকৈয়ে দহ বছৰত গহপুৰৰ ৰাইজৰ বাবে বহুত উন্নয়নমূলক কাম কৰিলে তেতিয়া হ'লে এনেদৰে মঞ্চই মঞ্চই অষ্টাংগে প্ৰণিপাত জনাই ভোটভিক্ষা খোজাৰ কাৰণ কি ? উল্লেখযোগ্য যে-আসন্ন বিধান সভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে এতিয়া সিমানেই ভোটাৰ ৰাইজৰ মাজত আৰম্ভ হৈছে পোৱা নোপোৱাৰ হিচাপ। ভোটাৰ ৰাইজৰ এইহিচাপ নিকাচত উৎপল বৰাই যোৱা দহ বছৰত আহৰণ কৰা সম্পত্তিৰ তালিকাও এতিয়া হৈ পৰিছে বিশেষ আলোচনাৰ বিষয়।

# ডবকাত শতাধিক যুৱকৰ এআইইউডিএফ দলত যোগদান

**অসম বাৰ্তা, ডবকা, ৩০ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিত ৰাজনৈতিক তৎপৰতা দিনক দিনে বৃদ্ধি পাইছে। এই পৰিপ্ৰেক্ষিতত শনিবাৰে ডবকা চহৰৰ ৭ নং ৱাৰ্ডস্থিত এআইইউডিএফ (AIUDF) দলৰ অস্থায়ী কাৰ্যালয়ত এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত দলৰ কেন্দ্ৰীয় উপ-সভাপতি মৌলানা আব্দুল কাদিৰ কাছিমি আৰু হোজাই জিলাৰ নিৰ্বাচনী পৰ্যবেক্ষক জুবাইৰ আহমেদ উপস্থিত থাকে। সমষ্টি কমিটি আৰু নগৰ সমিতিৰ নেতৃত্বত অনুষ্ঠিত এই সভাত পৌৰ এলেকাৰ প্ৰায় শতাধিক যুৱকে বিভিন্ন ৰাজনৈতিক দল ত্যাগ কৰি আনুষ্ঠানিক ভাৱে এআইইউডিএফ দলত যোগদান কৰে। এই যোগদানে বিন্নাকান্দি সমষ্টিৰ ৰাজনৈতিক পৰিৱেশত নতুন গতি সঞ্চাৰ কৰিছে বুলি ধাৰণা কৰা হৈছে। উল্লেখযোগ্য যে বিগত প্ৰায় ২০ বছৰে এই সমষ্টি এআইইউডিএফ'ৰ দখলত আছে। এইবাৰ দলটোৰ চুপ্ৰিম নেতা মৌলানা বদৰ উদ্দিন আজমল নিজেই এই সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে, যাৰ ফলত নিৰ্বাচনী যুঁজখন অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। আনহাতে, কংগ্ৰেছ দলৰ পূৰ্বৰ শক্তিশালী ভেটি থকা সত্বেও মিত্ৰতাৰ স্বাৰ্থত এই সমষ্টি অসম জাতীয় পৰিষদ (অজাপ)ক এৰি দিয়া হৈছে। ফলত এইবাৰৰ নিৰ্বাচনত মূল প্ৰতিদ্বন্দ্বিতা এআইইউডিএফ আৰু অজাপৰ মাজত হ'ব বুলি ৰাজনৈতিক বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। স্থানীয় ৰাজনৈতিক বিশ্লেষক সকলৰ মতে, যুৱ সমাজৰ এই ধৰণৰ বৃহৎ পৰিমাণৰ সমৰ্থন লাভে এআইইউডিএফ দলক নিৰ্বাচনত শক্তিশালী অৱস্থান লাভ কৰাত সহায় কৰিব পাৰে। ইফালে, আন দলসমূহেও নিজৰ সংগঠন মজবুত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সামগ্ৰিকভাৱে বিন্নাকান্দি সমষ্টিত এই বাৰৰ নিৰ্বাচন উত্তেজনাপূৰ্ণ আৰু প্ৰতিদ্বন্দ্বিতামূলক হোৱাৰ পূৰ্ণ সম্ভাৱনা দেখা গৈছে।

## বাৰগঞাৰ বৈষ্ণৱে ল'লৈ নাম-প্ৰসঙ্গ

# নামনি মাজুলীৰ অভয়পুৰ গাঁৱৰ নৱনিৰ্মিত নামঘৰ উদ্বোধন

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ মাৰ্চ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ অভয়পুৰ গাঁৱৰ নৱ নিৰ্মিত নামঘৰটো আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ লগতে মাজুলীৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ দান-বৰঙণিৰে নিৰ্মাণ কৰা উক্ত নামঘৰটো আজি পুৱা দহ বজাত খোল তাল, ডবা, শংখ, আয়তিৰ উৰুলি আৰু হৰিধ্বনিৰ মাজত আজি এক আধ্যাত্মিক উৎসৱমুখৰ পৰিৱেশত উক্ত নৱ নিৰ্মিত নামঘৰটো উদ্বোধন কৰা হয়। মাজুলীৰ বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ চন্দন গোস্বামীয়ে ভগৱানক মন্ত্ৰপুত আৰু প্ৰাৰ্থনা কৰি আজি নামঘৰ ভাগিৰ মূল দুৱাৰ মুকলি কৰি শুভ উদ্বোধন কৰে। অভয়পুৰ গাঁৱৰ ৰাইজৰ সৌজন্যত অনুষ্ঠিত হোৱা উক্ত উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অজিত ভূঞাই। উক্ত নামঘৰ উদ্বোধনী অনুষ্ঠানত স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। নৱ নিৰ্মিত নামঘৰটো উদ্বোধনৰ পাছতে স্থানীয় বাৰগঞাৰ বৈষ্ণৱে নাম প্ৰসঙ্গ পৰিৱেশন কৰে। দীৰ্ঘ সময় ধৰি বৈষ্ণৱসকলে নাম কীৰ্তন পৰিৱেশন কৰাৰ পাছত ৰাইজে নতুন নামঘৰত আশীৰ্বাদ লয়। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ পাছত প্ৰসাদ বিতৰণ কৰা হয়। উদ্বোধনী অনুষ্ঠানত শলাগ জ্ঞাপন কৰে গাঁও পৰিচালনা সমিতিৰ সভাপতি লক্ষ্যজিত বৰা আৰু সম্পাদক ৰূপম ভূঞাই। উক্ত নৱনিৰ্মিত নামঘৰভাগিৰ আজি উদ্বোধনৰ পাছত ৰাইজৰ দীৰ্ঘদিনীয়া এটা অভাৱ পূৰণ হ'ল।

# বৰডুমচা কবি সন্মিলনৰ অষ্টম বৰ্ষপূৰ্তি আৰু চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, বৰডুমচা, ৩০ মাৰ্চ ঃ** মাৰ্ঘেৰিটা সমজিলাৰ মাধৱপুৰ বৰডুমচাত সদৌ অসম কবি সন্মিলনৰ বৰডুমচা শাখা হিচাপে প্ৰতিষ্ঠা লাভ কৰা বৰডুমচা কবি সন্মিলনৰ অষ্টম বৰ্ষপূৰ্তি আৰু চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনখনি বুঢ়ীদিহিং শতদল শাখা সাহিত্য সভাৰ শতাব্দী সংহতি ভৱনত দেওবাৰে দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। বৰডুমচা শাখা কবি সন্মিলনৰ সম্পাদক মণ্টু মৰাণে আঁত ধৰা এই কাৰ্যসূচীত পুৱা শাখাৰ সভাপতি নৱজ্যোতি তামোলীয়ে পতাকা উত্তোলন কৰে। বন্তি প্ৰজ্বলন কৰে মহাত্মা গান্ধী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পদ্মাৱতী মৰাণে। গছপুলি ৰোপণ কৰে প্ৰধান শিক্ষক ৰমেশ বৰুৱা আৰু সমাজসেৱক মহেন্দ্ৰ নেওগে। ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা কবিতা পাঠ আৰু আলোচনা চক্ৰত অসম-অৰুণাচলৰ ৫০গৰাকী আমন্ত্ৰিত কবিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোৰ সঞ্চালনা কৰে কবি-সাংবাদিক সুৰজিৎ বড়াই। অনুষ্ঠানত সন্মানিত অতিথিৰূপে উপস্থিত থাকে অসম সাহিত্য সভাৰ তিনিচুকীয়া জিলা প্ৰতিনিধি মোহন মৰাণে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়া জিলা কবি সন্মিলনৰ সভাপতি নিৰুপমা গোস্বামী আৰু কাব্যধ্বনি অসমৰ প্ৰধান সম্পাদক যোগেশ বিকাশ গগৈয়ে। বিয়লি নৱজ্যোতি তামোলীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে প্ৰতিষ্ঠাপক সভাপতি বাবুল বৰুৱাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক ছৈয়দ পাৰভেজ হুছেইন আৰু তিনিচুকীয়া জিলা কবি সন্মিলনৰ সম্পাদক পুলক কুমাৰ গগৈ। শাখাৰ মুখপত্ৰ 'সুগন্ধিত বৰষুণ' উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক কংকনজ্যোতি গোস্বামীয়ে। অধিৱেশনৰ লগত সংগতি ৰাখি 'মুনীন্দ্ৰ নাথ আচাৰ্য্য সোঁৱৰণী প্ৰজ্ঞা বঁটা' তালাপ নিবাসী প্ৰবন্ধকাৰ-শিক্ষক বীৰ্কে বাহাদুৰ থাপা, 'ডিব্ৰুপৰীয়া কবি বীৰেণ বৰুৱা উদীয়মান কাব্য প্ৰতিভা বঁটা' মাৰ্ঘেৰিটাৰ বৰ্ণালী গগৈ আৰু 'সুগন্ধিত শব্দৰ কবি যোগেশ্বৰ মৰাণ সোঁৱৰণী কাব্য বঁটা' ৰূপাই নিবাসী যুৱ কবি বিকিয়ান বাইলুঙক প্ৰদান কৰা হয়।

## লোকশিল্পী নাৰায়ণ কলিতা দেৱলৈ লোককৃষ্টি ৰত্ন বঁটা ২০২৬প্ৰদান

# লোককৃষ্টি কলা কেন্দ্ৰ ৰঙিয়াৰ লোকনৃত্য কৰ্মশালা ২০২৬ৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, ৰঙিয়া, ৩০ মাৰ্চ ঃ** ৰঙিয়াৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান লোককৃষ্টি কলা কেন্দ্ৰই বিগত ১৩ বছৰ ধৰি লোকনৃত্যৰ কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। এই বছৰতো ১৯ মাৰ্চৰ পৰা ২৭ মাৰ্চ ২০২৬ লৈ লোকনৃত্য কৰ্মশালাৰ আয়োজন কৰা হৈছিল। এই কৰ্মশালাৰ যোৱা ২৭ মাৰ্চ তাৰিখে হোৱা সামৰণি অনুষ্ঠানৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰে কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা লোককৃষ্টি কলা কেন্দ্ৰ ৰঙিয়াৰ কাৰ্যকৰী সভাপতি জয়ন্ত জিত কলিতা। কলিতাই তেখেতৰ ভাষণত কয় প্ৰাণৰ শিল্পী জুবিনদা প্ৰতি গৰাকী অসমীয়াৰ হৃদয়ত মৰমৰ এপাহি ফুল হৈ ফুলি থাকিব এগছি বন্তি হৈ পোহৰাই থাকিব লগতে উপস্থিত সকলো ৰাইজে মায়াবিনী গানেৰে শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু ন্যায়ৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে জ্যেষ্ঠ নাগৰিক দেৱকান্ত ডেকা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমা দেৱী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰিনা কলিতা মহন্ত, ৰেলৱে বিষয়া কুশল কলিতা, শিক্ষক মোকেশ লহকৰ, কবি তথা ৰণদিয়া শতদল সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক উজ্জ্বল ডেকা, কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদ উপ-সমিতিৰ আহ্বায়ক তথা ৰণদিয়া শতদল সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক হেমন্ত কলিতা, সংগম সংঘৰ সভাপতি চন্দন ডেকা, সংগম সংঘৰ কাৰ্যনিৰ্বাহক অঞ্জন ভট্ট, মধ্য ৰঙিয়া ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সভাপতি বিপুল ডেকা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ৰঙিয়া নগৰ পৰিচালক ভগীৰথ কলিতা, সমাজ সেৱক মৃদুল চৌধুৰী, সাংবাদিক দীপক কলিতা আৰু দীনেশ আগৰৱালা। কৰ্মশালাৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ক্ৰমে বৰবিহুৱা গৌতম দাস, কন্দৰ্প দাস, ৰূপম ডেকা, বিশ্বজিৎ কলিতা, সমীৰ কুমাৰ চেতিয়া, বিহুৱতী অনন্যা ফুকন, ডিম্পী হালৈ, জ্যোতিৰূপা দাস, প্ৰীতি দলে আৰু আমন্ত্ৰিত প্ৰশিক্ষক লতাশিল বিহু সম্ৰাজ্ঞী প্ৰতীক্ষা ৰাণী বৰগোহাঁই আৰু নৃত্য পৰিচালক বিহুৱতী জলী বৰা। অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলে বিহু নাচ, বিহু ঢোলৰ সুন্দৰ প্ৰদৰ্শন কৰি ৰাইজৰ আশীৰ্বাদ বুটলিবলৈ সক্ষম হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰয়াত প্ৰাণজিত কুমাৰ শৰ্মা সোঁৱৰণী "লোককৃষ্টি ৰত্ন বঁটা ২০২৬" প্ৰদান কৰা হয় অনাতাঁৰ শিল্পী দোতাৰা বাদক, কামৰূপী লোকগীত শিল্পী নাৰায়ণ কলিতা দেৱলৈ। বঁটা প্ৰদান কৰে প্ৰয়াত প্ৰাণজিত কুমাৰ শৰ্মাৰ মাতৃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমা দেৱী, পৰিয়ালবৰ্গ আৰু সভাপতি পুলকেশ ডেকাই। এই বৰ্ষত বিভিন্ন প্ৰতিযোগিতাত বিজয়ী হৈ অনুষ্ঠানটোৰ লগতে ৰঙিয়ালৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয় লগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীক প্ৰমাণ পত্ৰ বিতৰণ কৰে অতিথি সকলে। শেষত সম্পাদক ৰূপম ডেকাই সকলোকে শলাগৰ শৰাই আগবঢ়ায় অনুষ্ঠানৰ সামৰণি মাৰে।

# নগাঁও জিলাত তিনিদিনীয়া ড্ৰাই ডে' ঘোষণা

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ মাৰ্চ ঃ** বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলাত অহা ৭ এপ্ৰিলৰ পৰা তিনিদিনীয়া ড্ৰাই ডে, অৰ্থাৎ সুৰা নিষিদ্ধ দিন ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ দেৱাশিস শৰ্মাই আজি জাৰি কৰা এই নিৰ্দেশনা অনুসৰি আগন্তুক ৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি ৫ বজা পৰ্যন্ত আৰু ভোট গণনাৰ দিনা অৰ্থাৎ ৪ মে'ত প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত সমগ্ৰ জিলাখনত সুৰা বিক্ৰী, বিতৰণ আৰু মজুতকৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ থাকিব। জন প্ৰতিনিধিত্ব আইন ১৯৫১-ৰ ধাৰা ১৩৫ (চি) আৰু অসম আবকাৰী নিয়মাৱলী ২০১৬ৰ নিয়ম ৩২৬ (এ) মৰ্মে জিলাৰ সকলো দেশত নিৰ্মিত বিদেশী সুৰাৰ পাইকাৰী গুদাম, খুচুৰা দোকান, বাৰ আদি বন্ধ থাকিব লাগিব। হোটেল, ক্লাৱ আৰু ভোজনালয়কে ধৰি যিকোনো ৰাজহুৱা বা ব্যক্তিগত স্থানত নিচাজাতীয় দ্ৰব্যৰ ব্যৱহাৰ বন্ধ ৰখাৰ কঠোৰ নিৰ্দেশ দিয়া হৈছে। এই চৰকাৰী আদেশ অমান্য কৰিলে বা অবৈধভাৱে সুৰা মজুত কৰি ৰাখিলে সংশ্লিষ্ট আইনৰ অধীনত দোষীৰ বিৰুদ্ধে বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# জেংৰাইমুখত লোমহৰ্ষক হত্যাকাণ্ড; এগৰাকী মহিলা থিতাতে নিহত

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ মাৰ্চ ঃ** মাজুলী জেংৰাইমুখ আৰক্ষী থানাৰ অন্তৰ্গত মাজৰ দেউৰী গাঁৱত আজি সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডত এগৰাকী বিশ বছৰীয়া যুৱতী থিতাতে নিহত হয়। এই ঘটনাত নিহত যুৱতীগৰাকীৰ নাম হৈছে নিকিতা মণ্ডল। নিহত মহিলা গৰাকী জেংৰাইমুখ থানাৰ অন্তৰ্গত মাজ দেউৰী গাঁৱৰ নিবাসী ৰবিন্দ্ৰ মণ্ডল আৰু আলু মণ্ডলৰ কন্যা বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে মাজুলী অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত এটা আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ বৰ্তমান তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ঘটনা খবৰ অনুসৰি মাজ দেউৰী গাঁৱৰ নিবাসী ৰবিন্দ্ৰ মণ্ডলৰ কন্যা নিশ্চিতা মণ্ডলৰ ককা বেলাই দাসৰ ঘৰ মাজ দেউৰী গাঁৱতে। সেইকাৰণে নিশ্চিতা মণ্ডলে তেওঁৰ ককাৰ ঘৰতে প্ৰায় থাকে। আনদিনৰ দৰে আজিও ককাৰ ঘৰতে আছিল নিশ্চিতা। যিহেতু আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এখন নিৰ্বাচনী সভা আজি মাজুলী গড়মূৰত আছিল। উক্ত সভালৈ বেলাই দাস গৈছিল আৰু আইতা পুতলী দাসেও ঘৰত নাছিল। ফলত কেৱল নিশ্চিতা মণ্ডলে ঘৰখনত থকা সময়ছোৱাতে এই লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাটো সংঘটিত হয়। মুখ্যমন্ত্ৰী সভা সামৰি ঘৰত উপস্থিত হওতে সময় হৈছিল প্ৰায় ডেৰ বজাত। তেতিয়ালৈ মুমূৰ্ষু অৱস্থাত উদ্ধাৰ হোৱা নিশ্চিতাৰ ডিঙিত কঠাৰীৰে আঘাত কৰাৰ চিন ধৰা পেলাই কাপোৰেৰে মেৰিয়াই জেংৰাইমুখ আদৰ্শ চিকিৎসালয়লৈ লৈ অনা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইয়াৰ পিছতে মৰণোত্তৰ পৰীক্ষাৰ বাবে পীতাম্বদেৱ গোস্বামী জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইপিনে নিকিতা দাস প্ৰায় তিনি বছৰৰ পূৰ্বে ঢকুৱাখনাৰ এজন ব্যক্তিৰ লগত বিবাহ পাশত আবদ্ধ হৈছিল। এজন পুত্ৰৰ মাতৃ নিকিতা আৰু ঢকুৱাখানাৰ যুৱক জনৰ লগত বিবাহ বিচ্ছেদ হৈ বৰ্তমান নিজৰ পিতৃ-মাতৃৰ ঘৰতে আছিলেগৈ বুলি জানিব পৰা গৈছে।

# জাগীৰোড সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ বিজপিৰ

সমষ্টিৰ দেওশাল আঞ্চলিক খেলপথাৰত দলটোৰ এক বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হৈছে। এই সভাত জাগীৰোড সমষ্টিৰ বিজেপি প্ৰাৰ্থী পীযুষ হাজৰিকাৰ সমৰ্থনত উপস্থিত থাকে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন। 'বিজয় সংকল্প যাত্ৰা'ৰ অংশ হিচাপে অনুষ্ঠিত এই জনসভাত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলীয় কৰ্মী আৰু সমৰ্থকসকলক উদ্বুদ্ধ কৰে। হাজাৰ হাজাৰ লোকৰ উপস্থিতিয়ে জাগীৰোড সমষ্টিত বিজেপিৰ প্ৰতি জনসমৰ্থন যথেষ্ট শক্তিশালী হোৱাৰ স্পষ্ট প্ৰতিফলন ঘটাইছে। ভাষণ প্ৰসংগত নীতিন নবীনে ৰাজ্য আৰু দেশৰ উন্নয়নৰ ক্ষেত্ৰত বিজেপি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু আঁচনিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ আগন্তুক বিধানসভা নিৰ্বাচনত জাগীৰোড সমষ্টিত পুনৰ বিজেপিক সমৰ্থন জনোৱাৰ আহ্বান জনায়। সভাত ভাষণ দি পীযুষ হাজৰিকাই আৱেগপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, "জাগীৰোডবাসী মোৰ পৰিয়াল। মই য'তে নাথাকোঁ কিয়, সদায় জাগীৰোডৰ কাৰণেই চিন্তা কৰোঁ। জাগীৰোডৰ মানুহে মোক বহুত ভাল পায়। নিৰ্বাচনী প্ৰচাৰৰ বাবে নাহিলেও হ'ব বুলি কয়।" তেওঁৰ এই মন্তব্যই সমষ্টিটোৰ ৰাইজৰ সৈতে তেওঁৰ ঘনিষ্ঠ আৰু আবেগিক সম্পৰ্কৰ স্পষ্ট ইংগিত দিয়ে। উল্লেখযোগ্য যে, এইবাৰ অসম বিধানসভা নিৰ্বাচনত জাগীৰোড আৰু মৰিগাঁও জিলাত বিজেপিয়ে অধিক জোৰদাৰ প্ৰচাৰ অভিযান চলাইছে। দেওশাল খেলপথাৰত অনুষ্ঠিত এই বৃহৎ জনসভাই আগন্তুক নিৰ্বাচনৰ পূৰ্বে দলটোৰ সাংগঠনিক শক্তি আৰু জনসমৰ্থন প্ৰদৰ্শনৰ এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হৈছে। স্থানীয় ৰাইজৰ মতে, বিগত বছৰসমূহত জাগীৰোড সমষ্টিত চলা উন্নয়নমূলক কাম-কাজ আৰু শক্তিশালী নেতৃত্বৰ ওপৰত ভৰসা কৰি বিজেপিৰ প্ৰতি সমৰ্থন দিনক দিনে বৃদ্ধি পাইছে। আগন্তুক দিনসমূহত জাগীৰোড সমষ্টিত ৰাজনৈতিক পৰিস্থিতি অধিক চাঞ্চল্যকৰ হোৱাৰ সম্ভাৱনা দেখা গৈছে।

## বিধায়ক পদ ত্যাগ বিজেপিৰ

পদত্যাগ পত্ৰ প্ৰেৰণ কৰাৰ পিছত সঞ্জয় সৰাবগীয়ে সেই পত্ৰ বিহাৰ বিধানসভাৰ অধ্যক্ষ প্ৰেম কুমাৰৰ ওচৰত দাখিল কৰে। নীতিন নবীন বৰ্তমান অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰত ব্যস্ত থকাৰ বাবে ব্যক্তিগতভাৱে উপস্থিত থাকিব নোৱাৰি পদত্যাগ পত্ৰ প্ৰেৰণ কৰিবলগীয়া হৈছিল। বিজেপিৰ ৰাজ্যিক সভাপতি সঞ্জয় সৰাবগীয়ে জানিবলৈ দিয়ে যে নীতিন নবীনে কালি তেওঁলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছিল আৰু আজি সময়মতে সেই পত্ৰ অধ্যক্ষৰ ওচৰত দাখিল কৰা হৈছে। বিহাৰ বিধানসভাৰ অধ্যক্ষ প্ৰেম কুমাৰে পদত্যাগ পত্ৰ গ্ৰহণ কৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণৰ কথা জানিবলৈ দিছে। তেওঁ কয়, "বিহাৰ বিধানসভাৰ সদস্য নীতিন নবীনৰ পদত্যাগ বিজেপিৰ ৰাজ্যিক সভাপতি সঞ্জয় সৰাবগীৰ জৰিয়তে লাভ কৰিছো। আমি পদত্যাগ পত্ৰ গ্ৰহণ কৰি পৰৱৰ্তী ব্যৱস্থাৰ বাবে আগবাঢ়িছো।" নীতিন নবীন বিহাৰৰ ৰাজ্যসভাৰ নিৰ্বাচনত এনডিএৰ প্ৰাৰ্থী হিচাপে জয়লাভ কৰিছে। সংবিধান অনুসৰি ৰাজ্যসভাৰ সদস্য হ'লে ১৪ দিনৰ ভিতৰত বিধানসভাৰ সদস্যপদ ত্যাগ কৰাটো বাধ্যতামূলক। সেই অনুসৰি তেওঁ আজি পদত্যাগ কৰিছে। পদত্যাগৰ পিছত নীতিন নবীনে বাংকীপুৰ আৰু বিহাৰৰ ৰাইজলৈ এক আৱেগিক বাৰ্তা প্ৰকাশ কৰিছে। তেওঁ বাংকীপুৰক নিজৰ পৰিয়াল বুলি আখ্যা দি লিখিছে, "বাংকীপুৰ আৰু বিহাৰৰ মোৰ পৰিয়ালৰ সকলো সদস্য আৰু সহকৰ্মীসকল... ২০০৬ চনৰ জানুৱাৰী মাহত মোৰ পিতৃৰ আকস্মিক মৃত্যুৰ পিছত দলটোৱে মোক পশ্চিম পাটনাৰ পৰা উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সুযোগ দিছিল। ২০০৬ চনৰ ২৭ এপ্ৰিলত মই প্ৰথমবাৰৰ বাবে পশ্চিম পাটনা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ মোৰ সামাজিক আৰু ৰাজনৈতিক কেৰিয়াৰ আৰম্ভ কৰিছিলো।" তেওঁ আৰু লিখিছে, "বিগত ২০ বছৰ ধৰি মই অবিৰতভাৱে কাম কৰি আহিছো। মোৰ দেউতা প্ৰয়াত নবীন কিশোৰ প্ৰসাদ সিনহাই সৃষ্টি কৰা এই অঞ্চলটোক পাৰিবাৰিক অনুভৱেৰে উন্নয়নৰ ক্ষেত্ৰত আগুৱাই নিবলৈ চেষ্টা কৰিলোঁ। মই সদায় মোৰ অঞ্চল আৰু বিহাৰৰ উন্নয়নৰ বাবে নিষ্ঠাৰে কাম কৰি আহিছো। ফলস্বৰূপে এই ঠাইৰ ৰাইজে মোক একেৰাহে পাঁচবাৰ সদনত নিজৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সৌভাগ্য প্ৰদান কৰিছে।" নীতিন নবীনে পত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নেতৃত্বৰ প্ৰশংসা কৰি কয়, "মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মাননীয় মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নেতৃত্বত যেতিয়া দলে মোক বিহাৰ চৰকাৰত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ দিছিল, তেতিয়া মই বহু গুৰুত্বপূৰ্ণ সিদ্ধান্ত, নীতি আৰু আঁচনি ৰূপায়ণ কৰাত সফল হৈছিলো। ইয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো।" তেওঁ আৰু লিখিছে, "জনসাধাৰণে মোক সমস্যাৰ বিষয়ে জনাইছিল আৰু মোক সেইবোৰ সমাধানৰ পথ দেখুৱাইছিল। শ্ৰমিকসকলে মোক আজি ভাই হিচাপে, পৰিয়ালৰ সদস্য হিচাপে আৰু অভিভাৱক হিচাপে মোৰ হাতত ধৰি এই পদলৈ লৈ গৈছে। মই পাটনা আৰু বিহাৰৰ ৰাইজক আশ্বস্ত কৰিছো যে তেওঁলোকে মোক দিয়া পৰিয়ালৰ অনুভৱক মই সদায় সন্মান কৰিম।" পদত্যাগ পত্ৰত নীতিন নবীনে কয়, "আজি মই বাংকীপুৰ সমষ্টিৰ পৰা বিহাৰ বিধানসভাৰ নিৰ্বাচিত সদস্য হিচাপে পদত্যাগ কৰিছো। দলে মোক দিয়া নতুন ভূমিকাৰ জৰিয়তে মই মোৰ সমষ্টি আৰু বিহাৰৰ উন্নয়নৰ প্ৰতি দায়বদ্ধ আৰু সদায়ে একেদৰে দায়বদ্ধ হৈ থাকিম। মোৰ কৰ্মী আৰু বিহাৰৰ জনসাধাৰণৰ সৈতে মোৰ যি অবিচ্ছেদ্য বন্ধন আছে, সেয়া চিৰদিন বৰ্তি থাকিব আৰু মোক নৱ শক্তি, প্ৰেৰণা আৰু পথ প্ৰদৰ্শন কৰিব।" তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত আৰু বিকশিত বিহাৰ গঢ়ি তোলাৰ দিশত চেষ্টা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি দিছে।

## জুবিন দাৰ হত্যাৰ লগত

চাংমাই গোহাঁই গাঁৱৰ মৌজাচুক প্ৰেক্ষাগৃহত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত লুৰীণজ্যোতি গগৈয়ে কয়, "হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ পূৰ্বে কৈছিল যে জুবিন গাৰ্গক ন্যায় দিব নোৱাৰিলে ভোট নিদিব। এতিয়া ৯ তাৰিখৰ নিৰ্বাচনৰ আগতে জুবিনদাক ন্যায় দিব নোৱাৰে, কাৰণ জুবিনদাৰ হত্যাৰ লগত জড়িত মানুহবোৰ হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ মানুহ।" তেওঁ লগতে অভিযোগ কৰে যে জুবিন গাৰ্গৰ হত্যাৰ বিষয়টোক লৈ বিজেপি আৰু মুখ্যমন্ত্ৰীয়ে ৰাজনীতি কৰিছে। নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পিছতহে ফাষ্ট ট্ৰেক আদালত আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি লুৰীণজ্যোতি গগৈয়ে কয়, "জুবিনদাৰ ন্যায়ৰ বিষয়টো বিফল কৰিবলৈ মুখ্যমন্ত্ৰীয়ে কূট-কৌশল ৰচনা কৰিছে।" সভাত খোৱাং সমষ্টিৰ উন্নয়নৰ বিষয়ে কথা পাড়ি লুৰীণজ্যোতি গগৈয়ে কয়, "নতুন পৰিকল্পনাৰে খোৱাং সমষ্টিক আগবঢ়াই নিব খুজিছোঁ। ৰাইজে আশীৰ্বাদ কৰিলে মই ৰাইজৰ মৰম আৰু ভালপোৱা কেতিয়াও অথলে যাবলৈ নিদিওঁ।" তেওঁ আৰু কয় যে ৰাইজৰ পৰিৱৰ্তনকামী চিন্তা অতি শক্তিশালী হৈ উঠিছে আৰু নিৰ্বাচনৰ দিনলৈকে এই উৎসাহ বজায় থাকিব। মূল্যবৃদ্ধি, ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰা, ছয় নং দফা কাৰ্যকৰী নকৰা, বান আৰু গৰাখহনীয়াৰ সমস্যা সমাধান নকৰা আদি বিভিন্ন বিষয় উল্লেখ কৰি তেওঁ কয় যে এইবাৰ ৰাইজে ইভিএমৰ জৰিয়তে এই অন্যায়ৰ প্ৰতিফল দিব। বিৰোধী ঐক্যবদ্ধ হোৱাৰ বাবে পৰিৱেশ অনুকূল হৈছে বুলিও তেওঁ উল্লেখ কৰে। লুৰীণজ্যোতি গগৈয়ে সভাত জানিবলৈ দিয়ে যে অহা ১ এপ্ৰিলত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে খোৱাং সমষ্টিৰ লেপেটকতা খেলপথাৰত বিশাল জনসভাত ভাষণ দিব। তেওঁ কয়, "প্ৰিয়ংকা গান্ধীৰ উপস্থিতিয়ে আমাৰ কৰ্মীসকলৰ মনোবল আৰু বৃদ্ধি কৰিব।" উল্লেখ্য যে সোমবাৰে দুলীয়া কাকতি মণ্ডল আৰু বৰবৰুৱা মণ্ডলত দহখনকৈ নিৰ্বাচনী প্ৰচাৰ সভা চলাই লুৰীণজ্যোতি গগৈয়ে খোৱাং সমষ্টিত বিৰোধী শক্তিৰ সমৰ্থন বিচাৰিছে।

## অখিল গগৈৰ দৰে ভণ্ড

সংবাদমাধ্যমৰ আগত অতুল বৰাই কয়, "অখিল গগৈৰ দৰে ভণ্ড মানুহ মই ক'তো দেখা নাই। ঠগাৰ 'আৰ্ট' তেওঁ ভালকৈ জানে।" তেওঁ অখিল গগৈক বামপন্থী নেতা বুলি অভিহিত কৰি কয় যে তেওঁ নিজৰ স্থিতি স্পষ্ট কৰিব লাগে যে আচলতে কোন পন্থীৰ মানুহ। অতুল বৰাই কয়, "অখিল গগৈয়ে আঞ্চলিকতাবাদৰ নাম লৈ যি দলৰ সৈতে মিত্ৰতা কৰিলে, সেই দলৰ শাসনকালতেই অসমত ৮৬০ গৰাকী শ্বহীদ হৈছিল। ইয়াৰ পাছতো তেওঁ মোক আঞ্চলিকতাবাদ শিকাবলৈ আহিছে।" তেওঁ লগতে কয় যে অখিল গগৈ এজন বামপন্থী নেতা আৰু তেওঁ নিজৰ প্ৰকৃত ৰাজনৈতিক স্থিতি ৰাইজৰ আগত স্পষ্ট কৰিব লাগে। বিধানসভাৰ কাৰ্যকালৰ কথা উল্লেখ কৰি অতুল বৰাই কয়, "নিৰ্বাচন আহিলে অখিল গগৈৰ লম্ফজম্ফ বেছি হয়। শিৱসাগৰত তেওঁৰ দিনত কি উন্নয়ন হ'ল? বিধানসভাৰ মজিয়াত যি অসভ্য আচৰণ কৰিছিল সেয়া নজিৰবিহীন।" তেওঁ প্ৰশ্ন কৰে— বিধানসভাত অখিল গগৈয়ে কৃষকৰ কথা কৈছিল নেকি? অতুল বৰাই আৰু কয়, "অখিল গগৈয়ে যি ৰাজনৈতিক দলৰ লগ লাগিল, সেই দলৰ চৰকাৰ অসমত থকা সময়ত ৮৬০ গৰাকীক হত্যা কৰা হৈছিল। তথাপি তেওঁ আঞ্চলিকতাবাদৰ কথা কয়। মানুহে এনেকুৱা ভাও ধৰিব পাৰে বুলি মই আচৰিত হওঁ।" অগপ নেতাগৰাকীয়ে কয় যে তেওঁলোক ভাৰতীয় জনতা পাৰ্টীৰ লগত আছে কাৰণ বিজেপিয়ে অসম আন্দোলনত সহযোগিতা কৰিছিল। প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী অসমলৈ আহিছিল। কিন্তু অখিল গগৈয়ে বিৰোধী ঐক্যৰ নামত কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰি এতিয়া ডাংকোপ মাৰিছে বুলি তেওঁ অভিযোগ কৰে। "বিধানসভাত বান্দৰ জাপ দিয়া দেখি শিৱসাগৰবাসী লজ্জিত হৈছে। বিগত পাঁচ বছৰে ক্ষমতাৰ সোৱাদ পাই অখিল গগৈয়ে পূৰ্বে কৰা আন্দোলনতকৈ ইয়াত বেছি ভাল পাইছে," বুলি অতুল বৰাই কয়। তেওঁ অখিল গগৈক 'বলিয়া' বুলিও অভিহিত কৰে। উল্লেখ্য যে, বোকাখাত বিধানসভা সমষ্টিত অগপৰ প্ৰাৰ্থী হিচাপে অতুল বৰাই প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু শিৱসাগৰত ৰাইজৰ দলৰ হয়ে অখিল গগৈ প্ৰাৰ্থী হৈছে। নিৰ্বাচনৰ মাজতে দুয়োগৰাকী নেতাৰ মাজত চলি থকা এই তীব্ৰ বাকযুদ্ধই ৰাজনৈতিক পৰিৱেশ গৰম কৰি তুলিছে।

## অৱশেষত ফাষ্ট ট্ৰেক আদালতত

অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই আজি নিজৰ পক্ষত যুক্তি দাঙি ধৰিছে। কাইলৈ (৩১ মাৰ্চ) পুৱা ১০: ৩০ বজাত শ্যামকানু মহন্তৰ অধিবক্তাই আৰু দুপৰীয়া ২ বজাত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই যুক্তি দাঙি ধৰিব। অভিযুক্তসকলৰ অধিবক্তাৰ যুক্তি শেষ হোৱাৰ পিছত চৰকাৰী অধিবক্তাই পুনৰ যুক্তি উপস্থাপন কৰিব। জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰাই জব্দকৃত মোবাইল ফোন বিচাৰি কৰা আবেদন আদালতে খাৰিজ কৰিছে বুলিও চৰকাৰী অধিবক্তাই উল্লেখ কৰে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সংবাদমাধ্যমৰ আগত কয়, "গোচৰটো ক্ষিপ্ৰতাৰে আগবাঢ়িব বুলি আশা কৰিছোঁ। সোনকালে সমাধান পোৱা যাব বুলি বিশ্বাস কৰোঁ।" তেওঁ লগতে কয়, "আমি সকলো কথা বিশ্বাস আৰু আস্থাৰে লৈ আছোঁ। জুবিনৰ যি ন্যায্য অধিকাৰ সেইটো তেওঁ পাওক। বিচাৰ প্ৰক্ৰিয়া কটকটীয়া হওক। এটা নতুন প্ৰক্ৰিয়া আৰম্ভ হৈছে, আমি বিচৰা মতে সকলো হওক।" জুবিন গাৰ্গৰ সহযোগী বাদ্যযন্ত্ৰী পাৰ্থ প্ৰতিম গোস্বামীয়ে কয়, "ছিংগাপুৰৰ কৰ'নাৰ্ছ ক'ৰ্টে এনে ৰিপ'ৰ্ট দিব বুলি আমি আগতেই অনুমান কৰিছিলোঁ। ছিংগাপুৰ আৰক্ষীয়ে কোন শ্যামকানু বা সিদ্ধাৰ্থক নাজানে। অসমৰ পৰা পৰিকল্পনা কৰিয়েই জুবিন গাৰ্গক পানীলৈ নিয়া হৈছিল। ছিংগাপুৰ আদালতে সেই কথা নাজানে। ছিংগাপুৰৰ ৰায়ক লৈ আমি নিৰাশ হ'ব নালাগে। আমি 'জয় হ'ম' বুলি আশাবাদী।" তেওঁ আৰু কয়, "প্ৰথম অৱস্থাত আমাৰ বৰ দুখ লাগিছিল। দুমাহত দুটা গোচৰত আমি হাৰিছিলোঁ। আজি এটা ভাল দিন। আজিৰ পৰা ফাষ্ট ট্ৰেক আদালত আৰম্ভ হৈছে।" পাৰ্থ প্ৰতিম গোস্বামীয়ে জুবিন গাৰ্গৰ হত্যা গোচৰত প্ৰবাসী অসমীয়াসকলক কিয় এৰি দিয়া হৈছে সেই বিষয়ে প্ৰশ্ন উত্থাপন কৰি কয় যে জুবিন গাৰ্গে ন্যায় নিশ্চয় পাব। তেওঁ লগতে অভিযোগ কৰে যে জুবিন গাৰ্গক লৈ ৰাজনীতি কৰা হৈছে, কিন্তু জুবিন গাৰ্গৰ আগত কোনো টিকি নোৱাৰে। উল্লেখ্য যে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ নেতৃত্বত গঠিত ফাষ্ট ট্ৰেক আদালতে সোমবাৰৰ পৰা দৈনন্দিন ভিত্তিত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি গ্ৰহণ কৰিব। অসম চৰকাৰৰ আহ্বান অনুসৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে বাক্সা জিলা আৰু সত্ৰ ন্যায়াধীশ শৰ্মিলা ভূঞাক ফাষ্ট ট্ৰেক আদালতৰ বাবে মনোনীত কৰিছিল। যোৱা ২৬ মাৰ্চত উচ্চ ন্যায়ালয়ে তেওঁক বা'ৰ পৰা গুৱাহাটীলৈ বদলি কৰাৰ নিৰ্দেশ দিয়ে। সেই অনুসৰি ন্যায়াধীশ ভূঞাই সোমবাৰৰ পৰা ফাষ্ট ট্ৰেক আদালতৰ দায়িত্ব গ্ৰহণ কৰি শুনানি আৰম্ভ কৰে।

## বিধান পৰিষদৰ সদস্য পদ ত্যাগ নীতিশ কুমাৰৰ

বিধানসভাৰ সদস্যপদ ত্যাগ কৰিব লাগে। যদি এনে নকৰে তেন্তে ৰাজ্যসভাৰ সদস্যপদ স্বয়ংক্ৰিয়ভাৱে বাতিল হৈ যায়। নীতিশ কুমাৰে ১৬ মাৰ্চত নিৰ্বাচনী প্ৰমাণপত্ৰ লাভ কৰিছিল আৰু আজি ১৪ দিনৰ সময়সীমা সমাপ্ত হোৱাত পদত্যাগ কৰে। তেওঁ ১০ এপ্ৰিলত ৰাজ্যসভাৰ সদস্যপদ গ্ৰহণ কৰিব পাৰিব। বিহাৰ বিধান পৰিষদৰ অধ্যক্ষ আৱধেশ নাৰায়ণ সিঙে জনাইছে যে পুৱা মুখ্যমন্ত্ৰী নীতিশ কুমাৰক সৌজন্যৰে আহ্বান জনোৱা হৈছিল। তেওঁ পদত্যাগ পত্ৰ দাখিল কৰিছে আৰু প্ৰক্ৰিয়া চলি আছে। অধ্যক্ষই কয়, "তেওঁৰ বিদায় লোৱাত বিহাৰ দুখী। আজি বিহাৰক উন্নত ৰাজ্যসমূহৰ ভিতৰত গণ্য কৰা হয়। তেওঁৰ পদত্যাগ গ্ৰহণ কৰা হৈছে।" আসনখন খালী হোৱা কথা শীঘ্ৰে ঘোষণা কৰা হ'ব। নীতিশ কুমাৰে প্ৰথমবাৰৰ বাবে ২০০৬ চনত বিধান পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। তাৰ পিছত ২০১২, ২০১৮ আৰু ২০২৪ চনত একেৰাহে চাৰিটা কাৰ্যকাল তেওঁ এই পদত অধিষ্ঠিত আছিল। বিধান পৰিষদৰ সদস্যপদ ছয় বছৰীয়া হয়। আজি পদত্যাগ কৰি তেওঁ এই দীঘলীয়া ৰাজনৈতিক যাত্ৰাৰ অন্ত পেলাইছে। ২০০৫ চনৰ নৱেম্বৰ মাহত প্ৰথমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা নীতিশ কুমাৰে বিধান পৰিষদৰ জৰিয়তে মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈছিল। ১৯৮৫ চনত হৰনৌতৰ পৰা বিধায়ক নিৰ্বাচিত হোৱাৰ পিছত তেওঁ লোকসভাৰ সদস্য আৰু কেন্দ্ৰীয় মন্ত্ৰী হিচাপেও দায়িত্ব পালন কৰিছিল। কিন্তু মুখ্যমন্ত্ৰী হোৱাৰ পাছত তেওঁ বিধানসভাতকৈ বিধান পৰিষদৰ সদস্যপদক অগ্ৰাধিকাৰ দি আহিছে। ৰাজ্যসভাৰ সদস্যপদ গ্ৰহণ কৰাৰ লগে লগে নীতিশ কুমাৰ এতিয়া চাৰিওখন সদনৰ সদস্য হ'ব। তেওঁ ইতিমধ্যে বিধানসভা (বিধায়ক), লোকসভা (সাংসদ) আৰু বিধান পৰিষদৰ সদস্য আছিল। এয়া তেওঁৰ ৰাজনৈতিক জীৱনৰ এক অনন্য কৃতিত্ব বুলি বিবেচিত হৈছে। বিধান পৰিষদৰ পৰা পদত্যাগ কৰাৰ পিছতো নীতিশ কুমাৰে ছয় মাহলৈকে মুখ্যমন্ত্ৰী পদত থাকিব পাৰিব। সাংবিধানিক বিধান অনুসৰি বিধানসভা বা বিধান পৰিষদৰ সদস্য নোহোৱাকৈয়ে এই সময়ছোৱাত মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিব পাৰে। এই ছয় মাহৰ ভিতৰত তেওঁ হয় বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি সদস্যপদ ল'ব লাগিব, নহ'লে আন কোনো ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ১৯৮৫ চনৰ পৰা আৰম্ভ হোৱা নীতিশ কুমাৰৰ ৰাজনৈতিক যাত্ৰাত ৰাজ্যসভাত প্ৰৱেশৰ লগে লগে এক নতুন অধ্যায়ৰ সূচনা হৈছে। ১০ এপ্ৰিলত ৰাজ্যসভাৰ সদস্যপদ গ্ৰহণ কৰাৰ পাছত এই নতুন পৰ্যায় আৰম্ভ হ'ব।

## চৰকাৰী বিদ্যালয় হৈ

অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, বিদ্যালয়খনৰ এটা শ্ৰেণীকোঠাত বিজেপিৰ পতাকা আৰু বেনাৰ লগাই মধ্য গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজয় গুপ্তাৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলোৱা হৈছিল। শিক্ষা প্ৰতিষ্ঠানৰ ভিতৰত ৰাজনৈতিক কাৰ্যকলাপ চলোৱাৰ ঘটনাই স্থানীয় ৰাইজ আৰু অভিভাৱকসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সংবাদমাধ্যমৰ লোক উপস্থিত হোৱাৰ পাছতে বিজেপিৰ লোকসকলে পতাকা আৰু বেনাৰ সলনি কৰি ঠাই সলনি কৰা বুলিও অভিযোগ উঠিছে। এই ঘটনাৰ পাছতে কামৰূপ জিলা নিৰ্বাচনী বিষয়াই তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰি ৰূপনগৰ বিদ্যাপীঠ এম ই স্কুলৰ প্ৰধান শিক্ষকলৈ কাৰণ দৰ্শোৱা জাননী জাৰি কৰিছে। জাননীত ২৪ ঘণ্টাৰ ভিতৰত ঘটনাৰ বিষয়ে স্পষ্টীকৰণ দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে, নিৰ্বাচন আয়োগৰ নিয়ম অনুসৰি শিক্ষা প্ৰতিষ্ঠানসমূহত কোনো ধৰণৰ ৰাজনৈতিক প্ৰচাৰ বা সভা-সমিতি অনুষ্ঠিত কৰা সম্পূৰ্ণৰূপে নিষিদ্ধ। এই নিয়ম ভংগ কৰাৰ অভিযোগত জিলা প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজ আৰু অভিভাৱকসকলে এই ঘটনাক গুৰুতৰভাৱে লৈছে আৰু শিক্ষা প্ৰতিষ্ঠানক ৰাজনৈতিক কাৰ্যকলাপৰ পৰা মুক্ত ৰাখিবলৈ দাবী জনাইছে। বৰ্তমানে ঘটনাৰ তদন্ত চলি আছে আৰু জিলা নিৰ্বাচনী বিষয়াৰ পৰা চূড়ান্ত ব্যৱস্থাৰ অপেক্ষা কৰা হৈছে।

## আজি মুকলি হ'ব বিজেপিৰ সংকল্প পত্ৰ

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে এই সংকল্প পত্ৰ উন্মোচন কৰিব। বাজপেয়ী ভৱনত পুৱা ৮: ৩০ বজাত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে অসমৰ বাবে বিজেপিৰ দৃষ্টিভংগী আৰু প্ৰতিশ্ৰুতিসমূহ প্ৰকাশ কৰিব। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি সংবাদমেল যোগে এই কথা ঘোষণা কৰে। তেওঁ কয় যে সংকল্প পত্ৰখনত অসমৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ আৰু প্ৰতিশ্ৰুতি স্থান পাব। উক্ত অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া উপস্থিত থাকিব। ইয়াৰ জৰিয়তে দলটোৱে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে নিজৰ ৰূপৰেখা জনসাধাৰণৰ আগত দাঙি ধৰিব। এই সংকল্প পত্ৰত ৰাজ্যখনৰ যুৱপ্ৰজন্মৰ স্বপ্ন, শান্তি-সমৃদ্ধি আৰু উন্নয়নৰ বিভিন্ন দিশ সামৰি লোৱা হ'ব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় নেতৃত্বৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীয়ে অসম বিজেপিৰ নিৰ্বাচনী প্ৰস্তুতিক এক নতুন গতি প্ৰদান কৰিব বুলি দলীয় সূত্ৰে জানিবলৈ দিছে।

## মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ সম্পত্তি ৬৫০ শতাংশ বৃদ্ধি; কংগ্ৰেছৰ

ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পত্নীৰ সম্পত্তিৰ অস্বাভাৱিক বৃদ্ধিৰ বিষয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আজি গুৱাহাটীত অনুষ্ঠিত এক সংবাদমেলত তেওঁ কয় যে বিগত পাঁচ বছৰত অসমত কেৱল এটা পৰিয়ালহে 'মালামাল' হৈছে। শ্ৰীনেটে উল্লেখ কৰে যে, মুখ্যমন্ত্ৰীয়ে নিৰ্বাচন আয়োগত দাখিল কৰা এফিডেভিট অনুসৰি ২০১৬ চনত তেওঁৰ পৰিয়ালৰ সম্পত্তি আছিল প্ৰায় ১ কোটি ৭৭ লাখ টকা। বৰ্তমান তেওঁৰ নিজৰ সম্পত্তি ১৩১ শতাংশ বৃদ্ধি পাই ২ কোটিৰ পৰা আঢ়ৈ কোটিলৈ উঠিছে। কিন্তু তেওঁৰ পত্নীৰ সম্পত্তি ৬৫০ শতাংশ বৃদ্ধি পাই ১ কোটি ৭৭ লাখৰ পৰা ১৩ কোটি ৫৯ লাখ টকালৈ গৈছে। তেওঁ প্ৰশ্ন কৰে— এনে অস্বাভাৱিক বৃদ্ধি কেনেকৈ সম্ভৱ হ'ল? সংবাদমেলত শ্ৰীনেটে কয়, "বিগত ৫ বছৰত অসমত কেৱল এজন মানুহৰ পৰিয়ালে 'মালামাল' হৈছে। ৬০০-৭০০ শতাংশ সম্পত্তি বৃদ্ধি কেনেকৈ হয়, সেই আঁচনি অসমৰ জনতাক, বিশেষকৈ যুৱ প্ৰজন্ম আৰু মহিলাসকলক জনাওক। উপাৰ্জন ৬৫০ শতাংশ বৃদ্ধি কৰাৰ ফৰ্মুলা ৰাজহুৱা কৰক।" তেওঁ আৰু কয় যে এই তথ্যসমূহ মুখ্যমন্ত্ৰীয়ে নিৰ্বাচন আয়োগত দাখিল কৰা এফিডেভিটত আছে আৰু সেইবোৰ সত্য নহয় বুলি নাকচ কৰিব নোৱাৰি। তেওঁ লগতে উল্লেখ কৰে যে ২০১৬ চনত মুখ্যমন্ত্ৰীৰ স্থাৱৰ সম্পত্তি আছিল চাৰে তিনি কোটি টকা, যিটো বৰ্তমান ২০ কোটি টকালৈ বৃদ্ধি পাইছে। অথচ মুখ্যমন্ত্ৰীয়ে উপাৰ্জন হ্ৰাস পোৱা বুলি দেখুৱাইছে। শ্ৰীনেটে প্ৰশ্ন কৰে— উপাৰ্জন কমিলে সম্পত্তি কেনেকৈ ইমান বৃদ্ধি পালে? সাংবাদিকসকলক উদ্দেশ্যি কৈ তেওঁ কয়, "আপোনালোকৰ কোনো সাংবাদিকৰ উপাৰ্জন ৬৫০ শতাংশ বৃদ্ধি পাইছে নেকি? সৎ পথেৰে পৰিশ্ৰম কৰিলেও এনে বৃদ্ধি হয়নে?" তেওঁ আহ্বান জনায় যে মুখ্যমন্ত্ৰীয়ে এই 'মন্ত্ৰ' অসমৰ যুৱক-যুৱতীসকলক জনাওক, যাতে সকলো ধনী হ'ব পাৰে। শ্ৰীনেটে অভিযোগ কৰে যে অসমত এনে এটা ব্যৱসায়িক ক্ষেত্ৰ নাই য'ত মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ দখল নাই। ৰিয়েল এষ্টেট, পৰিবহণ, টিভি চেনেল, খনন, আন্তঃৰাষ্ট্ৰীয় স্কুল, মেকড'নাল্ড, ৰিজ'ৰ্ট, চাহ বাগিচা আদি সকলো ক্ষেত্ৰতে তেওঁলোকৰ আধিপত্য আছে। তেওঁ কয়, "২০১৬ চনত যাৰ হাতত ডেৰ কোটি টকা আছিল, আজি সেই পত্নীৰ সম্পত্তি ১৪ কোটিলৈ বৃদ্ধি পাইছে।" তেওঁ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ আৰু গৌৰৱ গগৈৰ সম্পত্তিৰ উদাহৰণ দি কয় যে দীৰ্ঘদিন শাসন কৰাৰ পিছতো তেওঁলোকৰ সম্পত্তি তুলনামূলকভাৱে কম আছিল। কিন্তু হিমন্ত বিশ্ব শৰ্মাৰ পত্নী 'মালামাল' হৈছে। শ্ৰীনেটে চিণ্ডিকেটৰ অভিযোগ উত্থাপন কৰি কয় যে চাহ, কয়লা, ধপাত, চুপাৰি, পাণ আদিৰ পৰা অবৈধ টে' সংগ্ৰহ কৰি মুখ্যমন্ত্ৰীৰ পকেটলৈ ধন যায়। কিছুদিনৰ ভিতৰতে চিণ্ডিকেটৰ সম্পূৰ্ণ তথ্য ৰাজহুৱা কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। অসমৰ নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ২৫ শতাংশ নিবনুৱা আছে আৰু ৩১ লাখ লোকে নিয়োগ কেন্দ্ৰত নাম পঞ্জীয়ন কৰিছে। নীতি আয়োগৰ তথ্য অনুসৰি ২৮খন ৰাজ্যৰ ভিতৰত অসম ১৩ নম্বৰলৈ অৱনমিত হৈছে। ৰাজ্য চৰকাৰে ২ লাখ কোটি টকা ঋণ লৈছে আৰু প্ৰতিজন নাগৰিকৰ মূৰত ৫৪ হাজাৰ টকা ঋণ আছে। সংবাদমেলত শ্ৰীনেটে কংগ্ৰেছৰ ৫টা গেৰাণ্টীৰ কথা উল্লেখ কৰি জুবিন গাৰ্গৰ ন্যায়ৰ বিষয়টোক সন্মান জনায়। তেওঁ কয় যে কংগ্ৰেছ চৰকাৰ গঠন হ'লে ১০০ দিনৰ ভিতৰত জুবিন গাৰ্গক ন্যায় দিয়া হ'ব। মুখ্যমন্ত্ৰীৰ "কংগ্ৰেছ ন্যায়ালয় নহয়" বুলি কৰা মন্তব্যৰ প্ৰতি উত্তৰ দি তেওঁ কয় যে কংগ্ৰেছে যি কয় তাকেই কৰে। সামাজিক মাধ্যমত আগ্ৰাসী প্ৰচাৰৰ বিষয়ে প্ৰশ্নৰ উত্তৰত শ্ৰীনেটে কয় যে কংগ্ৰেছে সত্য আৰু মানুহৰ সমস্যাৰ কথা প্ৰচাৰ কৰে, ফেক নিউজ নকৰে। বিজেপিক সম্প্ৰদায়ৰ দল বুলি অভিহিত কৰাৰ অভিযোগ অস্বীকাৰ কৰি তেওঁ কয় যে কংগ্ৰেছ সকলো জাতি-ধৰ্মৰ, উজনি-নামনিৰ সকলো অসমীয়াৰ দল। সংবাদমেলত এপিচিচিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ সমন্বয়ক মহিমা সিং আৰু ৰাজ্যিক সমন্বয়ক গোপাল শৰ্মা উপস্থিত আছিল।

## শদিয়াত জগদীশ ভূঞা 'গেষ্ট এক্টৰ'ৰ দৰে ভুটুংকৈ

ভূঞাক চিনেমাৰ 'গেষ্ট এক্টৰ'ৰ সৈতে তুলনা কৰি কৈছে যে পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ সময়তহে তেওঁ ভুটুংকৈ আহি ওলায় আৰু নিৰ্বাচন শেষ হ'লে গুচি যায়। সোমবাৰে তিনিচুকীয়া জিলাৰ শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কাকপথাৰ ৰাজহুৱা খেলপথাৰত বলীন চেতিয়াৰ হয়ে বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰে। তেওঁ কয়, "শদিয়াত জগদীশ ভূঞাই পাঁচ বছৰৰ মূৰে মূৰে চিনেমাত ওলোৱাৰ দৰে এজন 'গেষ্ট এক্টৰ'ৰ দৰে ভুটুংকৈ আহি ওলায়। ইলেকচন হ'ব আকৌ গুচি যাব। তেওঁৰ কোনো টেনচন নাই। জিকিলেও চিন্তা নাই, হাৰিলেও চিন্তা নাই। তেওঁ এজন বিন্দাচ মানুহ।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সভাত চৰকাৰৰ বিভিন্ন আঁচনিৰ সফলতাৰ কথা উল্লেখ কৰি কংগ্ৰেছৰ অপশাসনৰ বিৰুদ্ধেও তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে অসম জাতীয় পৰিষদ (অজাপ) এইবাৰো খাটা নোখোলে আৰু বিজেপিয়ে ৯০ৰ পৰা ১০০খন আসন লাভ কৰিব বুলি আত্মবিশ্বাস প্ৰকাশ কৰে।" বিজেপিয়ে ৯০ৰ পৰা ১০০ৰ ভিতৰত পাম। ১০০ চুব পাৰোঁ নুচুব পাৰোঁ কিন্তু ৯০-১০০ৰ ভিতৰত পাম। ইতিমধ্যে মোটামুটি অসমৰ ৰাইজে সিদ্ধান্ত লৈছে যে বিজেপি চৰকাৰ আমি ওভতাই আনিম, "বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ আৰু কয় যে আজি পুৱা মাজুলী, নাওবৈচা, চিচিবৰগাঁও আৰু শদিয়াত প্ৰচাৰ কৰি সন্ধিয়া ডিব্ৰুগড়ত ৰোড শ্ব' কৰিব। উজনি আৰু উত্তৰ অসমৰ বহুকেইটা সমষ্টি আজি ক'ভাৰ কৰা হ'ব। অখিল গগৈ আৰু গৌৰৱ গগৈৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "তেওঁলোক নিজৰ নিজৰ সমষ্টিতে বন্ধ। তেওঁলোকে বেলেগৰ কাৰণে ক'ত চিন্তা কৰিব। শিৱসাগৰত মই ভাবোঁ এন ডি এ এইবাৰ জিকিব।" সভাত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ গীত বজোৱা হৈছিল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, প্ৰাৰ্থী বলীন চেতিয়া আৰু উপস্থিত সকলোৱে নাচি-বাগি আনন্দ কৰে।

## প্ৰাক নিৰ্বাচনী হিংসাই জোকাৰিছে নদুৱাৰ সমষ্টিক

অন্তৰ্গত ন-পাম অঞ্চলত কংগ্ৰেছ দলৰ প্ৰাৰ্থী সুনীল চেত্ৰীৰ ওপৰত দুৰ্বৃত্তই আক্ৰমণ চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ কৰ্মীয়ে। ঘটনাৰ বিৱৰণ অনুসৰি, সুনীল চেত্ৰীয়ে সমৰ্থকসকলৰ সৈতে নিৰ্বাচনী প্ৰচাৰত ব্যস্ত আছিল। সেই সময়তে দুৰ্বৃত্তই তেওঁক আক্ৰমণ কৰাৰ চেষ্টা চলায় বুলি অভিযোগ কৰা হৈছে। আক্ৰমণত আঠজন লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। আহত সকলোকে তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে। ঘটনাস্থলীত আৰক্ষী ততাতৈয়াকৈ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ক্ষোভিত কংগ্ৰেছ কৰ্মীয়ে ৰাজপথত বিক্ষোভ প্ৰদৰ্শন কৰি বিজেপি গ' বেগ ধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ শিবিৰে এই ঘটনাক গণতান্ত্ৰিক অধিকাৰৰ ওপৰত আক্ৰমণ বুলি আখ্যা দি দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে, ন-দুৱাৰ সমষ্টিত ৰাজনৈতিক সংঘাত বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। ইয়াৰ আগতে ২৮ মাৰ্চত টুপীয়া অঞ্চলতো হিংসাত্মক ঘটনা সংঘটিত হৈছিল। তাত প্ৰাক্তন বিধায়ক প্ৰাণেশ্বৰ বসুমতাৰীয়ে হাতত চোকা অস্ত্ৰ লৈ বিজেপি কৰ্মীক আক্ৰমণ কৰাৰ চেষ্টা কৰা বুলি অভিযোগ উঠিছিল। ন-দুৱাৰ সমষ্টিত প্ৰাক-নিৰ্বাচনী হিংসা দিনক দিনে বৃদ্ধি পোৱা দেখা গৈছে। কংগ্ৰেছে এই ধৰণৰ ঘটনাৰ বাবে বিজেপিক দায়ী কৰিছে যদিও আৰক্ষীয়ে এতিয়াও কোনো নিৰ্দিষ্ট অভিযোগ দাখিল কৰা নাই।

## স্বাধীনতাৰ পিছৰে পৰা

ইয়াৰ মাজতে প্ৰতিকূল বতৰকো নেওচি ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা। আজিৰ দিনটোৰ প্ৰথমখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণৰ উদ্দেশ্যে পুৱাই হেলিকপ্টাৰ যোগে মাজুলীত উপস্থিত হয় মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা। মাজুলীৰ কাছাৰী ময়দানৰ অস্থায়ী হেলিপেডত অৱতৰণ কৰি পোনেই মাজুলীৰ গড়মূৰ স্থিত মাজুলী মিনি ষ্টেডিয়ামত উপস্থিত হৈ মাজুলীৰ বিজেপি প্ৰাৰ্থী ভুৱন গামৰ হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰচাৰ সভাৰ আৰম্ভণিতে প্ৰাৰ্থী ভুৱন গামে আদৰণি ভাষণ আগবঢ়াই মাজুলীৰ সামগ্ৰিক বিকাশৰ অবিৰত যাত্ৰা অব্যাহত ৰাখিবলৈ তেওঁক পুনৰ এবাৰ সুযোগ দিবলৈ আহ্বান জনায়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী সভাখনৰ হাজাৰ হাজাৰ ৰাইজৰ সন্মুখত ভাষণ প্ৰদান কৰি কয় ২০১৬ চনৰ আগত মাজুলী কি আছিলে আৰু আজিৰ মাজুলীৰ পৰিৱৰ্তিত পৰিৱেশ তাক ময়ো কেতিয়াবা উপলব্ধি নকৰা নহয়। ২০১৬ চনত মাজুলীৰ পৰা সৰ্বানন্দ সোণোৱাল নিৰ্বাচিত হৈ মুখ্যমন্ত্ৰী হৈছিল। তেতিয়াৰ পৰাই মাজুলীৰ জীৱনলৈ পৰিৱৰ্তনৰ এক নতুন দিগন্ত আহি দেখা দিছিলে। স্বাধীনতাৰ পিছৰে পৰা মাজুলীক প্ৰৱঞ্চনা কৰা হৈছিল আৰু মাজুলীলৈ উন্নয়নক আহিবলৈ দিয়া হোৱা নাছিল। ভাৰতীয় জনতা পাৰ্টিয়ে মাজুলীক অসমৰ সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ প্ৰাণকেন্দ্ৰ বুলি অনুভৱ কৰে আৰু সেয়েহে সৰ্বানন্দ সোণোৱালৰ সময়তেই হওক বা মই মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছতেই হওক মাজুলীত উন্নয়ন বিকাশৰ নতুন দিগন্তলৈ লৈ যোৱাৰ প্ৰয়াস আৰু প্ৰচেষ্টা কৰি আহিছিলো বুলি উল্লেখ কৰে। তেওঁ আৰু কয় মাজুলীক জিলা হিচাপে ঘোষণা কৰাই হওক বা মাজুলীত যোগাযোগৰ ব্যৱস্থাৰ পৰিৱৰ্তন অনাই হওক মাজুলীক এক শৈক্ষিক অভিকেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে ব্যৱস্থা লোৱাই হওক এইখন চৰকাৰে দহটা বছৰৰ ভিতৰত মাজুলীৰ জীৱনলৈ পৰিৱৰ্তন আৰু চকুত লগা পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। মাজুলী পূৰ্ণাংগ জিলা হোৱাৰ পিছত শেহতীয়াকৈ নতুন জিলা আয়ুক্তৰ কাৰ্যালয়, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ৫০ কোটি টকাৰ ব্যয়ৰে নতুন ভৱন নিৰ্মাণেৰে মাজুলী বিশ্ববিদ্যালয়ত নতুন ৰূপ দিয়াৰ বাবে প্ৰচেষ্টা কৰা হৈছিল। ৰাইজৰ অনুৰোধত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় খনত কেৱলমাত্ৰ সংস্কৃতিতে আৱদ্ধ নাৰাখি তাত আৰু কলা আৰু বিজ্ঞান শাখাৰো ব্যৱস্থা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ উপৰিও মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ক সাংস্কৃতিক বিশ্ববিদ্যালয় হিচাপে নাৰাখি এখন পূৰ্ণাংগ বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিবলৈ অসম চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ইয়াৰ উপৰিও মাজুলীত স্থাপন হোৱা আদৰ্শ মহাবিদ্যালয়, চেলেক ধুনাগুৰিৰ দলং, মাজুলীৰ পৰা ডিব্ৰুগড়লৈ যোৱা ৰাস্তাক ৰাজ্যিক ঘাইপথৰ মৰ্যাদা দিয়াৰ কথা উল্লেখ কৰি তেওঁ এছপি চিংলাৰ দ্বাৰা নিৰ্মিত যোৰহাট মাজুলী সংযোগী দলংখনো পূৰ্ণ গতিত সমাধান হ'ব বুলি উল্লেখ কৰে। মাজুলীৰ সামগ্ৰীক উন্নয়নৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আৰু কয় কংগ্ৰেছ চৰকাৰে মাজুলীক সমস্যা বুলিহে জ্ঞান কৰিছিল বা অসম চৰকাৰৰ এক মূৰৰ কামোৰণি বুলি গণ্য কৰিছিল। কিন্তু আজি মাজুলীক বিজেপিয়ে সম্ভাৱনা আৰু আদৰ্শ স্থান হিচাপে গণ্য কৰে বুলি উল্লেখ কৰে। আগতে কংগ্ৰেছৰ মুখ্যমন্ত্ৰী মাজুলীত আহিবলৈ বেয়া পাইছিল কিন্তু যোৱা পাঁচটা বছৰত পোন্ধৰ বাৰ মাজুলী ভ্ৰমণ কৰিছোঁ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। কংগ্ৰেছৰ মুখ্যমন্ত্ৰী মাজুলীলৈ অহা নাছিল কিন্তু য'ত বাংলাদেশী মিঞা থাকে তাত মাজুলীত কৈ বেছিকৈ গৈছিল বুলি তেওঁ কংগ্ৰেছক কটাক্ষ কৰে। ইফালে কংগ্ৰেছৰ নতুন বৰ অসমৰ শ্লোগান সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত কয় যে মহাপুৰুষ শংকৰদেৱ, চাওলুং চুকাফাই গঢ়ি যোৱা বৰ অসমখনহে আমাক লাগে বাংলাদেশী মিঞাৰ লগত কংগ্ৰেছে নিৰ্মাণ কৰিব খোজা নতুন বৰঅসমখন আমাক নালাগে বুলি তেওঁ উল্লেখ কৰে। ইফালে আগন্তুক দিনত অসমত চৰকাৰ গঠন কৰি মুখ্যমন্ত্ৰী হ'লে মাজুলীক লৈ কেতবোৰ পৰিকল্পনাৰ কথা মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। সেই অনুসৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অতিৰিক্ত ২৫০ কোটি টকাৰ বিশেষ পেকেজ প্ৰদান, দীৰ্ঘদিনীয়া দাবী পূৰণৰ লক্ষ্যৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ক অতি শীঘ্ৰেই পূৰ্ণাংগ বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান, স্বাস্থ্য খণ্ডত গুৰুত্ব আৰোপ কৰি অহা পাঁচ বছৰৰ ভিতৰত মাজুলীত এখন চিকিৎসা মহাবিদ্যালয় (মেডিকেল কলেজ) স্থাপন, মাজুলীত একেলগে দুহেজাৰ মানুহ বহিব পৰাকৈ অত্যাধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণকে আদি কৰি মুখ্যমন্ত্ৰীয়ে একাধিক গুৰুত্বপূৰ্ণ ঘোষণা কৰে। ইয়াৰ উপৰিও গৰাখহনীয়া প্ৰতিৰোধ আৰু দলং-যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰতো চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইসমূহ পদক্ষেপে মাজুলীৰ উন্নয়নত নতুন দিগন্ত উন্মোচন কৰিব বুলি উল্লেখ কৰে। তেওঁ শেষত ভুৱন গামক বিপুল ভোটত জয়ী কৰাবলৈ তেওঁ মাজুলীৰ প্ৰতিগৰাকী ভোটাৰক আহ্বান জনায়। ইফালে সভাৰ অন্তত সাংবাদিকসকলৰ সৈতে হোৱা মুখামুখিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাম্প্ৰতিক ৰাজনৈতিক পৰিৱেশ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। নিৰ্বাচনৰ ফলাফল সম্পৰ্কে আত্মবিশ্বাস প্ৰকাশ কৰি তেওঁ কয় যে এইবাৰ ভাৰতীয় জনতা পাৰ্টীয়ে ৯০তকৈ অধিক আসন লাভ কৰিব, আনহাতে ভাৰতীয় জাতীয় কংগ্ৰেছ ১৫খন আসনৰ তললৈ নামি যাব।

মাজুলীত কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দলটোৰ নিৰ্বাচনী মেনিফেষ্টোত কোনো স্পষ্ট আৰু গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি নাই। বিশেষকৈ নিয়োগ সৃষ্টি, মহিলাসকলৰ আৰ্থিক সহায় আৰু শিক্ষাখণ্ডৰ উন্নয়ন সন্দৰ্ভত কংগ্ৰেছে কোনো স্পষ্ট দিশ নিৰ্দেশ আগবঢ়াব পৰা নাই বুলি তেওঁ অভিযোগ কৰে। আনহাতে শিৱসাগৰৰ ৰাইজৰ দলৰ প্ৰাৰ্থী অখিল গগৈৰ সন্দৰ্ভত কয় অখিল গগৈয়ে তেওঁৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীক যিদৰে আক্ৰমণ কৰিছে সেয়া নজিৰবিহীন। শিৱসাগৰৰ ৰাইজে বুজি পাব লাগে অখিল গগৈয়ে যোৱা ৫ বছৰত একো কাম নকৰাৰ বাবে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীগৰাকীক সমালোচনা কৰিছে বুলি উল্লেখ কৰে। ইফালে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ক লৈ শেহতীয়াকৈ সৃষ্টি হোৱা বিতৰ্কৰ প্ৰসংগত তেওঁ কয় যে এই শিক্ষানুষ্ঠানটো শিক্ষাৰ অভিকেন্দ্ৰ হিচাপে স্থাপন কৰা হৈছিল, ৰাজনৈতিক কাৰ্যকলাপৰ বাবে নহয়। শিক্ষানুষ্ঠানসমূহক ৰাজনীতিৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰা উচিত নহয় বুলিও তেওঁ উল্লেখ কৰে। এই সন্দৰ্ভত মাজুলীৰ কংগ্ৰেছ প্ৰাৰ্থী তথা বিশ্ববিদ্যালয়খনৰ সহকাৰী অধ্যাপক ডº ইন্দ্ৰনীল পেগুৰ নাম উল্লেখ নকৰাকৈয়ে মুখ্যমন্ত্ৰীয়ে কয় যে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰিলে শিক্ষকৰ পদৰ পৰা পদত্যাগ কৰা উচিত। এই ক্ষেত্ৰত আইনো প্ৰণয়ন কৰা হৈছে বুলিও তেওঁ স্পষ্ট কৰে। প্ৰতিকূল বতৰৰ মাজতো মুখ্যমন্ত্ৰীৰ মাজুলীৰ জনসভাত ৰাইজৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে মাজুলীৰ নিৰ্বাচনী অংকত এক নতুন মাত্ৰা যোগ কৰিছে। মাজুলীৰ পৰা প্ৰচাৰ শেষ কৰি মুখ্যমন্ত্ৰীগৰাকী পৰৱৰ্তী ৪টা সমষ্টিৰ উদ্দেশ্যে ৰাওনা হয়। সভাখনত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, জিলা গণশক্তিৰ সভাপতি ৰঞ্জিত দলে, জিলা অগপৰ সভাপতি ব্ৰজেন গামৰ লগতে বিজেপিৰ বিভিন্ন বিষয়ববীয়া, নেতা সদস্যসকল উপস্থিত থাকে।

## আজি বাণ নগৰীত ৰাজনাথ

৩ কিলোমিটাৰ পৰিসৰৰ ভিতৰত কোনো ধৰণৰ ড্ৰোণ উৰণ চলোৱাৰ অনুমতি নাথাকিব। প্ৰশাসনে জানিবলৈ দিছে যে ভি আই পিৰ সুৰক্ষা আৰু সাধাৰণ জনতাৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবেই এই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিষেধাজ্ঞা প্ৰতিৰক্ষা মন্ত্ৰীৰ সমগ্ৰ ভ্ৰমণকাললৈকে বলবৎ থাকিব। আদেশ উলংঘা কৰিলে প্ৰযোজ্য আইনৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও স্পষ্ট কৰি দিয়া হৈছে। উল্লেখ্য যে, এই নিৰ্দেশনা তৎক্ষণাত কাৰ্যকৰী হৈছে আৰু আৰক্ষীসহ সংশ্লিষ্ট সকলো বিভাগক কঠোৰভাৱে নিৰ্দেশ দিয়া হৈছে যাতে নিষেধাজ্ঞা সঠিকভাৱে পালন কৰা হয়। অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে ৰাজ্যলৈ হাই প্ৰফাইল কেন্দ্ৰীয় নেতাসকলৰ আগমন অব্যাহত আছে। ৰাজনাথ সিঙৰ তেজপুৰ ভ্ৰমণক লৈ প্ৰশাসনে প্ৰতিটো স্তৰতে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে।

**প্ৰথম শ্ৰেষ্ঠ নাট্য দল "নৱসৃষ্টি"; ২৮ গৰাকী বিভিন্ন জাতি-জনজাতিৰ শিশুৰ দ্বাৰা পতাকা উত্তোলন**

# পুৰণিগুদামত "২৮ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতা" আৰু শিশু সাংস্কৃতিক সমাৰোহৰ সফল সমাপ্তি



**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ মাৰ্চ ঃ** শিশুৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ লক্ষ্য আগত ৰাখি নগাঁও জিলাৰ পুৰণিগুদামত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হোৱা ২৮ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতাখন যোৱা নিশা প্ৰায় ১১ বজাত সফল সমাপ্তি হয়। শিশুৰ স্বপ্ৰতিভাৱে মুখৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামস্থিত ড° ভবেন্দ্ৰনাথ শইকীয়া ৰাজহুৱা প্ৰেক্ষাগৃহত ৰাজ্যৰ মুঠ ১৩ টি আগশাৰীৰ শিশু নাট্যদলে অংশগ্ৰহণ কৰাৰ পিছত নগাঁও জিলাৰ পুৰণিগুদামৰ নৱসৃষ্টিয়ে প্ৰথম শ্ৰেষ্ঠ নাট্যদলৰ সন্মান পাবলৈ সক্ষম হয়। নাটক- 'আকাশলৈ যাওঁ ব'লা'। শিশুনাট্য দলটিয়ে শ্ৰেষ্ঠ নাট্যদলৰ সন্মান প্ৰাপ্তিৰ লগতে নাটখনৰ পৰিচালক, সাংবাদিক সীমান্ত কলিতাই শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ উদ্যোগত আয়োজিত ২৮ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতাৰ ফলাফল অনুসৰি, দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল, নাট্য প্ৰশিক্ষণ কেন্দ্ৰ, বিশ্বনাথ চাৰিআলি, নাটক- 'হৰেনৰ হুচৰি'। তৃতীয় শ্ৰেষ্ঠ নাট্যদল, শঙ্কৰ মঞ্চ, নগাঁও, নাটক- 'বকুল ফুলৰ দৰে'। চতুৰ্থ নাট্যদল, সমন্বয় নাট্য বিদ্যালয়, নলবাৰী, নাটক- 'ঢুলীয়াৰ ঢং নকৰিবা ৰং'। পঞ্চম শ্ৰেষ্ঠ নাট্যদল, শিল্প কানন, নগাঁও, নাটক- 'লাইট কেমেৰা, চাউণ্ড, একচন'। শ্ৰেষ্ঠ অভিনেতা, জ্যোতিস্মান শইকীয়া, চৰিত্ৰ- হৰেন, নাটক- 'হৰেনৰ হুচৰি'। শ্ৰেষ্ঠ অভিনেত্ৰী, হিয়স্মিতা বৰা, চৰিত্ৰ, মিনা নাটক- 'হৰেনৰ হুচৰি'। শ্ৰেষ্ঠ সহঃ অভিনেতা, প্ৰিয়াংকু শইকীয়া, চৰিত্ৰ-বিতু, নাটক- 'চন্দ্ৰলৈ যাম ভোজ ভাত খাম'। শ্ৰেষ্ঠ সহঃঅভিনেত্ৰী, লিপি বৰুৱা, চৰিত্ৰ-মৌ (পুতলা) নাটক- 'অনুভূতি'। শ্ৰেষ্ঠ কৌতুক অভিনেতা, কিশোক ৰঞ্জন শৰ্মা, চৰিত্ৰ- প্ৰাণ, নাটক- 'লাইট, কেমেৰা, চাউণ্ড, একচম'। শ্ৰেষ্ঠ সংগীত, নাটক-'এটুকুৰা মেঘ'। শ্ৰেষ্ঠ পাণ্ডুলিপি, শোণিত জ্যোতি শইকীয়া, নাটক ঃ 'The unseen Tomarow', প্ৰতিযোগিতাখনিত বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ক্ৰমে, ধৃতি নায়না দেৱী, চৰিত্ৰ- নয়না, নাটক-'এন্ধাৰ হ'ব নোৱাৰো', ৰ'জনা ৰাজখোৱা, চৰিত্ৰ- শোভানা, নাটক- 'আহিব আমাৰ ঘুমতি', ৰিডম বৰা, চৰিত্ৰ- পৰশু, নাটক- 'এটুকুৰা মেঘ' আৰু শুভ্ৰ কিংকৰ খাটনিয়াৰ, চৰিত্ৰ- লাচিত ইত্যাদি, নাটক- 'মুং ডং চুন খাম'। প্ৰতিযোগিতাখনিত বিচাৰক হিচাপে উপস্থিত থাকে বিশিষ্ট নাট্যকাৰ, পৰিচালক, ক্ৰমে, যতীন শইকীয়া, সঞ্জীৱ বুঢ়াগোঁহাই আৰু নৱজ্যোতি বৰা। অসম নাটা সন্মিলন, পুৰণিগুদাম শাখাৰ উদ্যোগত যোৱা ২৮ আৰু ২৯ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা '২৮ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতা' আৰু শিশু সাংস্কৃতিক সমাৰোহৰ কাৰ্যসূচী অনুসৰি ২৮ মাৰ্চত তোৰণ উন্মোচন আৰু পতাকা উত্তোলনেৰে দুদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰতিকুল বতৰৰ বাবে অনুষ্ঠানৰ শুভাৰম্ভ নিৰ্দ্ধাৰিত সময়তকৈ তিনি ঘণ্টা পলম হয়। সেই অনুসৰি দিনৰ ১১ বজাত 'শিল্পী পেঞ্চনাৰ মহৎ বৰা সোঁৱৰণী স্মৃতি তোৰণ' উন্মোচন কৰা হয়। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ প্ৰাক্তন সম্পাদক, সাংবাদিক নীলৰঞ্জন শৰ্মাই আঁত ধৰা তোৰণ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সাহিত্যিক তথা লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে শিল্পী পেঞ্চনাৰ মহৎ বৰা সোঁৱৰণী তোৰণ উন্মোচন কৰে। ইয়াৰ পিছতে ২৮ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতা উপলক্ষে বিভিন্ন জাতি-জনগোষ্ঠীৰ শিশুৰ দ্বাৰা ২৮খন পতাকা উত্তোলন কৰা হয়। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ আৰু প্ৰতিযোগিতাৰ মূল পতাকা উত্তোলন কৰে ক্ৰমে, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ সভাপতি ৰঞ্জন তামোলী আৰু ২৮ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতা উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰভাত কলিতাই। দুয়োগৰাকী উত্তোলকক সহযোগিতা আগবঢ়াই শাখাৰ সম্পাদক ৰাণা ভূঞা আৰু উদযাপন সমিতিৰ সম্পাদক পূৰ্ণানন্দ বাৰিকে। সমান্তৰালভাৱে বিভিন্ন জাতি-জনজাতিৰ ২৮ গৰাকী কিশোৰ-কিশোৰী ক্ৰমে, দেৱাংগণা বৰা, তপস্যা গোঁহাই বৰুৱা, পূৰ্বাশ্ৰী বাৰিক, গৰিমা খানাল, মীৰবিন পায়েং, মৌচুম ভূঞা, যশনীল গোপাল বৰুৱা, ভৰাৰ্ণৱ ভৰদ্বাজ, ইনায়ক ৰাইনুল হক, ৰাগিনী বৰা, দিশান্ত দিবং বৰা, নিষ্ঠাজিতা ভূঞা, দেৱনীভ গায়ন, দৃশাংকৃতা চমুৱা, মাইসিং ৰাংথাচা, নিমিৎ ধ্ৰুৱ কাশ্যপই, চিন্ময়ী দুৱৰা, চৰ্দাৰ গুৰুপাল সিং, গৌৰাঙ্গী গোস্বামী, অৰ্ণৱ জ্যোতি ভূঞা, সুকন্যা শইকীয়া আৰু প্ৰজ্ঞান প্ৰতীম ভূঞাই। ইয়াৰ পাছতে অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপৰ সভাপতি বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত সন্মুখত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা জ্ঞাপন কৰে শিল্পী পেঞ্চনাৰ তথা অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ প্ৰাক্তন সভাপতি কানু গোস্বামীয়ে। সমান্তৰালভাৱে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে ক্ৰমে, চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৰবীন নাথ কলিতা, পুৰণিগুদাম শাখাৰ প্ৰাক্তন সভাপতি জগমোহন শৰ্মা, উদ্‌যাপন সমিতিৰ সভাপতি প্ৰভাত কলিতা আৰু সমাজকৰ্মী প্ৰফুল্ল শইকীয়াই। পৰৱৰ্তী সময়ত "স্মৰণীয় ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন"ৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাস্কৰ ভূঞা, নাট্যকৰ্মী দেৱজিৎ কলিতা আৰু ৰিণ্টু শৰ্মা, হোমেশ্বৰ বৰা, হিৰণ্য কুমাৰ চমুৱাকে প্ৰমুখ্য কৰি কেইবাগৰাকীও লোকে স্মৰণীয় ব্যক্তিসকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে শ্ৰদ্ধা জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত নৃত্য পটীয়সী মায়াংকী বৰা সোঁৱৰণী মঞ্চ উদ্বোধনী অনুষ্ঠান ৰূপায়ণ কৰা হয়। মায়াংকী কাশ্যপৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজসেৱিকা অজিতা গোস্বামীয়ে আৰু মঞ্চ উদ্বোধন কৰে চাপালানা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰুল গায়নে। নৃত্য পটীয়সী মায়াংকী কাশ্যপ সোঁৱৰণী উক্ত মঞ্চত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি তেওঁৰ "মানুহে মানুহৰ বাবে" কালজয়ী গীতটি স্থানীয় মহিলাসকলে পৰিৱেশন কৰে। তাৰ পাছতে বিশিষ্ট সংগীত শিল্পী প্ৰশান্ত গোস্বামীৰ পৰিচালনাত পুৰণিগুদামৰ সুসন্তান, লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ চিৰসেউজ গীত "পকা ধানৰ মাজে মাজে" আৰু অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ "মায়াবিনী ৰাতিৰ বুকুত" গীতটি অঞ্চলৰ বাচকবনীয়া উদীয়মান শিশু কণ্ঠশিল্পী সকলে পৰিবেশন কৰে। মায়াংকী কাশ্যপ সোঁৱৰণী মঞ্চত অনুষ্ঠিত হোৱা শিশু সাংস্কৃতিক সমাৰোহখনি প্ৰজ্ঞান প্ৰতীম ভূঞাই পৰিবেশন কৰা বৰগীত আৰু গৌৰাঙ্গী গোস্বামীয়ে পৰিৱেশন কৰা সত্ৰীয়া নৃত্য পৰিৱশনেৰে শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে প্ৰশান্ত গোস্বামীৰ পৰিচালনাত বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত পৰিৱেশন কৰে অন্বেষা গগৈয়ে, জ্যোতিসঙ্গীত পৰিৱেশন কৰে ডলি মুদৈ আৰু চিন্ময়ী শৰ্মাই। উল্লেখ্য যে, উক্ত দুয়োটি গীতত পাঁচ বছৰীয়া শিশুশিল্পী অৰুণাভ গোস্বামীয়ে তবলা সংগত কৰি উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰাৰ লগতে এটি ভূপেন্দ্ৰ সঙ্গীতো পৰিৱেশন কৰে। ইয়াৰ পাছতে বসন্ত কৌশিক ভাগৱতীৰ তত্বাৱধানত অনিৰ্বাণ কলাকেন্দ্ৰৰ শিল্পীসকলে আবৃত্তি অনুষ্ঠান আৰু স্বস্তিকা যোগ বিদ্যাপীঠ, পুৰণিগুদামৰ শিক্ষাৰ্থীসকলে যোগাসন পৰিৱেশন কৰে। সত্ৰীয়া নৃত্য পৰিৱেশন কৰে পূৰ্বাশ্ৰী বাৰিকে আৰু প্ৰিয়াংকী শৰ্মাৰ তত্বাৱধানত পাটমাদৈ নৃত্য শিল্পীৰ দলে আধুনিক নৃত্য পৰিৱেশন কৰে। পুৰণিগুদাম ভীমৰগাঁৱৰ নৃত্যাঞ্জলী নামৰ অনুষ্ঠানটিয়ে ইন্দ্ৰজিৎ দাসৰ পৰিচালনাত "পাগলী" নামৰ এখন নৃত্যনাটিকা পৰিৱেশন কৰে। ৰুদ্ৰ বৰুৱা সংগীত একাডেমীৰ নৃত্য শিল্পীসকলে ৰুণজুন বৰাৰ পৰিচালনাত আধুনিক নৃত্য পৰিৱেশন কৰাৰ পাছতে জাতীয় সংগীত পৰিৱেশনৰে অনুষ্ঠানৰ সামৰণি পৰে। উক্ত অনুষ্ঠানটি আঁত ধৰে ক্ৰমে পূৰৱী শইকীয়া আৰু হেৰম্ব প্ৰসাদ গোস্বামীয়ে। উল্লেখ্য যে, অনুষ্ঠানৰ পতাকা উত্তোলকসকলৰ লগতে সমাৰোহত অংশগ্ৰহণকাৰী শিশু আৰু মহিলাসকলক উপহাৰস্বৰূপে একোটিকৈ গছপুলি প্ৰদান কৰা হয়। উক্ত অনুষ্ঠান শুভাৰম্ভ কৰে অনিৰ্বাণ গোষ্ঠী, পুৰণিগুদামৰ সভাপতি জ্যোতিৰ্ময় গোস্বামীয়ে। অনুষ্ঠানটিৰ সফল ৰূপায়ণত অঞ্চলৰ বহুসংখ্যক গণ্যমান্য লোকৰ লগতে সন্মিলনৰ সন্মানীয় সদস্যসকলে পূৰ্ণ সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হয়। যোৱা ২৯ মাৰ্চত প্ৰয়াত ৰামনাথ চমুৱা আৰু সৰুমাই গায়ন চমুৱা সোঁৱৰণী মঞ্চত অনুষ্ঠিত হোৱা ২৮ সংখ্যক 'সদৌ অসম শিশু নাট প্ৰতিযোগিতা'খনি উদ্বোধন কৰে অসম নাট্য সন্মিলনৰ সভাপতি জিতেন শৰ্মাই। উক্ত অনুষ্ঠানত অসম নাট্য সন্মিলনৰ নৱনিৰ্বাচিত সম্পাদক সন্তৰাম বৰা, প্ৰতিযোগিতাৰ বিচাৰকসকল তথা কামপীঠ মণ্ডল আৰু জিলা সন্মিলনৰ সন্মানীয় নেতৃবৰ্গ উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানৰ আগে-আগে ৰামনাথ চমুৱা আৰু সৰুমাই গায়ন চমুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ-দ্বীপ প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি কৰে লাইআটী সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱ গোস্বামী, শিল্পী পেঞ্চনাৰ কানু গোস্বামী আৰু উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰভাত কলিতাই। প্ৰতিযোগিতাৰ অন্তত হিৰণ্য কুমাৰ চমুৱা আৰু খগেন কুমাৰ গায়নৰ পৰিচালনাত অনুষ্ঠিত হয় অন্তৰঙ্গ আলাপ অনুষ্ঠান। উক্ত অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী মুকুল শৰ্মা আৰু বিশিষ্ট গল্পকাৰ দীপালী দেৱীক সম্বৰ্দ্ধনা জনোৱা হয়। ২৮ সংখ্যক শিশুনাট প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠান। পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিণ্টু শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত হোৱা বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী দল, পুৰস্কাৰপ্ৰাপক শিশুশিল্পী, নাট্যকাৰ, পৰিচালকক বঁটা প্ৰদান কৰা হয়।

# নিৰ্বাচনৰ পূৰ্বে গাঁৱে গাঁৱে চুলাই মদৰ ঘাটি ধ্বংস বান্দৰদেৱা আৰক্ষীৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ৩০ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনলৈ মাজত মাথোঁ আৰু কেইটামান দিন বাকী। নিৰ্বাচন চমু চাপি অহাৰ লগে-লগে আৰক্ষী প্ৰশাসনৰো এইকেইটা দিনত থৰ কাচুটি নোহোৱা হৈছে। এফালে জিলাখনৰ যিকোনো ঠাইত প্ৰচাৰৰ বাবে আহি থকা মুখ্যমন্ত্ৰী, মন্ত্ৰীৰ আগমনত ব্যস্ত থাকিব লগা হয় আৰক্ষী। আনহাতে নিৰ্বাচনৰ পূৰ্বে ৰাষ্ট্ৰীয় ঘাইপথত নাকা চেকিং বহুৱাই যান বাহন সমূহত মাৰনাস্ত্ৰ নাইবা বৃহৎ পৰিমাণৰ টকা পইচা লৈ ফুৰিছে নেকি তাকো নিৰীক্ষণ কৰিব লগা হয়। ইয়াৰ মাজতে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পিঠাগুৰি দেউৰী গাঁও, পথালিপাহাৰ সমীপৰ ৰঙতি গাঁৱত আজি পুৱা ভাগতে চুলাই মদৰ বিৰুদ্ধে হঠাৎ অভিযান চলাই বান্দৰদেৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অৰূপ বাহাদুৰ থাপাৰ নেতৃত্বত এটা আৰক্ষী দলে। আৰক্ষী দলটোৱে অভিযান কালত উক্ত গাঁও দুখনৰ দেউৰী আৰু নেপালি সম্প্ৰদায়ৰ কেইবা ঘৰটো চুলাই ভাটি ধ্বংস কৰাৰ উপৰিও বাচন বৰ্তন সমূহ সম্পূৰ্ণকৈ ভাঙি পেলায়। এনেদৰে আৰক্ষী প্ৰশাসনে আহি চুলাই ভাটি উচ্ছেদ কৰা কাৰ্যক স্থানীয় সচেতন ৰাইজে প্ৰশংসা কৰিছে যদিও অনাগত দিনতো গাঁও সমূহত চলাই থকা এনেবোৰ নিচা জাতীয় দ্ৰব্যৰ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি সম্পূৰ্ণভাৱে নিৰ্মূল কৰাৰ ব্যৱস্থা ল'বলৈ ৰাইজে আৰক্ষী বিষয়া গৰাকীক আহ্বান জনাইছে।

# জোনাইত বলেৰ' বাহনত অহা দুৰ্বৃত্তৰ কৱলৰ পৰা কথমপি ৰক্ষা কংগ্ৰেছ কৰ্মীৰ

**অসম বাৰ্তা, ধেমাজি, ৩০ মাৰ্চ ঃ** ধেমাজি কুলাজানত দেওবাৰে গুণ্ডা বাহিনীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হ'ল কংগ্ৰেছ প্ৰাৰ্থী তথা দলীয় কৰ্মীসহ দেহৰক্ষী। জোনাই সমষ্টিত অব্যাহত আছে নিৰ্বাচনী হিংসা। চিলাপথাৰ থানাৰ অন্তৰ্গত কুলাজানত দেওবাৰে গুণ্ডা বাহিনীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হ'ল কংগ্ৰেছ প্ৰাৰ্থী তথা দলীয় কৰ্মীসহ দেহৰক্ষী। ক্ষতিগ্ৰস্ত হ'ল ৫ খনকৈ গাড়ী আৰু এখন বাইক। জানিব পৰা মতে, দেওবাৰে কংগ্ৰেছ প্ৰাৰ্থী ৰাজু মেদকে কেবাজনো কংগ্ৰেছ কৰ্মীৰ সৈতে নামনি চিচি টঙানিত আয়োজিত এক নিৰ্বাচনী সভাত ভাগ ল'বলৈ যাত্ৰা কৰে। পিছে কুলাজানত পূৰ্বৰ পৰাই খাপ পিটি থকা দুৰ্বৃত্ত বাহিনীয়ে আকস্মিকভাৱে দা, লাঠি আৰু শিলৰে ভয়ংকৰ আক্ৰমণ কৰে। আক্ৰমণকাৰীৰ দাৰ ঘাপত বেণু মেদক গুৰুতৰভাৱে আহত হয়। লগতে আঞ্চলিক সদস্যা চিত্ৰলেখা কুম্বাং পেগু, দীক্ষা দলে, সৰ্বেশ্বৰ কুটুম, অনচুলা বসুমতাৰী আদি ৫জনকৈ লোক আহত হয়। দুৰ্বৃত্তৰ আক্ৰমণৰ পৰা সাৰি নগ'ল আৰক্ষীৰ লোকো। কুলাজান-বগীবিল দলং পথৰ মাইহাং হোটেলৰ সন্মুখত সংঘটিত হয় এই ঘটনা। ঘটনাৰ সংক্ৰান্তত কংগ্ৰেছ দলে চিলাপথাৰ আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰি শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী কৰিবলৈ জনাইছে। উল্লেখ্য যে, শুকুৰবাৰে নিশাও কুলাজানত নিৰ্মিত চিমেন-চিচি টঙানি ব্ল'ক কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয়টো দুৰ্বৃত্তই ভাঙি-ছিঙি একাকাৰ কৰিছিল। এনেদৰে বিৰোধী ঐক্য মঞ্চৰ নেতা-কৰ্মীৰ ওপৰত দুৰ্বৃত্তৰ ধাৰাবাহিক আক্ৰমণৰ ঘটনাকলৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে উক্ত দিনা নিশা প্ৰায় ১১: ১০ বজাত জোনাই কংগ্ৰেছ পাৰ্থী ৰাজু মেদকৰ বাসগৃহৰ সন্মুখনত তেখেতৰ আত্মীয়ই ওলাই আহোঁতে পথৰ বাওফালৰ পৰা অহা পাচখনকৈ বলেৰ' বাহনৰ ভিতৰত এখনে সোফালে ৰাজু মেদকৰ আত্মীয়ক সুন্দিয়াই হত্যা কৰাৰ চেষ্টা কৰে। পদুলীৰ মুখত আৰক্ষীৰ নিৰাপত্তাৰ বাবে পাৰি দিয়া চকি সমূহত ঘৰৰ পৰা নেদেখি পদুলী মুখলৈ চাবলৈ আহি সামৰিবলৈ আহোঁতে দুৰ্বৃত্ত দলে খুণ্ডীয়াই হত্যা কৰিবলৈ উদ্যত হোৱা দুৰ্বৃত্তৰ কৱলৰ পৰা লোকজনে কিঞ্চিত জঁপিয়াই কোনোমতে কথমপি নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয়।

# বাক্সাৰ নিকাচিত সাংস্কৃতিক কৰ্মশালা সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, ৰাগানপাৰা, ৩০ মাৰ্চ ঃ** নেপালী সাহিত্য সভাৰ আয়োজনত নেপালী সাহিত্য সভা বাক্সা জিলা সমিতি আৰু সাহিত্য সভা বাক্সা জিলা মহিলা সমিতিৰ তত্বাৱধানত লগতে সাহিত্য সভাৰ ভিন্ন শাখা সমিতি সমূহৰ সহযোগত বাক্সা জিলাৰ নিকাচিস্থিত ড° ভূপেন হাজৰিকা খোলা ৰংগমঞ্চ প্ৰেক্ষাগৃহত ২৯ মাৰ্চ ৰবিবাৰে দিনযোৰা কাৰ্যসূচীৰে গোৰ্খা জাতীয় সাজপাৰ তথা লোক-কলা কৃষ্টিৰ প্ৰদৰ্শীন অনুষ্ঠানৰ সাংস্কৃতিক কৰ্মশালা সমাৰোহৰ সফল সামৰণি পৰে। কাৰ্যসূচীৰ আৰম্ভণিত ৰাতিপুৱা ৮ বজাত সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বাক্সা জিলা নেপালী সাহিত্য সভাৰ সভাপতি ঈশ্বৰ প্ৰসাদ গৌতমে। ৮: ৩০ বজাত বন্তি প্ৰজ্জ্বলন কৰে বাক্সা জিলা নেপালী সাহিত্য সভা মহিলা সমিতিৰ সভানেত্ৰী গীতা দাহালে। ১০ বজাত লোক কলা কৃষ্টি প্ৰদৰ্শনী মঞ্চ উদ্বোধন কৰে অসম নেপালী সাহিত্য সভা বি টি আৰ ক্ষেত্ৰ সমিতিৰ সাধাৰণ সম্পাদক ওম প্ৰকাশ পোখ্ৰলে। ১০: ৩০ বজাত অনুষ্ঠানৰ আৰম্ভণি ভাষণ প্ৰদান কৰে সাহিত্য সভা জিলা কাৰ্যকৰী সভাপতি শান্তিৰাম পোখ্ৰলে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম নেপালী সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি ডঃ চিন্তামনি শৰ্মা। নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য প্ৰদান কৰে অসম নেপালী সাহিত্য সভাৰ সাধাৰণ সম্পাদক তিলক শৰ্মাই। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক বদ্ৰী গুৰাগাই, জয়ন্তী



কলা দেৱী উপ-সভানেত্ৰী সাহিত্য সভা কেন্দ্ৰীয় সমিতি, চুড়ামণি নেওপানে সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য, কালী প্ৰসাদ ভুষাল কেন্দ্ৰীয় সমন্বয়ক, গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ ৰাম দাহাল, নেপালী সাহিত্য সভা বি টি আৰ ক্ষেত্ৰ সমিতিৰ উপ-সভাপতি চন্দ্ৰ প্ৰসাদ ঘিমিৰে, উপস্থিত থাকে অসম গোৰ্খা সন্মিলন বি টি আৰ ক্ষেত্ৰ সমিতিৰ সভাপতি পীতাম্বৰ পাঠক, গোৰ্খা ছাত্ৰ সন্থা বি টি আৰ ক্ষেত্ৰ সমিতিৰ সাধাৰণ সম্পাদক ৰাজু সুবেদী, অসম গোৰ্খা সন্মিলন বাক্সা জিলা সমিতিৰ সভাপতি নাৰায়ণ ভাণ্ডাৰী, সাধাৰণ সম্পাদক লেখ গুৰাগাই, বাক্সা জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি পাৰশ পৰাজুলি, সাধাৰণ সম্পাদক এমকান্ত পৌডেল, বিশিষ্ট সমাজসেৱী দায়নন্দ ভাণ্ডাৰী, সাহিত্য সভা মহিলা সমিতিৰ সদস্য ভাৰতী ভাণ্ডাৰী, বাক্সা জিলা নেপালী সাহিত্য সভাৰ শাখা সমিতি সমূহৰ সভাপতি ও সম্পাদক, সাহিত্য সভা ক্ষেত্ৰীয় সমিতিৰ উপ-সভানেত্ৰী গীতা শৰ্মাকে ধৰি ভিন্ন পদবীত আসন অলংকৃত কৰা জাতীয় সংগঠন সমূহৰ বিষয়ববীয়া, স্থানীয় বুদ্ধিজীৱী, শিক্ষক সমাজকে ধৰি তিনি শতাধিক নিকাচি অঞ্চলৰ তথা সাহিত্য অনুৰাগী ৰাইজৰ এক বিশাল উপস্থিতি থাকে। গোৰ্খা লোক সংস্কৃতিৰ উত্তৰণত বিশেষ ভাৱে ভূমিকা গ্ৰহণ কৰি অহা সাংস্কৃতিক ব্যক্তি ৰাম ৰাই লগতে স্থানীয় সাংস্কৃতিক কৰ্মী সকলৰ আয়োজনত গোৰ্খা কলা কৃষ্টিৰ প্ৰদৰ্শনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ শেষত গোৰ্খা লোক কলা কৃষ্টিৰ পুৰোধা স্বৰূপ ব্যক্তি ৰাম ৰাইক সাহিত্য সভা বাক্সা জিলা সমিতিয়ে সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰে। বঁটা প্ৰদান কৰে সাহিত্য সভা কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদক ড° চিন্তামনি শৰ্মা আৰু তিলক শৰ্মাই লগতে সহযোগ কৰে সাহিত্য সভাৰ সকলো স্তৰৰ বিষয়ববীয়াই। উল্লেখযোগ্য যে, গোৰ্খা মহাজাতিৰ অন্তৰ্গত ভিন্ন উপজাতি সমূহৰ লোক কলা কৃষ্টিৰ প্ৰদৰ্শনী কৰ্মশালাত মাৰুণী নৃত্য, নৌমতি ধুন, মাদল বাদন, ভুজেল নৃত্য, ডম্ফু নৃত্য, চমলা নৃত্য আদিকে ধৰি গোৰ্খা মহাজাতিৰ ২৬টা কৈ জাতি উপজাতি সকলৰ লোক কলা কৃষ্টি সাংস্কৃতিক অনুষ্ঠানৰ প্ৰদৰ্শন কৰা হয়। নৃত্য পৰিৱেশন কৰি গোৰ্খা জাতীয় সংস্কৃতি কলা-কৃষ্টিৰ বিকাশৰ দিশত প্ৰচেষ্টা চলাই থকাৰ লগতে এক সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাৰ বাবে সাহিত্য সভাই ভূমিকা গ্ৰহণ কৰি সাংস্কৃতিক কৰ্মশালা অনুষ্ঠান জীপাল কৰি তোলে।

**জাঁজী লেখিকা সংস্থাৰ উদ্যোগত মঞ্জু মালা শৰ্মাৰ কবিতা পুথি "জোনাক চুমিব খোজা চৰাইজনী" আৰু বীণা বৰুৱাৰ বিয়া নামৰ সংকলন "উৰুলী" উন্মোচন**

# জাঁজীত বসন্তৰ দুপৰীয়া শব্দৰ ধেমালি সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ৩০ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত জাঁজী লেখিকা সংস্থাৰ উদ্যোগত শিৱসাগৰ শাখা লেখিকা সংস্থাৰ সহযোগত লেখিকা সংস্থা, অসমৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে আজি বসন্তৰ দুপৰীয়া শব্দৰ ধেমালি শীৰ্ষক গীত-নৃত্য-কবিতাৰ বৰ্ণিল অনুষ্ঠানটো সম্পন্ন হয়। পুলকিতা চাণ্ডিল্যৰ দশৱতা নৃত্যৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাবে অংশ গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক দীপালী ভট্টাচাৰ্য বৰুৱাই কয় যে এজন কবি, এজন শিল্পী, এজন সাহিত্যিক হোৱাৰ আগতে আমি প্ৰথমে এজন ভাল নাগৰিক হ'ব লাগিব। দেশৰ প্ৰতি, সমাজৰ প্ৰতি শিল্পী, সাহিত্যিক, কবি সকলৰ দায়িত্ব আছে। তেওঁ আৰু কয় যে আৱেগ কবিতাৰ কাৰণে লাগে যদিও তাৰ লগত যুক্তিও লাগিব। যুক্তি আৰু আৱেগৰ মণিকাঞ্চন সংযোগ হলেহে এটা উৎকৃষ্ট কবিতা হয়। জাঁজী শাখা লেখিকা সংস্থাৰ সভাপতি মঞ্জুমালা শৰ্মা ভট্টাচাৰ্য আৰু সম্পাদক বিজু বৰঠাকুৰে আঁতধৰা সভাখন উদ্বাধন কৰে জাঁজী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা জাঁজী উঃ মাঃ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা বৰুৱাই। সভাত লেখিকা সংস্থা, অসমৰ কাৰ্যকৰী সভাপতি কুসুম গগৈ বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি সংস্থাৰ লক্ষ্য, উদ্দেশ্য আৰু সাংগঠনিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতেই বীণা বৰুৱাৰ সম্পূৰ্ণ নীতি-নিয়ম আৰু বিয়ানামৰ সংকলন "উৰুলি" আৰু বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক মঞ্জুমালা শৰ্মাৰ কবিতা পুথি "জোনাক চুমিব খোজা চৰাইজনী" গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে কুসুম গগৈ আৰু দীপালী ভট্টাচাৰ্য বৰুৱাই। সভাত বিশিষ্ট সাহিত্যিক তথা শিৱসাগৰ শাখা লেখিকা সংস্থাৰ সভাপতি দীপ্তিময়ী বুঢ়াগোহাঁই গগৈ, লেখিকা সংস্থা, অসমৰ সহকাৰী সম্পাদক অঞ্জনা গগৈ, উজনি অসমৰ সাংগঠনিক সম্পাদক মীৰা গগৈ, কেন্দ্ৰীয় সদস্যাদ্বয় তোষেশ্বৰী নেওগ ফুকন, ডিমৌ শাখাৰ পদ্মা লাহন চেতিয়া, ৰঞ্জু ফুকন, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ, আমগুৰি জ্ঞান বিকাশ বিদ্যাপীঠৰ অধ্যক্ষ হিমাদ্ৰিজ্যোতি দত্ত, জাঁজী শাখা সাহিত্য সভাৰ সভাপতি প্ৰতাপ কুমাৰ বৰুৱা, জাঁজী শাখা লেখিকা সংস্থাৰ কাৰ্যকৰী সভাপতি বন্তি কটকী, অলংকৃতা মহিলা সমাজৰ সভাপতি ৰুণু বৰুৱা গগৈ জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ দিপ্তী গায়ন, ম'ৰা বজাৰ শাখাৰ মঞ্জু মেচ, জাঁজী প্ৰেছক্লাবৰ সম্পাদক ৰাজীৱ দত্ত, সহকাৰী সম্পাদক প্ৰসেনজিৎ গগৈকে ধৰি একাধিক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত কৃষ্ণেন্দু দত্ত, সুস্মিতা শইকীয়া আৰু ববিতা ফুকনে জুবিন গাৰ্গৰ গীত পৰিৱেশন, প্ৰকাশ কাকতি, লুৎফা ৰহমান, ৰূপা শইকীয়া, ৰুলী বৰগোহাঁই গগৈ, উজ্জ্বল ফুকন, ৰূপালী বৰকটকী, উষা বৰপূজাৰী, ৰঞ্জিতা ভৰালী, অৰ্চনা দত্ত শইকীয়া, যুতিকা শইকীয়া, অনন্যা শইকীয়া, পাপৰী শৰ্মা, অদিতি খাউণ্ড, অমৃত শইকীয়াকে ধৰি বহু কেইজন নবীন-প্ৰবীন কবিয়ে কবিতা পাঠ কৰি বসন্তৰ দুপৰীয়া শব্দৰ ধেমালি অনুষ্ঠানটো উপভোগ্য কৰি তোলে।

# নাজিৰা জভিয়েল ভেলী চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত কেৰিয়াৰ কাউঞ্চিলিং সম্পন্ন

**অসম বাৰ্তা, নাজিৰা, ৩০ মাৰ্চ ঃ** নাজিৰা সমজিলাত অৱস্থিত জভিয়েল ভেলী চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কেৰিয়াৰ কাউঞ্চিলিং আয়োজন কৰে। স্কুলৰ উপাধ্যক্ষ আব্দুল আৰিফে আঁতধৰা, অধ্যক্ষা চিলমি বড়ায়ে সঞ্চালনা কৰা সভাত কেৰিয়াৰ বিশেষজ্ঞ ছাজাদ হাজৰিকা, নাৰ্চিঙৰ প্ৰশিক্ষক তনৱীৰা জামান, চিকিৎসক ডাঃ ৰোহন পাল, এৰিজনৰ সঞ্চালক মিণ্টু বৰুৱা, কাৰ্টু নিষ্ঠি ভাস্কৰজ্যোতি মহন্ত সমল ব্যক্তি হিচাপ উপস্থিত থাকি যথেষ্টখিনি বক্তব্য আগবঢ়াই আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। অনুষ্ঠানত নাজিৰা সমজিলাৰ বিভিন্ন শিক্ষানুষ্ঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰে। আজিৰ কেৰিয়াৰ কাউঞ্চিলিং অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি আশাবাদী বুলি জনায় জভিয়েল ভেলী চিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষা চিলমি বড়ায়ে।

# বিষাক্ত কাঠফুলা খাই শদিয়াত দুই শিশুসহ ১১জন অসুস্থ; নিশাই চিকিৎসালয়ত ভৰ্তি

**অসম বাৰ্তা, শদিয়া, ৩০ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ শদিয়া সমজিলাৰ ৰুক্মিণী দেউৰী গাঁৱত বিষাক্ত কাঠফুলা খোৱাৰ ফলত দুই শিশুসহ মুঠ ১১জন লোক গুৰুতৰভাৱে অসুস্থ হৈ পৰাৰ দৰে এক ভয়ংকৰ ঘটনা সংঘটিত হৈছে। প্ৰাপ্ত খবৰ অনুসৰি, দেওবাৰে সন্ধিয়া গাঁওখনৰ একাংশ লোকে নিশাৰ আহাৰৰ সৈতে কাঠফুলা গ্ৰহণ কৰাৰ পিছতে অসুস্থতা অনুভৱ কৰে। ইয়াৰ পিছতে অসুস্থ লোকসকলক তৎকালীনভাৱে শদিয়াৰ সদৰ চপাখোৱাস্থিত শদিয়া মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইয়াৰে পাঁচগৰাকীৰ অৱস্থা গুৰুত্ব হোৱাত চিকিৎসকে তেওঁলোকক উন্নত চিকিৎসাৰ বাবে তিনিচুকীয়াৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে বাকীসকলৰ অৱস্থা বৰ্তমান স্থিৰ আৰু সংকটমুক্ত বুলি চিকিৎসালয়খনৰ চিকিৎসকে জানিবলৈ দিছে। অসুস্থ হোৱা লোকসকল হৈছে - সুমবৰি দেউৰী(৬০), অভিজিত দেউৰী(৪৫), উজ্জ্বল দেউৰী(৪), নিৰঞ্জন দেউৰী(২), মামণি দেউৰী(৩০), কুজয় দেউৰী(৫৬), মিতালী দেউৰী(৫৫), ৰাধিকা দেউৰী(১২), নানী দেউৰী(৩৫), মনজিৎ দেউৰী(১৯) আৰু প্ৰজেছ দেউৰী (২০)। চিকিৎসালয়খনৰ সূত্ৰই জানিবলৈ দিয়া মতে, বৰ্তমান আটাইকেইগৰাকী ৰোগীৰ অৱস্থা উন্নত আৰু সুস্থতাৰ দিশে আগবাঢ়িছে। শদিয়া সমজিলা প্ৰশাসনে ৰাইজক অজ্ঞাত বা বনৰীয়া কাঠফুলা গ্ৰহণ নকৰিবলৈ সতৰ্ক কৰি দিছে। ঘটনাক লৈ শদিয়া সমগ্ৰ শদিয়া সমজিলাতে তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে।

ড° পীতাম্বৰ দেৱ গোস্বামীক গুৰুৰত্ন বটাঁ প্ৰদান

# জ্যোতি প্ৰতাপ জ্ঞানমাৰ্গ বিদ্যালয়ৰ ষষ্ঠ প্ৰতিষ্ঠা দিৱস পালন




**অসম বাৰ্তা, চেলেংহাট, ২৯ মাৰ্চ ঃ** যোৰহাট জিলাৰ টীয়ক কলীয়াপানীত ২০২১ চনত প্ৰতিষ্ঠা লাভ কৰা জ্যোতি প্ৰতাপ জ্ঞানমাৰ্গ বিদ্যালয়ৰ ষষ্ঠ প্ৰতিষ্ঠা দিৱস আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হৈছে। আজি পুৱা জ্যোতি প্ৰতাপ শিক্ষা ন্যাসৰ সভাপতি ৰোড়িত বৰাই পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছত গছপুলি ৰোপণ কৰে অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েঙে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে ঢেকীয়াখোৱা বৰনামঘৰ পৰিছালনা সমিতিৰ সভাপতি প্ৰবীন কলিতাই। দিনৰ ১১ বজাৰ পৰা বিদ্যালয়খনৰ মুখ্য উপদেষ্টা ড° ভাৰত বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে। বিদ্যোলয়ৰ অধ্যক্ষ দিগন্ত শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা আৰু বিজু শৰ্মাই আঁত ধৰা সভাত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতি প্ৰসাদ শইকীয়া আৰু অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোঁহাই ৰাজকোঁৱৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° অৰুনী ভাগৱতী, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰী সচিব কমলজ্যোতি গগৈ, বিশিষ্ট অধিবক্তা ভৱ গোস্বামী, মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়া, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকা, আৰু অসমৰ বিশিষ্ট অভিনেত্ৰী চেতনা দাস সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত পদ্মশ্ৰী যাদৱ পায়েং, যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰী, বিশিষ্ট সাংবাদিক পৰাগমণি আদিত্য, পৰিবেশ কৰ্মী ঋতুৰাজ ফুকন আৰু সংগীত শিল্পী ভৃগু কাশ্যপ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। আজিৰ এই অনুষ্ঠানত ড° পীতাম্বৰ দেৱ গোস্বামীক গুৰুৰত্ন বটাঁ, আনন্দ আগৰৱালাক ড° যাদৱ পায়েং আন্তৰাষ্ট্ৰীয় বঁটা, সমাজকৰ্মী ঢ়ধনপত সিং সুৰানাক সমাজৰত্ন বটাঁ, পৰাগমনি আদিত্যক সংবাদৰত্ন বটাঁ, ভৱ গোস্বামীক আইনৰত্ন বটাঁ, অভিনেত্ৰী চেতনা দাসক অভিনয় ৰত্ন বটাঁ, ড° সৌমিত্ৰ পূজাৰীক শিক্ষাৰত্ন বটাঁ, কমলজ্যোতি গগৈক শিক্ষা মহীয়ান বটাঁ আৰু ড° ভাৰত বৰাক সাহিত্যিক ৰত্ন বটাঁ প্ৰদান কৰা হয়। বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ নৃত্য গীত অভিনয়ৰে জীপাল হৈ পৰা অনুষ্ঠানটো বিদ্যালয় সংগীতেৰে শুভাৰম্ভ কৰা হয়। উল্লেখযোগ্য যে, অহা ৩০ আৰু ৩১ মাৰ্চৰ সন্ধিয়া ৬ বজাৰ পৰা বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে দুটা খণ্ডত শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলাৰ অভিনয় প্ৰদৰ্শন কৰিব। আনহাতে এক এপ্ৰিলৰ পুৱা প্ৰতিষ্ঠা দিৱস উপলক্ষে বিদ্যালয়ত বিশেষ প্ৰাৰ্থনা সভা আৰু সন্ধিয়া ছাত্ৰ-ছাত্ৰী সকলে নিজ ঘৰৰ পদূলিত বন্তি প্ৰজ্বলন কৰিব।

# মঙলদৈৰ জ্ঞানবিকাশ একাডেমীৰ বিজ্ঞান শাখাত ড° বিশ্বজিৎ চহৰীয়াক বিজ্ঞান সঞ্চালক হিচাপে নিযুক্তি প্ৰদান

**অসম বাৰ্তা, মঙলদৈ, ২৯ মাৰ্চ ঃ** দৰঙৰ শিক্ষাজগতৰ বাবে এক সুখবৰ, মঙলদৈৰ অগ্ৰণী শিক্ষানুষ্ঠান জ্ঞান বিকাশ একাডেমী চিনিয়ৰ চেকেণ্ডাৰী স্কুলত আজিৰে পৰা নিযুক্তি প্ৰদান কৰা হৈছে এগৰাকী বিশেষজ্ঞ বিজ্ঞান শাখাৰ অধ্যাপক ড° বিশ্বজিত চহৰীয়াক। ড বিশ্বজিত চহৰীয়া আই আই টিৰ ভিল্লাইৰ দৰে শিক্ষানুষ্ঠানত শিক্ষকতা কৰা অভিজ্ঞতাৰে পৰিপুষ্ট একাডেমীত আজি অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ বাৰ্ষিক সভাত ড° বিশ্বজিত চহৰীয়াক জ্ঞান বিকাশ একাডেমী চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ এগৰাকী বিজ্ঞান নিৰ্দেশক হিচাপে নিযুক্তি প্ৰদান কৰা হয়। আৰু এই নিযুক্তি প্ৰদান অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত পৰেশ কুমাৰ শৰ্মাকে প্ৰমুখ্য কৰি দৰং জিলাৰ বিভিন্ন স্থানৰ বিভিন্ন বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শিক্ষয়িত্ৰীসকল লগতে দৰং জিলাৰ সামাজিক সাংস্কৃতিক অনুষ্ঠানত প্ৰতিনিধিত্ব কৰা বিভিন্ন কেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত ডক্টৰ বিশ্বজিত চহৰীয়াক নিযুক্তি প্ৰদান কৰা হয়। এই নিযুক্তিয়ে নিশ্চিয়কৈ দৰং জিলাৰ শিক্ষাখণ্ডত বিশেষকৈ বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ প্ৰভাৱ পেলাব বুলি আশা প্ৰকাশ হৈছে। যিহেতু তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা কেমেষ্ট্ৰী বিষয়ত স্নাতকোত্তৰ আৰু দিল্লীৰ শিক্ষানুষ্ঠানৰ পৰা ডক্টৰেট উপাধি গ্ৰহণ কৰি ড° বিশ্বজিত চহৰীয়াই আই আই টিৰ ভিল্লাইৰ দৰে শিক্ষানুষ্ঠানত শিক্ষকতা কৰা অভিজ্ঞতাৰ লাভ কৰিছে আনহাতে ভাৰতৰ বিভিন্ন কেইখন বিশ্ববিদ্যালয়ৰ আৰু শিক্ষানুষ্ঠানত ড° বিশ্বজিত চহৰীয়াৰ শিক্ষকতা প্ৰদান কৰাৰ অভিজ্ঞতা আছে। এই অভিজ্ঞতাই নিশ্চিত ভাৱে দৰং জিলাৰ বিজ্ঞান শিক্ষাৰ প্ৰতি ধাউতি থকা ছাত্ৰ ছাত্ৰীসকলক উপকৃত কৰিব আৰু দৰং জিলাৰ জ্ঞানবিকাশ একাডেমীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলকলে উপকৃত হ'ব পাৰিব বুলি বিদ্যালয়ৰ অধ্যক্ষ কুশল কলিতাই জানিব দিয়ে।

# বকো ছয়গাঁও সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰমেন সিং ৰাভাৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

**অসম বাৰ্তা, বকো, ২৯ মাৰ্চ ঃ** ৰাজ্যত ক্ৰমাৎ গৰম হৈছে ৰাজনৈতিক দলবোৰৰ তৎপৰতা। কংগ্ৰেছ, বিজেপিৰ লগতে নিৰ্দলীয় প্ৰাৰ্থী সকলোৰে বৃদ্ধি পাইছে নিৰ্বাচনী ব্যস্ততা। কামৰূপ জিলাৰ ২৮ নং বকো ছয়গাঁও বিধানসভা সমষ্টিতো ইতিমধ্যে বাজি উঠিছে ৰণডংকা। এইক্ষেত্ৰত কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী ৰমেন সিং ৰাভাক দেখা গৈছে আগস্থানত। নৱগঠিত সমষ্টিটোৰ অন্তৰ্গত বিভিন্ন গাঁৱে ভূঞে ঘূৰি অধিক আত্মবিশ্বাসী হৈ পৰিছে প্ৰাৰ্থী গৰাকী। কাৰণ বিজেপিৰ জনবিৰোধী কামৰ বাবে বকো সমষ্টি পুনৰ কংগ্ৰেছ দলে দখল কৰিব বুলি কয়। আজি আবেলি ২ নং দিলিঙা গাঁৱত উপস্থিত হৈ আই মাতৃ, ৰাইজৰ সৈতে মত-বিনিময় কৰি অভাৱ অভিযোগৰ বিষয়ে বুজ লয় প্ৰাৰ্থী গৰাকী। ইফালে লগতে দলীয় কাৰ্যকলাপ নিয়াৰিকৈ পৰিচালনা কৰিব পৰাকৈ দিলিঙাত এক নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যালয় ৰঙা ফিতা আনুষ্ঠানিকভাৱে মুকলি কৰে প্ৰাৰ্থী ৰাভাই। উল্লেখ্য যে, ৯ এপ্ৰিলত অনুষ্ঠিত হ'ব অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ ভোটগ্ৰহণ।

# গোলাঘাটত বাইকৰ মুখামুখি সংঘৰ্ষত নিহত দুই

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ২৯ মাৰ্চ ঃ** আজি বিয়লি গোলাঘাট নগৰৰ সমীপৰ শালমাৰাত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন বাইক আৰোহী থিতাতে নিহত হোৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হয়। দুখন মটৰ চাইকেলৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত ভয়াবহ ঘটনাটো সংঘটিত হয়। এই এছ ০৫-জেদ- ৬০১৮ নম্বৰৰ মটৰ চাইকেলখনত বিজু ওৰাং আৰু পাপু মুড়া গৈ থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা এ এছ -০৫ ডি- ৯৮১৮ নম্বৰৰ মটৰ চাইকেলখনত বিল্লাল হুছেইন আৰু ইজৰাইলৰ আলি আৰোহী গৈ থকা অৱস্থাত মুখামুখি সংঘৰ্ষ হয়। এই সংঘৰ্ষত শালমাৰা জংঘলমাটি অঞ্চলৰ বিজু ওৰাং আৰু অন্যখন বাইকত অহা মৃত্যু হোৱা আৰোহী গোলাঘাট কাঠকটীয়াৰ ইজৰাইল আলি বুলি চিনাক্ত কৰা হৈছে। গুৰুতৰভাৱে আহত বিল্লাল হুছেইনক গোলাঘাট শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও উন্নত চিকিৎসাৰ বাবে ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আনজন আহত পাপু মুড়া গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

❑ জাঁজীত অখিল গগৈৰ নিৰ্বাচনী সভা ❑

# বিজেপি চৰকাৰৰ দিনত সঁচা কথা ক'ব নোৱাৰে ঃ অখিল গগৈ

**অসম বাৰ্তা, জাঁজী, ২৯ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে-লগে অসমৰ অন্যান্য সমষ্টিৰ লগতে শিৱসাগৰ বিধানসভা সমষ্টিটো নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। বিৰোধী ঐক্য মঞ্চৰ ৰাইজৰ দলৰ প্ৰাৰ্থী, অখিল গগৈয়ে সমষ্টিটোৰ চুকে কোনে তীব্ৰ গতিত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। আজি জাঁজী জামুগুৰিৰ মৰাণ চিগাত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰি ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিৰোধী প্ৰাৰ্থী অখিল গগৈয়ে বিজেপি দলক তীব্ৰ সমালোচনা কৰি কয় যে, বিজেপি চৰকাৰৰ দিনত সঁচা কথা কলেই বিপদ। ফেচবুকত কবিতা লিখিলে জেললৈ প্ৰেৰণ কৰে, জুবিন গাৰ্গৰ ন্যিয় বিচাৰিলে দেশদ্ৰোহী সজায় বিজেপি চৰকাৰে। আনহাতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী দলৰ চৰকাৰৰ শাসনলৈ আহিলে অৰুণোদয় আচনিৰ ধন ৩০০০ টকালৈ বৃদ্ধি কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে অখিল গগৈয়ে। বিজেপি দলৰ প্ৰাৰ্থী কুশল দুৱৰীক কটাক্ষ কৰি অখিল গগৈয়ে কয় যে, “আমি আঞ্চলিক দল, আমি জাতীয়তাবাদী দল। আমি কাম কৰোঁ দিনৰ পোহৰত, হত্যাকাৰী বিলাকে ৰাতি কাম কৰে। সাবাদিকৰে হোৱা কথাবতৰাত অখিল গগৈয়ে অগপ দলক সমালোচনা কৰি কয় যে, বিদেশী খেদিবলৈ জন্ম হোৱা অগপ দলটো অতুল বৰা আৰু কেশৱ মহন্তই মন্ত্ৰী হ'বৰ বাবেই বিজেপিৰ হাতত বন্ধকত দি দিলে। আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি অখিল গগৈয়ে কয় যে, অসমৰ মুখ্যমন্ত্ৰী যে এজন হত্যাকাৰী সেই কথা মই জানো।” অসমৰ মুখ্যমন্ত্ৰীজন আলফা হৈ আজিও আত্মসমৰ্পণ নকৰাকৈ আছে আৰু তেওঁ আলফাৰ সদস্যপদ এতিয়াও লৈ আছে নেকি তেওঁক সুধিব লাগিব বুলিও মন্তব্য কৰে। আলফা হৈ থাকোঁতে হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলৰ এজন ডাঙৰ লিডাৰ মানবেন্দ্ৰ শৰ্মাক হত্যা কৰিছিল বুলি দাবী কৰি হত্যাৰ অভিযোগত অভিযুক্ত ব্যক্তিজনে আন্দোলনত ছহীদ হোৱা ব্যক্তি এজনৰ বিষয়ে এনেকৈ কোৱাটো ভাল কথা নহয় বুলি কয় অখিল গগৈয়ে।

বদৰুদ্দিন আজমল ড° হিমন্ত বিশ্ব শৰ্মাৰ অক্সিজেন লৈ জীয়াই আছে - ডাঃ আছিফ মহম্মদ নাজাৰ

# প্ৰতিকুল বতৰকো আওকান কৰি গৰৈমাৰীত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ২৯ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত কংগ্ৰেছ দলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। প্ৰতিকুল বতৰকো আওকাণ কৰি লাহৰীঘাটত ধাৰাবাহিক ভাৱে নিৰ্বাচনী প্ৰচাৰ চলাইছে লাহৰীঘাট সমষ্টিৰ বিধায়ক তথা কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী ডাঃ আছিফ মহম্মদ নাজাৰে। আজি সৰুচলা চাৰিআলী, গৰুখুটী বজাৰ, মধ্য কালিকাজাৰি, নগাবন্ধা, বোৱালগুৰী, শান্তিপুৰ বজাৰ, দেৱাগুৰী চাৰিআলী আৰু গৰৈমাৰীকে প্ৰমোখ্য কৰি বিভিন্ন স্থানত কেবাখনো নিৰ্বাচনী সভাত প্ৰচাৰ চলাই সন্ধ্যা ৬ বজাত সমষ্টিটোৰ গৰৈমাৰী চাৰিআলীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সহস্ৰাধিক সমৰ্থকৰ উপস্থিতিত নিৰ্বাচনী সভা খনত ভাষণ প্ৰসঙ্গত বিজেপি চৰকাৰ খনক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় মৌলানা বদৰুদ্দিন আজমল হৈছে ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ সোহাত। বিজেপিৰ অক্সিজেন লৈয়েই এআই ইউ ডি এফ জীয়াই আছে। অসমলৈ শোষণকাৰী বিজেপি চৰকাৰখনক আনিছে বদউদ্দিন আজমলে। সংখ্যালঘু লোক সকলৰ মাজত মিছা সংখ্যালঘু প্ৰীতি দেখুৱাই আজমলে আতৰ ব্যৱসায়ৰ সাম্ৰাজ্য বঢ়াইছে। উচ্ছেদৰ নামত সংখ্যালঘু লোক সকলৰ ওপৰত বিজেপি চৰকাৰে চলোৱা নিৰ্যাতনৰ সঠিক উত্তৰ ২০২৬ৰ নিৰ্বাচনত জনতা জনাৰ্দনে দিব। সংখ্যালঘু সাধাৰণ লোক সকলে বিভিন্ন স্থানত কাম কৰিবলৈ যোৱাৰ পৰিবেশ নোহোৱা কৰিছে এইখন চৰকাৰে। তেওঁ কয় ১৯৯৬ চনত গুপ্ত হত্যা চলিছিল। কিন্তু বিজেপি চৰকাৰখনৰ দিনত মুক্ত হত্যা চলিছে। বৰ্তমান সভা সমিতিত সমৰ্থকৰ ব্যাপক সঁহাৰি আৰু দোৱা আৰ্শীবাদলৈ চাই আগন্তুক নিৰ্বাচনত লাহৰীঘাট সমষ্টিত তেওঁ এক লাখ ভোটৰ ব্যৱধানত জয়ী হব বুলি দৃঢ়তাৰে কয় সাংবাদিকৰ আগত। উল্লেখ্য যে সভাখনত মৰিগাঁও জিলা কংগ্ৰেছৰ সম্পাদক মইদুল ইছলাম খান, প্ৰশাসনীক সম্পাদক সীমান্ত হাজৰিকাকে প্ৰমোখ্য কৰি কেবাজনো জিলা, ব্লক আৰু মণ্ডল পৰ্যায়ৰ নেতা উপস্থিত থাকি নাজাৰৰ হৈ প্ৰচাৰ চলায়।

# নাজিৰাত আৰক্ষীৰ তালাচী অভিযান; এজনক আটক

**অসম বাৰ্তা, নামতি, ২৯ মাৰ্চ ঃ** অসমৰ আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নাজিৰাতো নিৰ্বাচনী আচৰণবিধি উলংঘা কৰা কাৰ্যৰ বিৰুদ্ধে সক্ৰিয় হৈ পৰিছে আৰক্ষী-প্ৰশাসন। যোৱা ২৭ মাৰ্চৰ নিশা নাজিৰাৰ আৰক্ষী আৰু ২১৬নং কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চি আৰ পি এফৰ)ৰ যুটীয়া অভিযানকাৰী দলে নাজিৰা নগৰৰ বৰতলা অঞ্চলত এখন গাড়ীত কঢ়িয়াই অনা ৮.৫৫ লাখ টকা জব্দ কৰাৰ লগতে এগৰাকী মহিলা সহ দুজনক আটক কৰিবলৈ সক্ষম হোৱা ২৪ ঘণ্টা অতিক্ৰম নহওতেই যোৱা নিশা পুনৰ আৰক্ষী আৰু চি আৰ পি এফৰ যুটীয়া অভিযানকাৰী দলে ২ লাখ টকা জব্দ কৰাৰ লগতে ধন কঢ়িয়াই অনা এজনক আটক কৰে। নাজিৰা আদৰ্শ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যজিৎ বৰাৰ নেতৃত্বত যুটীয়া অভিযানকাৰী দলটোৱে নাজিৰা নগৰৰ কলেজ তিনিআলিত এখন ৰঙা ৰঙৰ এ এছ ০৪ এন ৫১৯৯ এল্ট' গাড়ীখন ৰখাই তালাচী চলোৱাত উক্ত ধনৰাশি উদ্ধাৰ কৰাৰ লগতে ধন কঢ়িয়াই অনা বাহনখন কলেজ তিনিআলিত নাজিমুদ্দিন আহমেদ নামৰ লোকজনক সোধা পোছাৰ বাবে আটক কৰে। উল্লেখযোগ্য যে, উক্ত ধনখিনি লৈ ব্যক্তিজন শিৱসাগৰলৈ বুলি আহিছিল। সেই ধনৰাশি কি কাৰণত আনিছিল সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# ৰূপহীহাটত সাত হেজাৰ ৰাইজৰ দলৰ নেতা-কৰ্মীৰ নুৰুল হুদাৰ বিৰুদ্ধে চলাব প্ৰচাৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২৯ মাৰ্চ ঃ** ৰূপহীহাটত যিমানেই নিৰ্বাচনৰ দিন চমু চাপি আহিছে সিমানেই নুৰুল হুদাৰ বিপদ ঘণ্টা বাজি উঠিছে। আজি ৰূপহীহাটৰ ৰাইজৰ দলৰ নেতা আবু ছুফিয়ান ৰাইহানে এক সংবাদ মেলৰ আয়োজন কৰে। উক্ত সংবাদ মেলত ৰূপহীহাটৰ কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাৰ বিৰুদ্ধে মুকলিকৈ বিদ্ৰোহ ঘোষণা কৰা পৰিলক্ষিত হয়। সংবাদ মেলখনত নুৰুল হুদাৰ বিৰুদ্ধে কেইবাটাও বিস্ফোৰক মন্তব্য কৰে ৰাইজৰ দলৰ নেতাজনে। ৰূপহীহাটত ৰাইজৰ দলৰ সাত হেজাৰ কাৰ্যকৰী কমিটিৰ সদস্য আছে আৰু ৫৩ হেজাৰ সদস্য আছে। ৰূপহীহাটত ৰাইজৰ দলক নিঃশেষ কৰাৰ কাৰণে নুৰুল হুদাই যি ষড়যন্ত্ৰত লিপ্ত হৈছে তাৰ কাৰণে আজি ৰাইজৰ দলে সিদ্ধান্ত লৈছে আগন্তুক নিৰ্বাচনত নুৰুল হুদাৰ বিৰুদ্ধে প্ৰচাৰ চলাব বুলি সংবাদ মেল য়োগে জানিব দিয়ে। ৰূপহীহাটত ৰাইজৰ দলে অগপ নে এআইইউডিএফ কোন দলক সমৰ্থন দিব বুলি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মত প্ৰকাশৰ পৰা বিৰত থাকে ৰাইজৰ দলৰ নেতা আবু ছুফিয়ান ৰাইহানে। ৰাইজৰ দলৰ সাত হেজাৰ কাৰ্যকৰী সদস্যই নুৰুল হুদাৰ বিৰুদ্ধে প্ৰচাৰ চলাই কংগ্ৰেছৰ ভেঁটিত কঁপনি তুলিব বুলি জানিব পৰা গৈছে।

# পটীয়াগাঁৱৰ সমাজকৰ্মী-অভিনেতা অমল দত্তৰ মৃত্যু

**অসম বাৰ্তা, নিমাতীঘাট, ২৯ মাৰ্চ ঃ** উত্তৰ যোৰহাটৰ পটীয়া গাঁৱৰ এজন সমাজকৰ্মী, অভিনেতা তথা ৩৫ নং পটীয়া ফকলা গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য অমল (কৃষ্ণ) দত্তৰ (৫৯) যোৱা নিশা ১ঃ০০ বজাত নিজা বাসভৱনত মৃত্যু হয়। তেওঁ দীৰ্ঘ দিন ৰোগাক্ৰান্ত আছিল। অমল দত্ত জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি স্থানীয় কলিয়নী নৱজ্যোতি শংকৰী কলা- কৃষ্টি সংস্কৃতি সংঘৰ একাধিক কাৰ্যকালৰ সভাপতি, পটীয়া গাঁও উন্নয়ন সমিতি, ড'লফিন শৰীৰচৰ্চা কেন্দ্ৰ, পটীয়া গাঁও শাখা সাহিত্য সভা, সেৱা, জ্ঞানদীপ সমাজ কল্যাণ কেন্দ্ৰ আদিৰ লগত জড়িত আছিল। বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাৰ উদ্যোগত ধ্বংস প্ৰায় ঐতিহাসিক ফাকুৱা দৌল উদ্ধাৰ কাৰ্যসূচীত প্ৰয়াত ভাওনা মহীয়ান কুলকমল দত্তৰ লগত সুদক্ষ সংগঠকজনে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। সৰৱৰহী ব্যক্তিজন বিভিন্ন নাটক আৰু ভাওনা, ৰাসৰ এজন সুদক্ষ অভিনেতা আছিল। অভিনয়ৰ কাৰণে তেওঁ বিভিন্ন স্থানত পুৰস্কৃতও হৈছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, একমাত্ৰ পুত্ৰ, জ্যেষ্ঠ ভাতৃ সহ বহু আত্মীয়ক এৰি থৈ যায়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে স্থানীয় এলেকাৰ ৰাইজে শোক প্ৰকাশ কৰিছে।

# বাসুগাঁৱত পাঁচদিনীয়া বিহু-বাগৰুম্বাৰ কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, বাসুগাঁও, ২৯ মাৰ্চ ঃ** বিহু-বাগুৰুম্বা নৃত্যৰ কৰ্মশালা যোৱা ২৫ মাৰ্চৰ পৰা অনুষ্ঠিত হয়। পাঁচদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালাৰ আজি সামৰণি পৰে। চিৰাং জিলাৰ বাসুগাঁও ৰাজাচাৰাং ধৰ্মীয় খেলপথাৰত বিহু আৰু বাগুৰুম্বা নৃত্য প্ৰদৰ্শনৰ অন্তত প্ৰশিক্ষণ গ্ৰহণকাৰী সকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে আজিৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বাসুগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা দেবেন্দ্ৰ বসুমতাৰী। বড়ো জনগোষ্ঠীৰ বাগুৰুম্বা নৃত্য আৰু অসমীয়াৰ অতিকৈ চেনেহৰ বিহু নৃত্যৰ কৰ্মশালা দাওশ্ৰী দিলাই ক্ৰিয়েচনৰ উদ্যোগত যি পদক্ষেপ লোৱা হৈছে তেওঁ তাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আন এগৰাকী অতিথি তথা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° দীপামনি বৈশ্য উপস্থিত থাকি আপ্লুত হোৱা বুলি উল্লেখ কৰি




বড়ো যুৱতী বা মহিলা সকলে বিহু নৃত্য আৰু অসমীয়া যুৱতী বা মহিলা সকলে বাগুৰুম্বা নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰিলে সমন্বয়-সম্প্ৰীতি বেছি মজবুত হ'লহেতেন বুলি উল্লেখ কৰি ভৱিষ্যতে সংস্কৃতিৰ বিনিময় কৰিবলৈ আহ্বান জনাই পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানটিত চিফুং হাৰিমু আফাতৰ সভাপতি নন্দলাল বসুতাৰীও চমু বক্তব্য দাঙি ধৰে। উল্লেখযোগ্য যে পাঁচ দিনীয়াকৈ অংশগ্ৰহণ কাৰী যুৱতী-শিশু সকলক নৃত্য প্ৰশিক্ষণ আগবঢ়ায় অভিজ্ঞ প্ৰশিক্ষাৰ্থী বিধান দেউৰী হুকাই আৰু দিপাঞ্জলী সিংহ। ঢোল বাদনত সহযোগ আগবঢ়ায় নিলোৎপল ৰায়ে। আনহাতে বাগুৰুম্বা নৃত্য প্ৰশিক্ষণ আগবঢ়ায় বৈহিথী ব্ৰহ্ম আৰু খাম বজোৱাত সহায় কৰে মনোজ ওৱাৰী। প্ৰতিকূল বতৰকো নেওচি পাঁচ দিনীয়া কৰ্মশালাৰ সফল ভাৱে সামৰণি পৰাত উদ্যোক্তা সমিতিৰ সভাপতি পাঞ্জাৰাণী বসুমতাৰী আৰু সম্পাদিকা পিজুমনি ৰায়ে গভীৰ সন্তুষ্টি প্ৰকাশ কৰি সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# কামৰূপ জিলাত অনুপস্থিত ভোটাৰসকলৰ বাবে ঘৰতেই ভোটদান ব্যৱস্থা; ৩০ মাৰ্চৰ পৰা আৰম্ভ

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২৯ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০২৬ৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি কামৰূপ জিলাত অনুপস্থিত ভোটাৰসকলৰ (Absentee Voters) বাবে ঘৰতেই ভোটদান (Home Voting) ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ব্যৱস্থা বিশেষকৈ জ্যেষ্ঠ নাগৰিক (AVSC) আৰু শাৰীৰিকভাৱে অক্ষম ব্যক্তি (AVPD) সকলৰ বাবে প্ৰৱৰ্তন কৰা হৈছে, যাতে তেওঁলোকে সহজে নিজৰ গণতান্ত্ৰিক অধিকাৰ প্ৰয়োগ কৰিব পাৰে। কামৰূপ জিলাৰ ২৭ নং ছমৰিয়া, ২৮ নং বকো-ছয়গাঁও (অনুসূচীত জনজাতি), ২৯ নং পলাশবাৰী, ৩০ নং হাজো-শুৱালকুছি (অনুসূচীত জাতি), ৩১ নং ৰঙিয়া আৰু ৩২ নং কমলপুৰ বিধানসভা সমষ্টিৰ ঘৰতেই ভোটদান কাৰ্যসূচী ৩০ মাৰ্চৰ পৰা ১ এপ্ৰিল, ২০২৬ তাৰিখলৈ অনুষ্ঠিত কৰা হ'ব। এই ঘৰতেই ভোটদান কাৰ্যসূচী বয়োজ্যেষ্ঠ বা শাৰীৰিক অসুবিধাৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰলৈ যাব নোৱাৰা যোগ্য ভোটাৰসকলে এই ব্যৱস্থাৰ জৰিয়তে নিজৰ ঘৰতে বহি ভোটাধিকাৰ প্ৰয়োগ কৰিব পাৰিব। নিৰ্ধাৰিত সময়সূচী অনুসৰি নিৰ্বাচনী কাৰ্যত নিয়োজিত দলসমূহে ভোটাৰসকলৰ বাসগৃহলৈ গৈ ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰিব। সেই অনুসৰি সকলো যোগ্য ভোটাৰক অনুৰোধ কৰা হৈছে যে নিৰ্ধাৰিত তাৰিখসমূহত নিজৰ নথিভুক্ত ঠিকনাত উপস্থিত থাকি নিৰ্বাচনী কাৰ্যত নিয়োজিত দলসমূহক সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ কামৰূপ জিলা প্ৰশাসনে অনুৰোধ জনাইছে।


আচ্ছালামু আলাইকুম/নমস্কাৰ, শ্ৰদ্ধাৰ ভোটাৰ ৰাইজ

অসম বিধানসভা নিৰ্বাচন- ২০২৬

৪১ নং মানাস বিধানসভা সমষ্টিৰ

নিৰ্দলীয় প্ৰাৰ্থী

খন্দকাৰ আব্দুল কদ্দুছ



(দায়িত্বশীল নেতৃত্ব - ন্যায়ভিত্তিক উন্নয়নৰ দৃঢ় প্ৰতিশ্ৰুতি)

- মানাসৰ ঐক্য, শান্তি, অগ্ৰগতি আৰু নৈতিক ৰাজনীতিৰ নতুন পথচলা
- দলৰ সীমাবদ্ধতা নহয়, জনগণৰ স্বাৰ্থক প্ৰথম স্থান
- চাহিদা অনুযায়ী গাঁও-পাৰা উন্নয়ন, যুৱশক্তিৰ সঠিক শক্তি, কৃষ্টি, শিক্ষা, স্বাস্থ্য আৰু ক্ষুদ্ৰ-মধ্য উদ্যোগৰ সমৃদ্ধিকৰণ

“ভোট শক্তি-মানাসৰ ভৱিষ্যত নিৰ্ণয়”

“স্বচ্ছতা, সাহস আৰু সৎ নেতৃত্ব - খন্দকাৰ আব্দুল কদ্দুছক এবাৰ সুযোগ দিয়ক।”

আপোনাৰ আশীৰ্বাদ, আপোনাৰ ভৰসা, আমাৰ শক্তি

আওৱাই যাওঁ উন্নয়নৰ সঠিক পথত

ঐক্যবদ্ধ মানাসৰ স্বপ্ন পূৰণৰ দিশে।

।। জয় আই অসম।।

মানাসৰ গৌৰৱময় ৰাইজক বিনম্ৰ আহ্বান

আপোনাৰ মূল্যৱান ভোট টেলিফোনৰ চিহ্নত দিয়ক।